● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

www.dainikagradoot.in

## দিগ্‌দৰ্শন

আমাৰ সন্দেহেই বিশ্বাসঘাতক আৰু ইয়াৰ বাবেই আমি শংকিত হৈ চেষ্টা নকৰাকৈ থকাৰ ফলতে প্ৰাপ্তিৰ সুন্দৰ সুযোগ হেৰুৱাওঁ।

উইলিয়াম শ্বেইক্সপীয়েৰ
*ইংৰাজ কবি-নাট্যকাৰ*



৭ ব্ৰিটেইনত ভয়াৱহ বিদ্যুৎ সংকট
১৫ আজিৰে পৰা স্বাধীনতা কাপ ফুটবল
৪ ড° প্ৰফুল্ল মহন্তৰ বিয়োগত

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ৩২৭তম সংখ্যা ● গুৱাহাটী ● মঙলবাৰ ২০ ভাদ ১৪২৯ ভাস্কৰাব্দ ৬ ছেপ্টেম্বৰ ২০২২ চন ■ DAINIK AGRADOOT ● Guwahati ● Tuesday 6 September 2022 মূল্য ঃ ৯.০০ টকা

■ দলৰ সৰ্বোচ্চ নীতি নিৰ্ধাৰক সংসদীয় ব'ৰ্ডত স্থান লাভ কৰা উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰথমজন সৰ্বানন্দ সোণোৱালক বিপুল সম্বৰ্ধনা ঃ গামোচা পিন্ধাবলৈ ভিৰ ■ ব্যক্তিস্বাৰ্থ ত্যাগৰ আহ্বান কেন্দ্ৰীয় মন্ত্ৰীৰ

# কোনে কি কৰিছে ৰাইজে চাই আছে



*কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ সম্বৰ্ধনা অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাসহ দলীয় নেতাসকল।*

■ অসমীয়াই এতিয়া আকাশ চোৱাৰ কল্পনা কৰিব পাৰে ঃ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ৫ ছেপ্টেম্বৰ ঃ** 'বিজেপিত কোনো ব্যক্তি পূজা নচলে, দলৰ পূজা চলে। দলক পূজা কৰা মানেই দেশক পূজা কৰা। কোনো ব্যক্তিক সন্তুষ্ট কৰিব কাৰণে নহয়, সমাজক সন্তুষ্ট তথা সুখী কৰিবৰ বাবেহে বিজেপিত সিদ্ধান্ত লোৱা হয়। আজি মই যি পদত আছো, সেয়া স্থায়ী বুলি ভাবি লোৱা উচিত নহয়; কাৰণ আজি দলে মোক প্ৰয়োজন বুলি ভাবিছে আৰু কাইলৈ আনক এই স্থানত প্ৰয়োজন বুলি ভাবিব পাৰে। গতিকে দলে যি সিদ্ধান্ত লয়, সেই সিদ্ধান্ত আমি সকলোৱে শ্ৰদ্ধা সহকাৰে গ্ৰহণ কৰি দেশৰ স্বাৰ্থত দলৰ মঞ্চত সকলোৱে ঐক্যবদ্ধ হৈ কাম কৰিম।' বিশ্বৰ সৰ্ববৃহৎ ৰাজনৈতিক দল ভাৰতীয় জনতা পাৰ্টিৰ সৰ্বোচ্চ নীতি নিৰ্ধাৰণ সমিতি সংসদীয় ব'ৰ্ড আৰু কেন্দ্ৰীয় নিৰ্বাচনী সমিতিত স্থান লাভৰ পাছত প্ৰথমবাৰ গৃহৰাজ্যত উপস্থিত হোৱা কেন্দ্ৰীয় মন্ত্ৰী তথা ৰাজ্যৰ প্ৰাক্তন মুখ্যমন্ত্ৰী, ৰাজ্যিক বিজেপিৰ প্ৰাক্তন সভাপতি সৰ্বানন্দ সোণোৱালে আজি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত দলীয় নেতা-কৰ্মীসকল উদ্দেশি ভাষণ প্ৰসংগত এইদৰে মন্তব্য কৰে। উল্লেখ্য যে উত্তৰ-পূব তথা অসমৰ প্ৰথমবাৰলৈ ৰাষ্ট্ৰীয় ৰাজনৈতিক প্ৰেক্ষাপটত উজ্বলি উঠা সোণোৱালে কালি গুৱাহাটীত উপস্থিত হোৱাৰ পাছতে আজি ৰাজ্যিক বিজেপিৰ উদ্যোগত মাছখোৱাৰ সাংস্কৃতিক প্ৰকল্পত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানৰ জৰিয়তে সম্বৰ্ধনা তথা অভিনন্দন জ্ঞাপন কৰা হয়। মুখ্যমন্ত্ৰী ড° শৰ্মা, ৰাজ্যিক বিজেপিৰ সভাপতি ভৱেশ কলিতা, ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক দিলীপ *আঠ পৃষ্ঠাত চাওক*

■ শিক্ষাৰ মাধ্যমৰ ক্ষেত্ৰত সিদ্ধান্ত সলনি নহয় বুলি দৃঢ়তা প্ৰকাশ কৰিলে মুখ্যমন্ত্ৰী ড° শৰ্মাই ■ শিক্ষক দিৱসত ২২গৰাকী শিক্ষকক ৰাজ্যিক বঁটা প্ৰদান কলাক্ষেত্ৰৰ বৰ্ণাঢ্য অনুষ্ঠানত

## নতুন দিনৰ বাবে সাজু হওক শিক্ষক সমাজ

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ৫ ছেপ্টেম্বৰ ঃ** বিদ্যালয় একত্ৰীকৰণ, শিক্ষাৰ মাধ্যম আদি ৰাজ্য চৰকাৰৰ শেহতীয়া সিদ্ধান্তসমূহৰ ওপৰত বিতৰ্ক অব্যাহত থকাৰ সময়তে চৰকাৰ নিজৰ সিদ্ধান্তত দৃঢ় বুলি স্পষ্ট কৰি ৰাজ্যৰ শিক্ষা ব্যৱস্থাত নতুন যুগৰ আৰম্ভণিৰ বাবে শিক্ষক সমাজক সাজু হ'বলৈ আহ্বান জনায় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। আজি শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত কেন্দ্ৰীয়ভাৱে আয়োজিত শিক্ষক দিৱসৰ কাৰ্যসূচীত মুখ্যমন্ত্ৰীয়ে ভাষণত এই মন্তব্য কৰি কয় যে বহু গৱেষণাৰ অন্তত চৰকাৰে কিছু সিদ্ধান্ত লয়। এই সিদ্ধান্তসমূহৰ জৰিয়তে ৰাজ্যখনত শিক্ষা ব্যৱস্থাত এক নতুন যুগৰ আৰম্ভণি কৰিব লাগিব। দৰিদ্ৰ শিক্ষাৰ্থীসকলে এই শিক্ষা ব্যৱস্থাৰ জৰিয়তে নিজৰ জীৱন গঢ়াৰ সপোন সাৰ্থক কৰিব পাৰিব লাগিব বুলি তেওঁ কয়। ৬১ সংখ্যক এই শিক্ষক দিৱসৰ ভাষণত মুখ্যমন্ত্ৰীয়ে কয় যে শিক্ষাগুৰুসকলে ছাত্ৰ-ছাত্ৰীসকলৰ জৰিয়তে সমাজত জ্ঞানৰ পোহৰ বিলোৱাৰ দিশত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। সময়-কাল নিৰ্বিশেষে শিক্ষা আৰু শিক্ষাৰ প্ৰগাঢ়তা শিক্ষাগুৰুৰ তত্ত্বাৱধান অবিহনে সম্পূৰ্ণ নহয়। শিক্ষকসকলক সমাজৰ পথ প্ৰদৰ্শক বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে মানৱ সম্পদ গঢ়াৰ দিশত শিক্ষকসকলে সদায়ে অহোপুৰুষাৰ্থ কৰি আহিছে। শাস্ত্ৰ সাহিত্যৰ বিষয়ে উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে নৈতিকতা, আধ্যাত্মিক মাৰ্গ দৰ্শক হিচাপে শিক্ষকসকলে নিজকে নিয়োজিত কৰি অহা বাবে বিদ্যাৰ্থীয়ে জ্ঞানৰ মহাসাগৰত নিজকে উদ্ভাসিত কৰিবলৈ সমৰ্থ হৈছে *ছয় পৃষ্ঠাত চাওক*

## তীৰ্থস্থান

■ সঞ্জীৱ সভাপণ্ডিত



ধৰ্মীয় স্থানকে তীৰ্থস্থান বুলি কয় বুলি এটা কথা আমাৰ সমাজবিলাকত অতীজৰে পৰা চলি আছে। তীৰ্থ কৰিবলৈ যোৱাকে পুণ্য কৰিবলৈ যোৱা বুলিও বহুতে কয়। হজ কৰিবলৈ যোৱা বা কাশী-বিশ্বনাথ-হৰিদ্বাৰ আদিৰ দৰ্শন কৰা কথাবোৰ এইবোৰৰ ভিতৰত পৰে, যেনেকৈ খ্ৰীষ্টানবিলাকৰ বাবে ভেটিকানৰ চেইন্ট পিটাৰ্ছ গিৰ্জালৈ যোৱা বা ইহুদীবিলাকৰ বাবে জেৰুজালেমলৈ যোৱা বা বৌদ্ধবিলাকৰ বাবে সাৰনাথৰ স্তূপ-বুদ্ধগয়া আদি ঠাইলৈ যোৱাটো *১০ পৃষ্ঠাত চাওক*

## বাংলাদেশৰ পৰা অহা এবিটি সদস্যৰ মূল লক্ষ্য অসম

এনআইএৰ তদন্তত অসম সম্পৰ্কীয় উদ্বেগজনক তথ্য

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ৫ ছেপ্টেম্বৰ ঃ** ভাৰতত জেহাদ বিয়পাবলৈ অসমক আনচাৰুল্লা বাংলা টীম (এবিটি)-এ অভিকেন্দ্ৰ কৰি তুলিছে আৰু এই তথ্য পোহৰলৈ আহিছে ৰাষ্ট্ৰীয় অনুসন্ধান সংস্থা (এনআইএ)ৰ তদন্তত। পশ্চিমবংগ আৰু অসমত সমান্তৰালভাৱে চলোৱা তদন্তত এই দিশটো স্পষ্ট হৈছে যে এবিটিৰ বাংলাদেশী *ছয় পৃষ্ঠাত চাওক*

## বিজেপিয়ে চিতলমাৰীত অমানৱীয়ভাৱে উচ্ছেদ কৰিলে বাঙালী হিন্দুক

ক্ষোভ প্ৰকাশ তৃণমূল কংগ্ৰেছৰ নেতা সৰকাৰৰ

**অগ্ৰদূত বাৰ্তা**

**ঠেলামৰা, ৫ ছেপ্টেম্বৰ ঃ** বৰছলা সমষ্টিৰ চিতলমাৰীত চৰকাৰী ভূমিত বসবাস কৰা লোকসকলক ইয়াৰ পৰা আঁতৰাই চৰকাৰী ভূমি বেদখলমুক্ত কৰাৰ বাবে তিনি ছেপ্টেম্বৰত প্ৰশাসনে চলোৱা উচ্ছেদ অভিযানত তিনি শতাধিক পৰিয়াল গৃহহীন হৈ পৰে। তেওঁলোকে চিতলমাৰী বজাৰ আৰু বছাশিমলু গাঁৱত অস্থায়ী শিবিৰত দুৰ্যোগপূৰ্ণ পৰিস্থিতিৰ মাজত সময় পাৰ কৰিছে। *১০ পৃষ্ঠাত চাওক*



| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ৩১° | ২৫° |
| ডিব্ৰুগড় | ২৮° | ২৪° |
| দিল্লী | ৩৮° | ২৭° |
| কলকাতা | ৩০° | ২৭° |
| মুম্বাই | ৩১° | ২৭° |
| চেন্নাই | ৩৪° | ২৭° |
| বাংগালুৰু | ২৯° | ২১° |
| শ্বিলং | ২৩° | ১৯° |

*৫ ছেপ্টেম্বৰ, ২০২২*

## চেঙা তেল



*কাৰেণ্টেই নাই যেতিয়া এইটো চলাবা কেনেকৈ? মন্ত্ৰীকে ওভতাই দি থৈ আহো!*

■ কঠিয়াতলিত শিক্ষাগুৰুৰ সমৰ্থনত প্ৰতিবাদ শিক্ষাৰ্থীৰ ■ বিদ্যালয় প্ৰাদেশিকীকৰণৰ দাবী কলগাছিয়া, গোসাঁইগাঁৱত শিক্ষক, ছাত্ৰ-ছাত্ৰীৰ

## বেতন বঞ্চিত শিক্ষকৰ উচুপনিত ম্লান পৰিল শিক্ষক দিৱসৰ উল্লাস

**অগ্ৰদূত বাৰ্তা**

**শ্ৰীৰামপুৰ/কচুৰা/লখিমপুৰ/কলগাছিয়া, ৫ ছেপ্টেম্বৰ ঃ** বিনাবেতনে বছৰ বছৰ ধৰি শিক্ষাদান কৰি অহা শিক্ষকৰ হুমুনিয়াহে ম্লান পেলালে শিক্ষক দিৱসৰ আনন্দ-উল্লাস। শিক্ষক দিৱসৰ দিনটোতে উচুপি উঠিল বেতন বঞ্চিত ভেন্সাৰ স্কুলসমূহৰ হেজাৰ হেজাৰ শিক্ষকে। শ্ৰীৰামপুৰৰ গোসাঁইগাঁৱৰ ভোমৰাবিল হাইস্কুলৰ শিক্ষকসকলে আজি শিক্ষক দিৱসৰ আনন্দ উপভোগৰ পৰা বঞ্চিত হৈছে। শিক্ষক দিৱস উপলক্ষে ছাত্ৰ-ছাত্ৰীসকলে শিক্ষকসকলক সম্বৰ্ধনা জনাইছে যদিও উচুপি উঠিছে শিক্ষকসকল। কিয়নো বিগত ২৯টা বছৰ বিনাবেতনে শিক্ষকতা কৰি হতাশ হৈ পৰিছে ভোমৰাবিল হাইস্কুলৰ নজনকৈ শিক্ষক আৰু কৰ্মচাৰীসকল। ১৯৯৩ত স্থাপিত এই বিদ্যালয়খন আজিলৈকে প্ৰাদেশিকীকৰণ নোহোৱাত বিদ্যালয়ত কৰ্মৰত নজন শিক্ষক-শিক্ষয়িত্ৰীয়ে বিনাবেতনে পাঠদান কৰি থাকিবলগীয়া হৈছে। পৰৱৰ্তী কেইদিনমানৰ পাছতে বিনাবেতনে অৱসৰ গ্ৰহণ *১০ পৃষ্ঠাত চাওক*

চলিত বৰ্ষৰ ফলাফল ঘোষণা ঃ ক'ভিডকে জগৰীয়া কৰিলে বিভাগে

## গুণোৎসৱত পূৰ্বতকৈ হ্ৰাস পাইছে উৎকৃষ্টতাৰ গ্ৰেডপ্ৰাপ্ত শিক্ষানুষ্ঠান

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ৫ ছেপ্টেম্বৰ ঃ** ৰাজ্যত তৃতীয়বাৰৰ বাবে চলিত বৰ্ষত অনুষ্ঠিত গুণোৎসৱে চৰকাৰী শিক্ষানুষ্ঠানসমূহৰ মান সামগ্ৰিকভাৱে অৱনতি হোৱাৰ ছবিখনহে স্পষ্ট কৰিলে। চাৰিটা পৰ্যায়ত অনুষ্ঠিত এইবাৰৰ গুণোৎসৱতো প্ৰাথমিকৰ পৰা মাধ্যমিক স্তৰলৈ সকলো শিক্ষানুষ্ঠানক সামৰি লোৱা হৈছিল। আজি ইয়াৰ ফলাফল শিক্ষা বিভাগে প্ৰকাশ কৰে। ফলাফল অনুসৰি পূৰ্বৰ দুয়োটা গুণোৎসৱৰ তুলনাত এইবাৰ শীৰ্ষ দুটা 'গ্ৰেড'প্ৰাপ্ত শিক্ষানুষ্ঠানৰ সংখ্যাৰ অৱনতি ঘটে। বিগত ২০১৭ত প্ৰথম গুণোৎসৱ অনুষ্ঠিত হৈছিল। সেইবাৰ সকলো দিশেৰে উৎকৃষ্টতা প্ৰদৰ্শন কৰি 'এ প্লাছ' গ্ৰেড লাভ কৰিবলৈ সক্ষম হোৱা শিক্ষানুষ্ঠানৰ সংখ্যা আছিল ৬,০৩৭ খন। ইয়াৰ হাৰ আছিল ১২.৩৫ শতাংশ। ২০১৮ত দ্বিতীয়বাৰ অনুষ্ঠিত গুণোৎসৱত 'এ প্লাছ' গ্ৰেড লাভ কৰিছিল ১০,৬৭৮ খন শিক্ষানুষ্ঠানে। ইয়াৰ হাৰ আছিল ২৩.০১ শতাংশ। তাৰ বিপৰীতে চলিত বৰ্ষৰ গুণোৎসৱত *১০ পৃষ্ঠাত চাওক*

## মুছলপুৰত বিভাগীয় কামৰ খতিয়ান ল'লে কেন্দ্ৰীয় মন্ত্ৰীয়ে

**অগ্ৰদূত বাৰ্তা**

**মুছলপুৰ, ৫ ছেপ্টেম্বৰ ঃ** বাগ্‌সা জিলাৰ সদৰ মুছলপুৰত আজি জিলাখনৰ বিভিন্ন বিভাগৰ কাম-কাজৰ খতিয়ান লোৱাৰ উদ্দেশ্যে সামাজিক ন্যায় আৰু সৱলীকৰণ বিভাগৰ কেন্দ্ৰীয় ৰাজ্যিক মন্ত্ৰী প্ৰতিমা ভৌমিকে বিভিন্ন বিভাগৰ মুৰব্বীৰ লগত উপাযুক্ত কাৰ্যালয় প্ৰেক্ষাগৃহত এক বৈঠকত মিলিত হয়। বৈঠকৰ অন্তত সাংবাদিকৰে হোৱা এক সাক্ষাৎকাৰত মন্ত্ৰীগৰাকীয়ে কয় যে নিটি আয়োগৰ পিছপৰা *ছয় পৃষ্ঠাত চাওক*

কচুৱা জিলা পৰিষদৰ সদস্যসহ কে'বা শতাধিক কংগ্ৰেছ-ইউডিএফ কৰ্মীৰ যোগদান

চামগুৰিতো আহিল জিলা পৰিষদ-পঞ্চায়ত সদস্য

## অগপৰ বাদে আন কোনো আঞ্চলিক দল প্ৰাসংগিক নহয় ঃ অতুল বৰা

**ষ্টাফ ৰিপ'ৰ্টাৰ/অগ্ৰদূত বাৰ্তা**

**গুৱাহাটী/কচুৱা/চামগুৰি/ৰূপহীহাট, ৫ ছেপ্টেম্বৰ ঃ** অসম গণ পৰিষদ এটা ধৰ্মনিৰপেক্ষ দল। সকলো জাতি-ধৰ্মৰ লোকৰ প্ৰতি সহনশীল এই দলটো। অগপলৈ এতিয়া নতুন প্ৰজন্মৰ *১০ পৃষ্ঠাত চাওক*



## এপিএছচিৰ ন্যায়িক আয়োগৰ প্ৰতিবেদনৰ কি হ'ব?

চাৰি সপ্তাহৰ ভিতৰত ন্যায়ালয়ক উত্তৰ দিব লাগিব চৰকাৰে

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ৫ ছেপ্টেম্বৰ ঃ** ৰাজ্যৰ মুখ্য সচিব পদৰ পৰা জিষ্ণু বৰুৱাই অৱসৰ গ্ৰহণৰ পাছত অসম লোকসেৱা আয়োগ (এপিএছচি)ৰ ২০১৩ৰ বাছনি পৰীক্ষাত সংঘটিত কেলেংকাৰিৰ ন্যায়িক আয়োগৰ তদন্তৰ *ছয় পৃষ্ঠাত চাওক*

## থানাৰ খিৰিকীৰ লক-আপ ভাঙি পলাল অভিযুক্ত

কলিয়াবৰত আৰক্ষীৰ ফোপোলা স্বৰূপ উন্মোচিত

**অগ্ৰদূত বাৰ্তা**

**কলিয়াবৰ, ৫ ছেপ্টেম্বৰ ঃ** কলিয়াবৰত স্মাৰ্ট আৰক্ষীৰ হাতৰ পৰা পলাল আচামী। কলিয়াবৰৰ উলুৱনী থানাৰ পৰা পলাল আচামী। পলাতক আচামীটো ঢেকীয়াজুলিৰ সাগৰ উজীৰ। আজি পুৱা সাত কিলোগ্ৰাম অবৈধ গাঞ্জাসহ আটক কৰা হৈছিল আচামীজন। থানাৰ লকআপৰ পৰাই পলায়ন *ছয় পৃষ্ঠাত চাওক*

■ অন্তিম যুঁজত বৰ্ণ পৰিচয়ো হ'ল হৰা-জিকাৰ এক কাৰণ ■ ২০ হেজাৰৰ অধিক ভোটত জয়ী দেশখনৰ তৃতীয়গৰাকী মহিলা প্ৰধানমন্ত্ৰী

## ভাৰতীয় মূলৰ ঋষি ছুনকক হৰুৱাই ব্ৰিটেইনৰ নতুন প্ৰধানমন্ত্ৰী লিজ ট্ৰাছ

■ **নিউজ ব্যুৰ'**

**লণ্ডন, ৫ ছেপ্টেম্বৰ ঃ** ভাৰতীয় বংশোদ্ভৱ ঋষি ছুনকক হৰুৱাই ব্ৰিটেইনৰ পৰৱৰ্তী প্ৰধনমন্ত্ৰীৰূপে নিৰ্বাচিত হ'ল লিজ ট্ৰাছ। আজি শাসকীয় ৰক্ষণশীল দল (কনজাৰভেটিভ পাৰ্টি বা টোৰি)-এ এই কথা সদৰী কৰে। ২০ হেজাৰৰ অধিক ভোটত লিজ বিজয়ী হৈছে। মুঠ বৈধ ভোটৰ ভিতৰত লিজে লাভ কৰিছে ৮১,৩২৬টা ভোট। ছুনকে ৬০,৩৯৯টা ভোট লাভ কৰিছে। অৱশ্যে এই নিৰ্বাচন আছিল আভ্যন্তৰীণ নেতৃত্বৰ প্ৰতিদ্বন্দ্বিতা। ইয়াত ব্ৰিটেইনৰ সাধাৰণ *১০ পৃষ্ঠাত চাওক*



পদ প্ৰাদেশিকীকৰণ নোহোৱাত হতাশাই আগুৰি ধৰিলে ধেমাজিৰ ৰাজেন বণিয়াক

## মৰ্যাদা আৰু পাৰিশ্ৰমিক নোপোৱাৰ বেদনাত আত্মহত্যা ভেন্সাৰ শিক্ষকৰ

**ধেমাজি, ৫ ছেপ্টেম্বৰ ঃ** চূড়ান্ত অভাৱ-অনাটনত দিশহাৰা হৈ শিক্ষক দিৱসৰ দিনটোতে অনিশ্চয়তাৰে ভৰা জীৱনৰ মায়া-মোহ এৰি আত্মহত্যাৰ পথ বাছি ল'লে শিক্ষা গুৰুৱে। সুদীৰ্ঘ বছৰ ধৰি চৰকাৰী মৰ্যাদা আৰু পাৰিশ্ৰমিক নোপোৱাৰ বেদনাত চৰম পন্থা গ্ৰহণ কৰা এই দুখজনক ঘটনা সংঘটিত হৈছে ধেমাজিত। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৰ সমষ্টি ধেমাজিৰ বৰদলনি শিক্ষাখণ্ডৰ অধীনৰ ৫০৩ নম্বৰ আউনীআটী কৈৱৰ্ত নিম্ন বুনিয়াদী বিদ্যালয়ৰ সহকাৰী শিক্ষক ৰাজেন বণিয়া (৫০)ই আজি শিক্ষক দিৱসৰ দিনটোতে আত্মহননৰ পথ বাছি লোৱাত সৃষ্টি হৈছে ব্যাপক চাঞ্চল্যৰ। ভেন্সাৰ স্কুলত শিক্ষকতা কৰি জীৱনৰ মূল্যৱান সময় বিনাবেতনে অতিবাহিত কৰা এজন শিক্ষকৰ মৰ্মবেদনাৰ যেন *১০ পৃষ্ঠাত চাওক*

## বিদ্যুৎস্পৃষ্ট হৈ একেটা পৰিয়ালৰে তিনিজনসহ মৃত্যু চাৰিৰ

**শিলচৰ, ৫ ছেপ্টেম্বৰ ঃ** এক হৃদয়বিদাৰক ঘটনাত হাইলাকান্দি জিলাৰ কাটলিচেৰাত বিদ্যুৎস্পৃষ্ট হৈ এটি শিশুকে ধৰি একেটা পৰিয়ালৰ তিনিজনসহ চাৰিজন লোকে প্ৰাণ হেৰুৱায়। কালি সন্ধিয়া প্ৰায় ছয় বজাত কাটলিচেৰাৰ ঢলচেৰাত বিলাইপুৰ জিপিত সংঘটিত এই ঘটনাত নিহতসকল হৈছে ছুফিয়ান আহমেদ শ্বেখ (৪০), হুছনাৰা বেগম *ছয় পৃষ্ঠাত চাওক*

এনপিএছ বাতিলৰ দাবীত ৮০ হেজাৰ প্ৰাথমিক শিক্ষকৰ ৰাষ্ট্ৰপতি-প্ৰধানমন্ত্ৰী-মুখ্যমন্ত্ৰীলৈ স্মাৰক

## শিক্ষক দিৱসতে শিক্ষাগুৰুৰ উত্তাল প্ৰতিবাদ



**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ৫ ছেপ্টেম্বৰ ঃ** 'আমাক শিক্ষকৰ মৰ্যাদা দিয়ক, আমাক মজুৰি নালাগে দৰমহা দিয়ক'— পবিত্ৰ শিক্ষক দিৱসৰ দিনটোতে ছাত্ৰ-ছাত্ৰীৰ পৰা বিদ্যালয়ত শুভেচ্ছা গ্ৰহণৰ পৰিবৰ্তে গুৱাহাটীৰ চচলত চৰকাৰ নিৰ্ধাৰিত ধৰ্ণাস্থলীত আজি এনেদৰে শিক্ষকৰ মৰ্যাদা বিচাৰি আন্দোলনত বহিল সদৌ অসম প্ৰাদেশিকীকৃত শিক্ষক (টিউটৰ) আৰু কৰ্মচাৰী যৌথ মঞ্চৰ কে'বা শতাধিক শিক্ষক। ইফালে, নতুন পেঞ্চন আঁচনি বাতিল কৰি পুৰণি পেঞ্চন নীতি বাহাল ৰখাকে ধৰি কে'বাটাও দাবীৰ সমৰ্থনত ৰাজ্যৰ প্ৰায় ৮০ হেজাৰ শিক্ষকে আজি ৰাষ্ট্ৰপতি, প্ৰধানমন্ত্ৰী আৰু অসমৰ মুখ্যমন্ত্ৰীলৈ নিজৰ স্বাক্ষৰ সম্বলিত স্মাৰকপত্ৰ প্ৰেৰণ কৰি প্ৰাপ্যৰ দাবীত প্ৰতিবাদ সাব্যস্ত কৰে। অৱশ্যে কেৱল অসমতে *১০ পৃষ্ঠাত চাওক*

জাতি আৰু ৰাজ্যখনৰ প্ৰতি দায়বদ্ধতাৰে বিভাগীয় কাম কৰিবলৈ কৰ্মশালাত জলসম্পদৰ অভিযন্তাক ক'লে মন্ত্ৰী পীযুষ হাজৰিকাই

## ৰাজ্যৰ অতি স্পৰ্শকাতৰ খহনীয়াক্ৰান্ত অঞ্চলৰ তালিকা প্ৰস্তুতৰ নিৰ্দেশ

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ৫ ছেপ্টেম্বৰ ঃ** গুৱাহাটীৰ বশিষ্ঠস্থিত জলসম্পদ বিভাগৰ কাৰ্যালয়ৰ প্ৰাংগণত দেওবাৰৰ পৰা আয়োজন কৰা অভিযন্তাসকলৰ দুদিনীয়া কৰ্মশালাৰ আজি দ্বিতীয় দিনাও জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকা উপস্থিত থাকে। মন্ত্ৰী হাজৰিকাই দুদিন ধৰি কৰ্মশালাত উপস্থিত থাকি বিভাগৰ অভিযন্তাসকলৰ পৰা বান আৰু খহনীয়া নিয়ন্ত্ৰণ বিষয়ক বিভিন্ন উদ্ভাৱনীমূলক কাৰিকৰী কৌশলৰ বিষয়ে বুজ লয়। আজি দ্বিতীয় দিনৰ কাৰ্যসূচীত বিভাগীয় অভিযন্তাসকলৰ উপস্থাপনৰ পাছত মন্ত্ৰী হাজৰিকাই ভাষণত কয় যে বানপানীৰ আগত আৰু *ছয় পৃষ্ঠাত চাওক*



দৈনিক অগ্ৰদূত
গুৱাহাটী, ৬ ছেপ্টেম্বৰ, ২০২২ মঙ্গলবাৰ পৃষ্ঠা তিনি

# দুৰ্নীতিগ্ৰস্ত শিক্ষকৰ বিৰুদ্ধে প্ৰতিবাদ কৰিবলৈ গৈ ৰঙাঘৰৰ আলহী হ'ল চাৰিজন

## তামাৰহাটত ঘৃতিঙাকুটি গাঁৱত চেপা উত্তেজনা

অগ্ৰদূত বাৰ্তা

**তামাৰহাট, ৫ ছেপ্টেম্বৰ ঃ** শিক্ষাৰ দৰে পবিত্ৰ বৃত্তিত জড়িত এজন শিক্ষকে দুৰ্নীতিক গাপ দিবলৈ আৰক্ষীৰ আশ্ৰয় লোৱাক কেন্দ্ৰ কৰি উত্তেজনাৰ সৃষ্টি হয়। এই ঘটনা সংঘটিত হৈছে ধুবুৰী জিলাৰ আগমণি শিক্ষা খণ্ডৰ অধীনস্থ ঘৃতিঙাকুটি প্ৰাথমিক বিদ্যালয়ত। ঘৃতিঙাকুটি প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক জয়দৰ শ্বেখৰ বিৰুদ্ধে বিভিন্ন দুৰ্নীতিৰ অভিযোগ উত্থাপিত হৈ আহিছে। অকল সেয়াই নহয় স্কুলৰ মধ্যাহ্ন ভোজনৰ ৰান্ধনী দুগৰাকীক লৈ উঠিছে বহু অভিযোগ। এই সন্দৰ্ভত স্থানীয় ৰাইজ, স্কুল পৰিচালনা সমিতিৰ একাংশ, অভিভাৱকসকলে একাধিকবাৰ অৱগত কৰে। প্ৰায় এটা মাহ ধৰি স্কুলখনত তেনে অভিযোগ আৰু সমস্যা চলি আহিছে। স্কুল পৰিচালনা সমিতিয়ে এমাহ ছয় পৃষ্ঠাত চাওক

# শিক্ষক দিৱসৰ প্ৰাকক্ষণত অৱসৰপ্ৰাপ্ত শিক্ষকৰ কাণ্ড

## মৰিয়াই গুৰুতৰভাৱে আহত কৰিলে যুৱকক

অগ্ৰদূত বাৰ্তা

**জাঁজী, ৫ ছেপ্টেম্বৰ ঃ** শিক্ষক দিৱসৰ প্ৰাকক্ষণত এগৰাকী শিক্ষকে এজন যুৱকক অমানুষিকভাৱে প্ৰহাৰ কৰি গুৰুতৰভাৱে জখম কৰা কাৰ্যই টীয়কত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। প্ৰাপ্ত তথ্য মতে ছয় পৃষ্ঠাত চাওক

**বহু উচ্চতৰ মাধ্যমিকত বছৰ বছৰ ধৰি খালী হৈ আছে অসমীয়া-ইংৰাজী বিষয়ৰ শিক্ষক**

# পৰ্যাপ্ত শিক্ষক অবিহনে চলিছে নগাঁৱৰ ২৯খনকৈ উচ্চতৰ মাধ্যমিক বিদ্যালয়

বিশেষ সংবাদদাতা

**নগাঁও, ৫ ছেপ্টেম্বৰ ঃ** ৰাজ্য চৰকাৰে মহাবিদ্যালয়সমূহৰ পৰা উচ্চতৰ মাধ্যমিক শ্ৰেণী উঠাই দিয়াৰ পৰিপ্ৰেক্ষিতত উচ্চতৰ মাধ্যমিক বিদ্যালয়সমূহত ছাত্ৰ-ছাত্ৰীৰ প্ৰচণ্ড ভিৰ হোৱা পৰিলক্ষিত হৈছে। কিন্তু এই ভিৰৰ বিপৰীতে সংশ্লিষ্ট উচ্চতৰ মাধ্যমিক বিদ্যালয়সমূহত নাই প্ৰয়োজনীয় সংখ্যক বিষয় শিক্ষক। নগাঁও জিলাত ৪৯খন উচ্চতৰ মাধ্যমিক বিদ্যালয় আছে। কিন্তু ইয়াৰে ২৯খন উচ্চতৰ মাধ্যমিক বিদ্যালয়তেই নাই পৰ্যাপ্ত সংখ্যক বিষয় শিক্ষক। এক বিভাগীয় সূত্ৰে পোৱা তথ্য অনুসৰি, জিলাখনৰ পুৰণিগুদাম আৰকেবি উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ভূগোল বিভাগৰ বিষয় শিক্ষকৰ পদখালী হৈ আছে। একেদৰে বাৰপুজীয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অসমীয়া, ঐচ্ছিক অসমীয়া, ভূগোল আৰু দৰ্শন শাস্ত্ৰ বিষয়ৰ, ৰহা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত বাণিজ্যিক বিভাগত ব্যৱসায়িক অধ্যয়ন আৰু বিত্ত বিষয়ৰ, বিজ্ঞান শাখাত জীৱ বিজ্ঞান আৰু পদাৰ্থ বিজ্ঞান বিষয়ৰ প্ৰদৰ্শক পদ দুটা, কমলা নেহৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ঐচ্ছিক অসমীয়া, জয়নাৰায়ণ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ঐচ্ছিক অসমীয়া আৰু বুৰঞ্জী, জাজৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অসমীয়া, ঐচ্ছিক অসমীয়া আৰু ইংৰাজী, জুৰীয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ত আৰবী, সংস্কৃত, জীৱ বিজ্ঞান, পদাৰ্থ বিজ্ঞান আৰু ৰসায়ন বিজ্ঞান, ৰাইদঙীয়া হলিৰাম শইকীয়া উচ্চতৰ মাধ্যমিক ছয় পৃষ্ঠাত চাওক

# মানৱ দৰদী চিকিৎসক ডাঃ বসন্ত শইকীয়াৰ মৃত্যু ঃ মৰণোত্তৰ দেহ দান



বিশেষ সংবাদদাতা

**নগাঁও, ৫ ছেপ্টেম্বৰ ঃ** নগাঁও চহৰৰ আমোলাপট্টিৰ নিবাসী বিশিষ্ট মানৱ দৰদী চিকিৎসক ডাঃ বসন্ত শইকীয়াৰ আজি পুৱা গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়তমৃত্যু হয়। চিকিৎসকজনৰ মৃত্যুৰ লগে লগে নগাঁৱৰ চিকিৎসা ক্ষেত্ৰৰ এটা যুগৰ অৱসান ঘটিল। উত্তৰ গুৱাহাটীৰ ৰুদ্ৰেশ্বৰত জন্মগ্ৰহণ কৰা ডাঃ শইকীয়াই কটন কলেজৰ পৰা আইএছচি পৰীক্ষাত উত্তীৰ্ণ হৈ ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয়ত চিকিৎসা বিজ্ঞানৰ ছাত্ৰ হিচাপে নামভৰ্তি কৰে। তেওঁ এই চিকিৎসা মহাবিদ্যালয়ৰ প্ৰথমটো দলৰ ছাত্ৰ আছিল। ১৯৫৪ত তেওঁ এমবিবিএছ ছয় পৃষ্ঠাত চাওক

# পুনৰ অনিৰ্দিষ্ট কাললৈ বন্ধ মাজুলী-অফলামুখৰ ফেৰী সেৱা

## নাও চপাবলৈ নাই ৰেম্প ঃ যাত্ৰীৰ মাজত হাহাকাৰ



অগ্ৰদূত বাৰ্তা

**কমলাবাৰী, ৫ ছেপ্টেম্বৰ ঃ** আজি পুৱতি নিশাৰ পৰা হঠাতে ব্ৰহ্মপুত্ৰত অভাৱনীয়ভাৱে পানী বৃদ্ধি পোৱাৰ বাবে আজিৰ পৰা অনিৰ্দিষ্ট দিনলৈ বন্ধ হ'ল মাজুলী-অফলামুখ ঘাটৰ ফেৰী সেৱা। কাৰণ নাও চপাবৰ বাবে ৰেম্প নাই ঘাটত। অফলাঘাট আৰু নিমাতী ঘাটত ছয় পৃষ্ঠাত চাওক

**মহাবিদ্যালয়ৰ আন্তঃগাঁথনিৰ বাবে ৫০ লাখ টকাৰ অনুদান ঘোষণা ঃ অসম চৰকাৰৰ বিদ্যালয় বন্ধৰ অভিযানক তীব্ৰ সমালোচনা**

# শিক্ষক দিৱসৰ কাৰ্যসূচীত ধুবুৰী ছোৱালী মহাবিদ্যালয়ত সাংসদ আজমল



**ধুবুৰী, ৫ ছেপ্টেম্বৰ ঃ** ধুবুৰী ছোৱালী মহাবিদ্যালয়ত আজি অনুষ্ঠিত শিক্ষক দিৱসৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰে ধুবুৰীৰ লোকসভা সমষ্টিৰ সাংসদ বদৰুদ্দিন আজমলে। মহাবিদ্যালয়খনৰ ছাত্ৰীসকলে আদৰণি জনায় সাংসদ আজমলক। কাৰ্যসূচীৰ আৰম্ভণিতে দেশৰ প্ৰাক্তন ৰাষ্ট্ৰপতি, প্ৰখ্যাত পণ্ডিত তথা বৰেণ্য শিক্ষক সৰ্বপল্লী ৰাধাকৃষ্ণণৰ প্ৰতিচ্ছবিৰ সন্মুখত মাল্যাৰ্পণ আৰু বন্তি প্ৰজ্বলনেৰে শ্ৰদ্ধা নিবেদন কৰে। মহাবিদ্যালয়খনত অনুষ্ঠিত অনুষ্ঠানত সাংসদ আজমলৰ সন্মুখত মহাবিদ্যালয়খনৰ কেৰাটে ছাত্ৰীসকলে কেৰাটে আৰু এনচিচিৰ স্কাউট-গাইডছৰ ছয় পৃষ্ঠাত চাওক

# শিপিনীৰ ওপৰত অৰ্ধসামৰিক বাহিনীৰ অত্যাচাৰৰ প্ৰতিবাদত ১২ ঘন্টীয়া শুৱালকুছি বন্ধ

## বহিঃৰাজ্যৰ কাপোৰ শুৱালকুছিৰ বুলি বিক্ৰী কৰা বিপণী বন্ধ কৰাৰ দাবী



অগ্ৰদূত বাৰ্তা

**শুৱালকুছি, ৫ ছেপ্টেম্বৰ ঃ** গুৱাহাটীৰ ফাঁচী বজাৰৰ 'মঞ্জু চিল্ক হাউছে' বহিঃৰাজ্যৰ যন্ত্ৰচালিত কাপোৰ এযোৰ শুৱালকুছিত নিৰ্মিত কাপোৰ বুলি বিক্ৰী কৰা ঘটনাক লৈ একাংশ শিপিনীয়ে বস্ত্ৰ বিপণীখনত প্ৰতিবাদ কৰাত শিপিনীসকলৰ ওপৰত অৰ্ধসামাৰিক বাহিনীয়ে বৰ্বৰভাৱে অত্যাচাৰ চলায়। তাৰ প্ৰতিবাদত আজি শুৱালকুছিৰ শিপিনীসকলে ১০ ঘন্টীয়া শুৱালকুছি বন্ধ পালন কৰে। বন্ধৰ সময়ছোৱাত শিক্ষানুষ্ঠান, ফাৰ্মাচীক বাদে বাকী সকলো ধৰণৰ দোকান-পোহাৰ বন্ধ থাকে। আনকি গাঁওখনত থকা প্ৰতিঘৰৰ তাঁতশালৰ উদ্যোগৰ লগতে আঠটা বেংক আৰু পেট্ৰ'ল ডিপ'ও বন্ধ থাকে। শান্তিপূৰ্ণভাৱে পালন কৰা বন্ধত কোনো ধৰণৰ বিক্ষিপ্ত ঘটনা ঘটা নাই। পুৱা ছয় পৃষ্ঠাত চাওক

# কোকৰাঝাৰ চহৰত পদপথৰ উপৰি পথৰ দাঁতিত অবৈধভাৱে দোকান-প্ৰতিষ্ঠান

**নিষ্ক্ৰিয় জিলা প্ৰশাসন-পৌৰসভা আৰু পৰিবহণ বিভাগ**

**মুখ্য বজাৰত পদপথৰ উপৰি ৰাস্তাৰ মাজলৈ সামগ্ৰী ৰাখি দখল কৰাৰ ফলত ৰাইজ হাৰাশাস্তিৰ সন্মুখীন**



অগ্ৰদূত বাৰ্তা

**কোকৰাঝাৰ, ৫ ছেপ্টেম্বৰ ঃ** কোকৰাঝাৰ চহৰৰ মুখ্য বজাৰখনৰ একাংশ ব্যৱসায়ীয়ে নিজৰ দোকানখনৰ পৰা ওলাই আহি পদপথৰ লগতে ৰাস্তাৰ মাজমজিয়ালৈকে সামগ্ৰী ৰাখি দখল কৰি বজাৰখনত যান-জঁটৰ সৃষ্টি হোৱাই নহয় মটৰ চাইকেল, ই-ৰিক্সা, ৰিক্সাৰ কে'বাবাৰো দুৰ্ঘটনাত পতিত হৈ বহুলোক আঘাতপ্ৰাপ্ত হ'বলগীয়া হৈছে। জিলা প্ৰশাসন, পৌৰসভা কৰ্তৃপক্ষকে ধৰি বহু সচেতন ৰাইজে সেই ব্যৱসায়িক প্ৰতিষ্ঠানসমূহক ৰাস্তাৰ ওপৰত অবৈধভাৱে সামগ্ৰী ৰাখি পথ দখলেৰে ৰাইজক হাৰাশাস্তি নকৰিবলৈ ছয় পৃষ্ঠাত চাওক





অসমীয়া আৰু খিলঞ্জীয়া ভাষা সুৰক্ষাৰ বাবে এনে সংগঠিত আন্দোলনৰ লগতে যোৱা ১৮৬টা বছৰত বহু সংঘাত, প্ৰতিবাদ, আন্দোলন হ'ল এইখন অসমতে। এনে পৰিস্থিতিত ভাষাক লৈ চৰকাৰে একপক্ষীয়ভাৱে কোনো সিদ্ধান্ত গ্ৰহণ কৰা উচিত নহয়। ভাষাৰ প্ৰসঙ্গত সিদ্ধান্ত গ্ৰহণ কৰাৰ আগতে ৰাজহুৱা আলোচনা তথা ৰাজহুৱা বিতৰ্কৰ পৰিৱেশ সৃষ্টি কৰা প্ৰয়োজন। বিধানসভাত মুকলি আলোচনাৰ পৰিৱেশ সৃষ্টি কৰা উচিত।

## মাতৃভাষাৰ প্ৰসংগত চৰকাৰে অসমৰ ভূমিৰ পৰা সিদ্ধান্ত গ্ৰহণ কৰক

**● ৰাষ্ট্ৰীয় নীতি, ৰাজ্যিক নীতিৰ লগত চৰকাৰৰ সিদ্ধান্ত অমিল কিয়? ● অসমীয়া ভাষা সুৰক্ষা সংগ্ৰামৰ ১৮৬ বছৰ অতিক্ৰম**



দৃষ্টিপাত

অদীপ কুমাৰ ফুকন

**দিল্লী** আৰু দিছপুৰত শাসনত থকা চৰকাৰসমূহে জনা ভাল যে অসমীয়া ভাষা সুৰক্ষা সংগ্ৰামে ১৮৬ বছৰ অতিক্ৰম কৰিছে। ১৮৭৩ চনলৈ ৩৭ বছৰীয়া প্ৰথম সংগ্ৰাম। ১৯৬০ চনত ভাষা আন্দোলন। ১৭ জন অসম সন্তান ছহিদ হ'ল। ১৯৭২ চনত মাধ্যম আন্দোলন। ১৯৭০-৭৪ চনত বড়ো লিপি আন্দোলন। বহুজনে আত্মবলিদান দিব লগা হ'ল। ১৯৭৯-ৰ পৰা অসম আন্দোলন। ৮৫৫জন ছহিদ হ'ল। শেহতীয়া 'কা' বিৰোধী আন্দোলন। ৫জন অসম সন্তানক পুনৰ হেৰুৱাব লগা হ'ল। অসমীয়া আৰু খিলঞ্জীয়া ভাষা সুৰক্ষাৰ বাবে এনে সংগঠিত আন্দোলনৰ লগতে যোৱা ১৮৬টা বছৰত বহু সংঘাত, প্ৰতিবাদ, আন্দোলন হ'ল এইখন অসমতে। এনে পৰিস্থিতিত ভাষাক লৈ চৰকাৰে একপক্ষীয়ভাৱে কোনো সিদ্ধান্ত গ্ৰহণ কৰা উচিত নহয়। ভাষাৰ প্ৰসঙ্গত সিদ্ধান্ত গ্ৰহণ কৰাৰ আগতে ৰাজহুৱা আলোচনা তথা ৰাজহুৱা বিতৰ্কৰ পৰিৱেশ সৃষ্টি কৰা প্ৰয়োজন। বিধানসভাত মুকলি আলোচনাৰ পৰিৱেশ সৃষ্টি কৰা উচিত। এনে বিলাক ব্যৱস্থা গ্ৰহণ নকৰাকৈ চৰকাৰে কেবিনেট সিদ্ধান্ত বুলি একপক্ষীয়ভাৱে সিদ্ধান্ত জাপি দিব বিচাৰিলে চৰকাৰ সন্দেহৰ আৱৰ্তত পৰিব। ভাষাক লৈ বৰ্তমান চৰকাৰে গ্ৰহণ কৰা বহুকেইটা সিদ্ধান্তই অসমীয়া তথা খিলঞ্জীয়া ভাষাক ভাল পোৱা প্ৰতিজন সচেতন নাগৰিক তথা সংগঠনক ক্ষুণ্ণ কৰিছে, মুকলিভাৱে প্ৰতিবাদ কৰিবলৈ ওলাই আহিছে। ৰাজ্যৰ মুখ্যমন্ত্ৰীগৰাকীয়ে উপলব্ধি কৰা উচিত যে মুখ্যমন্ত্ৰীয়ে দায়িত্ব গ্ৰহণ কৰাৰ এবছৰৰ পিছত প্ৰথমবাৰলৈ অতি কঠোৰ ভাষাৰে মুকলি ভাৱে মুখ্যমন্ত্ৰীগৰাকী আক্ৰমণৰ সন্মুখীন হৈছে। একমাত্ৰ কাৰণ অসমীয়া ভাষাক লৈ মুখ্যমন্ত্ৰীৰ সন্দেহজনক স্থিতি।

শেহতীয়াভাৱে চৰকাৰখনৰ প্ৰতি ৰাইজৰ অসন্তুষ্টি তথা বিদ্ৰোহৰ কাৰণ—

- চৰকাৰী বিদ্যালয়সমূহত তৃতীয় শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীলৈ অংক আৰু বিজ্ঞান বিষয় দুটা ইংৰাজী মাধ্যমত শিক্ষা দান কৰা হ'ব।
- অসম চৰকাৰৰ তৃতীয় আৰু চতুৰ্থ বৰ্গৰ নিযুক্তিৰ পৰীক্ষাত প্ৰশ্নকাকত হিন্দী ভাষাতো কৰা হ'ল।
- প্ৰতিখন জিলাত অসম চৰকাৰে ৫ৰ পৰা ১০খন ইংৰাজী মাধ্যমৰ স্কুল মুকলি কৰাৰ পদক্ষেপ।
- প্ৰতিটো সমষ্টিত অসম চৰকাৰে এখনকৈ চি বি এছ ই-ৰ অধীনত ইংৰাজী মাধ্যমৰ বিদ্যালয় মুকলি কৰাৰ সিদ্ধান্ত।
- অসমত বিদ্যালয় প্ৰাদেশিকৰণ কৰাৰ ব্যৱস্থা চৰকাৰে বন্ধ কৰাৰ সিদ্ধান্ত।
- বিদ্যালয় একত্ৰিকৰণ আৰু শতাধিক চৰকাৰী বিদ্যালয় সম্পূৰ্ণ বন্ধ কৰাৰ সিদ্ধান্ত।
- ব্যক্তিগত স্কুলত শিক্ষা দিব চৰকাৰী শিক্ষকে। চৰকাৰী বিদ্যালয়ে সকলো তথ্য আদান-প্ৰদান কৰিব লাগিব ব্যক্তিগত বিদ্যালয়ৰ স'তে।

মাতৃভাষাৰ প্ৰসঙ্গত অসম চৰকাৰে গ্ৰহণ কৰা সিদ্ধান্তসমূহে কেন্দ্ৰীয় চৰকাৰে ইতিমধ্যেই গ্ৰহণ কৰা নতুন ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ বিপৰীত ধৰ্মী নহয় নে? নতুন ৰাষ্ট্ৰীয় শিক্ষা নীতিত স্পষ্ট কৰা হৈছে যে পঞ্চম মানলৈ শিশুৱে মাতৃভাষাত শিক্ষা গ্ৰহণ এক মৌলিক অধিকাৰ। মাতৃভাষা, স্থানীয় ভাষা, আঞ্চলিক ভাষাক পঞ্চম মানলৈ গুৰুত্ব প্ৰদান কৰিছে নতুন ৰাষ্ট্ৰীয় শিক্ষা নীতিত। নতুন ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ বহু বিষয় আৰু উদ্দেশ্য বিৰ্তকীত হ'লেও মাতৃভাষাৰ ক্ষেত্ৰত স্পষ্ট পদক্ষেপ গ্ৰহণ কৰিছে। অন্যহাতে, ছাত্ৰ-ছাত্ৰীৰ ওপৰত অধিক ভাষা জাপি দিয়াৰ বিৰুদ্ধাচৰণ কৰিছে নতুন ৰাষ্ট্ৰীয় শিক্ষা নীতিয়ে। ছাত্ৰ-ছাত্ৰীসকলৰ সুবিধালৈ লক্ষ্য ৰাখি পঞ্চম মানলৈ ইংৰাজীৰ গুৰুত্ব কমাই দিয়াৰ ব্যৱস্থা কৰিছে নতুন শিক্ষা নীতিত। নতুন শিক্ষা নীতিৰ লগত সংগতি ৰাখি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে প্ৰকাশ কৰিছে— 'ইংৰাজী প্ৰতিয়ে ৯৫ শতাংশ মেধা ধ্বংস কৰিছে।' অমিত শ্বাহৰ মন্তব্য — 'মাতৃভাষাত অধ্যয়ন কৰা শিশুৱে সকলো ব্যৱস্থাত প্ৰৱেশ কৰিব পাৰিব আৰু সেইদিনাই সূৰ্যৰ দৰে জিলিকিব ভাৰতবৰ্ষ।' নতুন ৰাষ্ট্ৰীয় শিক্ষা নীতিয়ে মাতৃভাষাৰ ক্ষেত্ৰত এনে স্পষ্ট দিশ দিয়াৰ পিছত অসম চৰকাৰে বিদ্যালয়ৰ লগতে সকলো ক্ষেত্ৰতে মাতৃভাষাৰ গুৰুত্ব কমোৱাৰ পদক্ষেপ গ্ৰহণ কৰিছে কিয়?

অসম চৰকাৰে ভাষা নীতিৰ ক্ষেত্ৰত প্ৰথম অসমীয়া, দ্বিতীয়তে ইংৰাজী আৰু তৃতীয়তে ৫০ নম্বৰ হিন্দী আৰু ৫০ নম্বৰ খিলঞ্জীয়া ভাষা গ্ৰহণৰ পদক্ষেপ গ্ৰহণ কৰিবলৈ গৈছে। প্ৰথম অসমীয়াৰ পৰিৱৰ্তে ৰাজ্যৰ স্বীকৃত জনগোষ্ঠীয় মাতৃভাষাক গুৰুত্ব দিব গৈছে। এইটো এটা ভাল পদক্ষেপ একেদৰে The Assam Language Learning Act, 2020-ত নাৰ্চাৰীৰ পৰা দশম মান শ্ৰেণীলৈ অসমীয়া ভাষাক দিয়াৰ সিদ্ধান্ত আছে। এনেক্ষেত্ৰত চৰকাৰৰ শেহতীয়া স্থিতি তথা সিদ্ধান্তসমূহে অসম চৰকাৰক এক সন্দেহৰ আৱৰ্তত পেলালে। অসম চৰকাৰে তৃতীয় শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীলৈ অংক আৰু বিজ্ঞান বিষয় দুটা ইংৰাজী মাধ্যমত শিক্ষাদান কৰাৰ সিদ্ধান্ত কিয় ল'ব বিচাৰিছে, এই বিষয়ত এক বিশদ ব্যাখ্যাৰ নিশ্চয় প্ৰয়োজন আছিল। আমি জনাত চৰকাৰী বিদ্যালয়ত তৃতীয় শ্ৰেণীৰ পৰিৱৰ্তে ষষ্ঠ শ্ৰেণীৰ পৰা হে বিজ্ঞান পাঠ্যক্ৰম আছে। এনেক্ষেত্ৰত চৰকাৰে তৃতীয় শ্ৰেণীৰ পৰা ইংৰাজী মাধ্যমত বিজ্ঞান শিক্ষা দানৰ বিষয়টো কিয় ঘোষণা কৰিলে? অসমীয়া শিক্ষা গ্ৰহণৰ অসুবিধাবিলাক কি? এইক্ষেত্ৰত চৰকাৰৰ হাতত গৱেষণা তথা অনুসন্ধানমূলক প্ৰতিবেদন আছে নেকি? অসমত বিজ্ঞান শিক্ষাৰ প্ৰসাৰৰ বাবে চৰকাৰে কিবা নতুন আঁচনি গ্ৰহণ কৰিছে নেকি? উচ্চতৰ মাধ্যমিকৰ পৰা মহাবিদ্যালয়ৰ পৰ্যায়ত বিজ্ঞান পাঠ্যক্ৰম তথা নতুন শিক্ষানুষ্ঠান মুকলি কৰা হৈছে নেকি? বিষয়টো এই কাৰণেই উত্থাপন কৰা হ'ল— বিগত বছৰত অসমত উচ্চতৰ মাধ্যমিকত কলা শাখাত ৮২.২৭ শতাংশ শিক্ষাৰ্থী হোৱাৰ বিপৰীতে মাত্ৰ ১১.৫২ শতাংশহে বিজ্ঞান শাখাত। বাণিজ্য শাখাত ৫.৫৪ শতাংশ আৰু কাৰিকৰী শাখাত মাত্ৰ ১ শতাংশ। এনে তথ্যসমূহে স্পষ্ট কৰে যে চৰকাৰে বিজ্ঞান শিক্ষাৰ ক্ষেত্ৰত অগ্ৰাধিকাৰ ভিত্তিত কোনো গুৰুত্ব দিয়া নাই, ৰাজ্যৰ বহু সংখ্যক মহাবিদ্যালয়ে বিজ্ঞান শাখা মুকলি কৰাৰ বাবে বহু বছৰৰ পৰা আবেদন কৰি আহিছে যদিও গুৰুত্ব লাভ কৰা নাই। আমি জনাত অসমত অংক, ইংৰাজী আৰু বিজ্ঞানৰ শিক্ষক প্ৰয়োজনতকৈ বহু কম। এইক্ষেত্ৰত চৰকাৰৰ ব্যৱস্থা কি? অন্যথা ৰাজ্যৰ বাহিৰৰ পৰা এই বিষয়সমূহৰ বাবে শিক্ষক অহাৰ পথ মুকলি হ'ব। প্ৰশ্নটো হ'ল সেই লক্ষ্যৰেই তৃতীয় শ্ৰেণীৰ পৰা অংক আৰু বিজ্ঞান পাঠ্যক্ৰমৰ মাধ্যম ইংৰাজী কৰিব বিচৰা হৈছে নেকি?

অসম চৰকাৰলৈ আমাৰ আবেদন— শিক্ষাৰ ক্ষেত্ৰখনত আন দুটা বিষয়ৰ ওপৰত চৰকাৰে গুৰুত্ব দি ব্যৱস্থা গ্ৰহণ কৰক। প্ৰথমটো হ'ল ছাত্ৰ-ছাত্ৰীৰ আধাতে স্কুল এৰাৰ প্ৰৱণতা। Education ministry unified district information system for education plus (UDISF+) 2020-21-ৰ প্ৰতিবেদন মতে ছাত্ৰ-ছাত্ৰীয়ে আধতে শিক্ষানুষ্ঠান ত্যাগ কৰাৰ ক্ষেত্ৰত দেশৰ ভিতৰতে অসম শীৰ্ষত। অসমত ৩১ শতাংশই আধাতে শিক্ষানুষ্ঠান ত্যাগ কৰে। বিহাৰৰ ৩০.৩ শতাংশতকৈয়ো অসম ওপৰত। এইক্ষেত্ৰত গোৱাত ৩.৯ শতাংশ আৰু জম্মু-কাশ্মীৰত ৩.৫ শতাংশ মাত্ৰ। দৰিদ্ৰতা, শিক্ষানুষ্ঠানৰ আন্তঃগাঁথনি, উপাৰ্জনৰ সমস্যা আদি কাৰণতে মূলতঃ বহু সংখ্যকে আধাতে শিক্ষানুষ্ঠান ত্যাগ কৰে। অসমত দাৰিদ্ৰতা অন্যতম কাৰণ বুলি কোৱা হয়। এইক্ষেত্ৰত চৰকাৰৰ আঁচনি তথা পদক্ষেপ কি?

আনটো গুৰুত্বপূৰ্ণ বিষয় হ'ল অসমত উচ্চ শিক্ষা গ্ৰহণৰ হাৰ। নতুন ৰাষ্ট্ৰীয় শিক্ষা নীতিত উচ্চ শিক্ষাৰ ক্ষেত্ৰত GER অৰ্থাৎ Gross Enrolment Ration-ত গুৰুত্ব দিছে। ২০১৯-২০ত তথা ২৭.১ শতাংশ উচ্চ শিক্ষা লাভৰ হাৰ ৫০ শতাংশ কৰাৰ লক্ষ্য স্থিৰ কৰিছে। অসমৰ উচ্চ শিক্ষাৰ ক্ষেত্ৰত GER১৭.৭ শতাংশ। ৰাষ্ট্ৰীয় পৰ্যায়তকৈ প্ৰায় ১০ শতাংশ কম। ইয়াৰ বিপৰীতে তামিলনাডুত ৩৫.৬ শতাংশ, অন্ধ্ৰপ্ৰদেশত ৩৫.২ শতাংশ, দিল্লীত ৪৮ শতাংশ, হাৰিয়ানাত ৪০.৮০ শতাংশ। এনে বিষয়ত অসম চৰকাৰৰ সিদ্ধান্ত তথা পদক্ষেপ কি? ১৯৫৭ চনৰ পৰা ভাৰতত উচ্চ শিক্ষা লাভৰ ব্যৱস্থা আৰম্ভ হ'ল। একে ব্যৱস্থা, একে নীতিৰেই যেন আগবঢ়িছে অসমৰ শৈক্ষিক ক্ষেত্ৰখন। বিদ্যালয়, মহাবিদ্যালয়, বিশ্ববিদ্যালয়ত ব্যৱহাৰিক শিক্ষাৰ দিশটোত গুৰুত্ব দিয়ৰ প্ৰয়োজন। মান হ'ব লাগিব বিশ্বমানৰ। শিক্ষকসকলৰ চিন্তা-চৰ্চাত বিশ্বমানৰ হোৱা প্ৰয়োজন হৈছে। ৰাজ্যৰ ভাষা, সংস্কৃতিৰ নিজস্বতা ৰাখিও আমি বহু দূৰ আগবাঢ়িব পাৰো। উদাহৰণ বহুত আছে। অসম চৰকাৰে সিদ্ধান্ত বিলাক অসমৰ ভূমিৰ পৰা গ্ৰহণ কৰিবলৈ চেষ্টা কৰক।

ফোন ঃ ৯৭০৭০২৪৬১২



কেন্দ্ৰত বিজেপি চৰকাৰ থকা কাৰণে তেওঁলোকে ৭৫ বছৰীয়া স্বাধীনতা দিৱসৰ দিনটো উলহ-মালহেৰে দেশৰ নাগৰিকক পালন কৰিবলৈ অনুৰোধ জনালে। সেইখিনিলৈকে কথাটোত কাৰো আপত্তি কৰিবলগীয়া একো নাই। ই এটা বৰ ভাল কথা। নিৰ্বাচিত চৰকাৰে তেনে একোটা ভাল কাম কৰিব পাৰে, ৰাইজেও তাত পূৰ্ণ সহযোগ কৰে। গণতান্ত্ৰিক দেশত তেনে নিয়ম চলেই।

## দেশখন কাৰ সতৰ নে অসতৰ?



অৱলোকন

ৰামচন্দ্ৰ চুতীয়া

**এই বেলি** (২০২২) স্বাধীনতা দিৱসৰ বেলা কেইটামান নতুন অভিজ্ঞতা হ'ল। কেন্দ্ৰত বিজেপি চৰকাৰ থকা কাৰণে তেওঁলোকে ৭৫ বছৰীয়া স্বাধীনতা দিৱসৰ দিনটো উলহ-মালহেৰে দেশৰ নাগৰিকক পালন কৰিবলৈ অনুৰোধ জনালে। সেইখিনিলৈকে কথাটোত কাৰো আপত্তি কৰিবলগীয়া একো নাই। ই এটা বৰ ভাল কথা। নিৰ্বাচিত চৰকাৰে তেনে একোটা ভাল কাম কৰিব পাৰে, ৰাইজেও তাত পূৰ্ণ সহযোগ কৰে। গণতান্ত্ৰিক দেশত তেনে নিয়ম চলেই। সুখৰ বিষয় দেশৰ সমূহ জনসাধৰণে চৰকাৰৰ এই আহ্বানৰ প্ৰতি বিপুল সহাৰি জনালে। যি বিজেপি চৰকাৰৰ এচামে মুছলমানসকলক 'মোগল' 'মোগল' বুলি অনবৰতে অনাস্থা প্ৰকাশ কৰি থাকে, সেই মুছলমানেও সমগ্ৰ দেশজুৰি বিপুল সহাৰি জনাই, প্ৰকৃত দেশপ্ৰেমৰ প্ৰমাণ দি স্বাধীনতা দিৱস পালন কৰিলে, ঘৰে প্ৰতি জাতীয় পতাকা উত্তোলন কৰাৰ উপৰি পুৰাই সমজুৱাভাৱে জাতীয় পতাকা উত্তোলন কৰিলে। তাৰ পাছত দেশৰ শান্তিৰ বাবে নামাজ পঢ়িলে আৰু আনন্দ-উল্লাসেৰে সমদল কৰি হেজাৰ হেজাৰ নাগৰিকে প্ৰভাতফেৰী কৰি দেশপ্ৰেমৰ উৎকৃষ্ট নিদৰ্শন প্ৰদৰ্শন কৰিলে। সেই কামে দেশত মিলন আৰু সম্প্ৰীতিৰ সম্পৰ্ক অধিক গাঢ় কৰিলে। হিংসুক আৰু ঈৰ্ষাপৰায়ণসকলক সতৰ্ক কৰি দিলে যে দেশপ্ৰেম কাৰো বাপতি সাহোন নহয়, ই সকলোৰে। উল্লেখনীয় বিষয়টো হ'ল, সেই কাম কৰোতে এইবেলি কেন্দ্ৰ আৰু বিজেপি শাসিত বহুতো ৰাজ্যই এনেহে আচৰণ প্ৰদৰ্শন কৰিলে দেশখনৰ স্বাধীনতা যেন ৭৫ বছৰৰ আগতে কেৱল তেওঁলোকেহে আনিলে, অথচ তেতিয়া তেওঁলোকৰ জাতীয় সংগ্ৰামৰ প্ৰতি কি স্থিতি আছিল তাক দেশবাসীয়ে ভালকৈ জানে। তেওঁলোকে এই আচৰণো প্ৰদৰ্শন কৰিলে যে তেওঁলোকৰ বাবেই গত আঠটা বছৰতে দেশখন সোণালীময় কৰি তেওঁলোকে গঢ়ি তুলিলে। সেই সম্পৰ্কে আমি একো নকওঁ, দেশৰ অৰ্থনীতিৱিদ, ৰাজনীতিৱিদ আৰু সমাজ-বিজ্ঞানীয়ে কি কয়, কি মন্তব্য দিয়ে, তাক অনুধাৱন কৰা উচিত। বিশাল দেশখনৰ অজস্ৰ বাতৰি কাকতত এইবোৰ কথা লিপিৱদ্ধ হৈ আছে। তেওঁলোকৰ ভাষ্যবোৰ সকলোৱে গ্ৰহণযোগ্য বুলি নাভাবিব পাৰে, কিন্তু প্ৰতিটো কথাৰ দুয়োটা দিশ সুচিন্তিতভাৱে ভাবি চাব পাৰি। দেশখন আগতে কেনে আছিল আৰু এতিয়া কেনে হৈছে, তাক কম চিন্তা কৰা বা নকৰা মানুহ এজনেও পাৰ্থক্যবোৰ বোধহয় তুলনা কৰি চোৱাৰ প্ৰয়াস কৰিছে! আমাৰ এটা দোষ আছে, আমি সদায় নিজৰ গুণ নিজে গাওঁ, ফোপজহ কৰো, তাৰ বাবে ফটাঢোল কোবাওঁ। আমি কালিলৈকে কি আছিলো, কি কি কথাৰ সমৰ্থক আছিলো, উদ্দেশ্য কি আছিল, সেই কথা কেতিয়াও পাহৰিব নাপায়। অতীতক পাহৰা মানুহ অদূৰদৰ্শী, আৰু বৰ ভয়ংকৰ। তাতোতকৈ বেছি ভয়ংকৰ কথাটো হ'ল গুণীৰ গুণ নুবুজা, তেওঁলোকৰ কৰ্মৰ শলাগ নোলোৱা স্বভাবটো। অতীতক পাহৰি যোৱা মানুহ সঁচায়ে দুৰ্বোধ্য। তেওঁলোকে দেশ কিয় আপোন পিতৃ-মাতৃৰ ল'ৰালি কালৰ আদৰ-যত্নৰ কথাও পাহৰি থাকিব পাৰে। মই যদি আজি কওঁ, নেহৰু বা মহাত্মা গান্ধীৰ দোষৰ বাবে দেশখন নষ্ট হ'ল-কি বা নষ্ট হ'ল, এইটো উচিত কথা কোৱা হ'ব নে? ক'ত নেহৰু, ক'ত মহাত্মা গান্ধী আৰু ক'ত মোৰ দৰে তেনেই অখ্যাত মানুহৰ আজিৰ দেশত স্থিতিহীন স্থিতি। ভাল কাম একোটা কৰোতে আনৰ বিষয়ে বেয়া, তাকো মিছা; কথা কেতিয়াও ক'ব নাপায়। আমি নিজকে যি বুলিয়ে নাভাবো, দেশৰ নেতাবোৰক কোটি কোটি মানুহে সদায় আদৰ্শৱান পুৰুষ বুলি ভাবে, গতিকেই 'আদৰ্শৱানপুৰুষে' সকলো সময়তে সত্য কথা কৈ দেশৰ মংগলজনক কাম কৰাৰ কথা ভাবিব লাগে। আমাৰ দেশখনত তেনে মানুহৰ কেতিয়াও অভাৱ হ'ব নালাগে। আমি যে কওঁ, আমাৰ দেশৰ সভ্যতা—সংস্কৃতি হেজাৰ হেজাৰ বছৰৰ পুৰণি, সেই কথাটো ভাবোতে গ্ৰীচ আৰু ইজিপ্তৰ দৰে প্ৰাচীন সভ্যতাৰ অধিকাৰী দেশৰ কথাও মনত ৰাখিব লাগে, তেতিয়াহে আমি অহংকাৰী নহ'ম। আমাৰ ব্যৱহাৰ মহান তথা উৎকৃষ্ট হ'ব নালাগে নে? নিজৰ হাতত ক্ষমতা ধৰি ৰাখিবলৈকে মানুহক সদৌটি কাল বা সময় মিথ্যা প্ৰতিশ্ৰুতি দি, মায়াজালৰ সৃষ্টি কৰি লেতেৰা স্বাৰ্থ সাধন কৰিব খোজো কিয়? সেইবোৰ কথালৈ আমি ধ্যান দিবলৈ শিকা উচিত। আন দেশৰ কথা নাজানো, কিন্তু ভাৰতৰ কোটি কোটি জনসাধাৰণৰ বহুতো গুণী-জ্ঞানী মানুহ আছে, তেওঁলোকেও আমাৰ সকলোৰে কথা শুনে। গতিকেই কথা ভাবি-চিন্তি ক'ব লাগে। একেটা পুখুৰীতে বিধ বিধ মাছ থকাৰ দৰে, আমাৰ একেখন উপমহাদেশতে সহস্ৰ জাতৰ মানুহ আছে। আমি কেৱল দুটামান জাতিয়ে শ্ৰেষ্ঠ, আনবোৰ মানুহ অশ্ৰেষ্ঠ কেতিয়াও নহয়।

আপোন ভালেই জগত ভাল বুলি কথা এষাৰ আছে, সেই কথাষাৰ এতিয়াও প্ৰাসংগিক হৈয়ে আছে। আনত ভাল গুণ নেদেখা মানুহ সাধাৰণতে অদূৰদৰ্শী, ঈৰ্ষাপৰায়ণ, অসামাজিক আৰু স্বাৰ্থপৰ। নিজে সেইবোৰ কথা নাজানিলেও সময়ে তাক জনায়। ভাল মানুহে কেতিয়াও কেৱল নিজৰ কথাকে কৈ নাথাকে, তেনে কিবা কথা ক'ব লগা হ'লে আনৰ মান-সন্মান বা কৰ্মৰ কথাও একোবাৰ ভাবি চাব লাগে। সংসাৰত কেৱল ময়ে বুদ্ধিমান বুলি ভবা মানুহবোৰ বুদ্ধিমানতো নহয়েই, জন্তুৰ ওপৰৰ মানুহো নহয়। গাহৰিয়ে কেৱল নিজৰ খাদ্যৰ কথা ভবাৰ দৰে, সেই শ্ৰেণী মানুহে দিনে-ৰাতিয়ে কেৱল নিজৰ কথাহে ভাবে। দেশ নিৰ্মাণৰ কাম দেশৰ সমূহৰাইজৰ সহযোগত সাধন কৰা হয়। তেনে কামত নেতাই আগভাগ লোৱাটো সুকীয়া কথা। সেই কামটো কৰোতে হেজাৰ বছৰো লাগিব পাৰে। কৰ্ম আৰু অভিজ্ঞতাইহে তিল তিলকৈ দেশৰ সভ্যতা গঢ়ে। পাঁচ বছৰতে কোনেও তাক যাদু কৰি গঢ়ি তুলিব নোৱাৰে। সেইষাৰ কথা আমি সকলোৱে মানি লোৱা উচিত। কোনো একোটা কথা জানিবলৈ হ'লে দূৰদৰ্শী তথা জ্ঞানৱন্ত হ'ব লাগিব। 'জগতত কেৱল মইহে শ্ৰেষ্ঠ' বুলি কোনো মানুহে কেতিয়াও ভাবিব নালাগে। তেনে মানুহৰ পৰা জ্ঞানীজন আঁতৰি থাকে। আৰু এটা কথা, বহুতো নেতাই দেশৰ প্ৰগতি সাধিত হোৱাৰ সকলো নাম কেৱল নিজে ল'ব খোজে, সেইটো তেনেই সাৰশূন্য কথা, অগ্ৰহণীয়। অশোক বা আলেকজেণ্ডাৰৰ লগত হেজাৰ হেজাৰ সৈন্য-বাহিনী নহ'লে কেৱল তেওঁলোকে অকলে যুদ্ধ কৰি ৰণ জিনিব নোৱাৰিলেহেঁতেন। নেতৃত্বই নাম পোৱা উচিত, কিন্তু তাৰ অৰ্থ এইটো নহয় যে তেওঁৱেই সকলো কামৰ গুৰি ধৰোতা। দেশৰ পুৰণি সংস্কাৰ, কোটি কোটি দেশবাসীৰ ত্যাগ আৰু কৰ্মৰ কথাও মহান নেতাই সদায় মনত ৰাখে। কেৱল ফটাঢোল বজাই নিজৰ কথা কোৱা নেতাক কালে সময়ত বিস্মৃতিৰ অতল তলত পেলাই নিঃচিন্ন কৰি পুতি থয়। ক্ষণভংগুৰ মানুহৰ আকৌ অহংকাৰ কিহৰ? কেতিয়াবা ভাবিলে আচৰিত হওঁ, এই মিছা কথা কোৱা মানুহবোৰে নিজকেনো কি বুলি ভাবে, কেতিয়াবা তেওঁলোকৰ নিজৰ আচৰণতে চক খাই নুঠে কিয়? অনন্ত কালৰ তুলনাত কেৱল দুটামান বছৰতে নিজক দেশৰ ভাগ্য বিধাতা বুলি কেনেকৈ ভাবে? ক্ষণভংগুৰ নশ্বৰ মানুহ সংসাৰত থাকেইবা কেইদিন! আমি নকওঁ যে মানুহ সংসাৰ বিৰাগী হৈ, বৈৰাগী হৈ; জীৱন কটাব লাগে। আমি কওঁ, নিজৰ কাম নিজে কৰিবই লাগে। সেই কামটো কৰোতে দম্ভ-অহংকাৰহে থাকিব নালাগে বুলি সকিয়াই দিব খোজো। সামান্য জ্ঞান থকা মানুহে যি কথা জানে, সেই কথা দেশৰ প্ৰথম শ্ৰেণীৰ নাগৰিকে নাজানিব কিয়? দেশৰ নেতাৰ সুখ-দুখৰ উপৰি দেশৰ মানুহৰ সুখ-দুখৰ কথা আমি বুজিব লাগিব। সেয়েহে সিদ্ধান্ত একোটা লওঁতে সকলো কথাৰ সকলো দিশ চালি-জাৰি চাব লাগে। দাংকোপ মাৰি ওচৰ চুবুৰীয়া লগত যুদ্ধ কৰিব পাৰি, কিন্তু যুদ্ধ কিমান ভয়ংকৰ, সেই কথা এহেজাৰ বাৰ ভাবি নোচোৱাকৈ ৰণত অৱতীৰ্ণ হ'ব নাপায়। যুদ্ধই কেনে বিভিষিকাৰ সৃষ্টি কৰে, তাক হৃদয়ংগম কৰিব নোৱাৰা মানুহ দেশৰ নেতৃত্বত এপলকো থকা উচিত নহয়। ৰাছিয়া আৰু ইউক্ৰেনৰ কথাটোলৈকে চাওকচোন, গত ছমাহত ইমানবোৰ মানুহ মাৰি পুটিনে দেশৰ কি প্ৰগতি সাধন কৰিছে? যুদ্ধক্ষেত্ৰত মানুহ হত্যা কৰি জনসংখ্যা কমাই, দেশৰ মাতৃসকলক দহোটাকৈ সন্তান জন্ম দিবলৈ কোৱাৰ ৰাজনীতিকৰ কি অধিকাৰ আছে? পুটিনে ভদ্ৰতাৰ সকলো সীমা অতিক্ৰম কৰা নাই নে? বৰ্তমান ৰাজনীতিয়ে আমাৰ দেশখন প্ৰবল ধুমুহাৰ দৰে জোকাৰি জুৰুলা কৰি পেলাইছে, ই কেতিয়াও ভাল কথা হ'ব নোৱাৰে। নিৰ্বাচিত ৰাজ্য চৰকাৰবোৰৰ ভঙা-পতা কামবোৰ কোনো কাৰণতে গ্ৰহণযোগ্য নহয়। সুৰাজনীতি এখন সুস্থ গণতন্ত্ৰৰ মূলধন হ'ব লাগে। দুখৰ বিষয় আমাৰ দেশে কাৰাগাৰত থকা, নানান দোষেৰে অভিযুক্তলোককো নিৰ্বাচনত অংশ গ্ৰহণ কৰাত সুবিধা দিয়ে, ফলত সময়ত তেওঁলোকো 'দেশপ্ৰেমিক' হৈ দেশসেৱা কৰে। তাতোতকৈ ডাঙৰ কথাটো হ'ল, দোষ কৰি কাৰাগাৰাত থকা 'দুৰ্দান্ত অসুৰ-ডকাইত' কাৰাগাৰাৰ পৰা ওলাই আহোতে, ফুলৰ মালা পিন্ধাই সম্বৰ্ধনা জনোৱা হয়, এয়া উচিত নে? নে তেওঁলোকক আৰু 'বেয়া কাম নকৰি সমাজত মিলি যোৱা' বুলি আদৰণি জনোৱা হয়? কোনটো বা শুদ্ধ?

ফোন ঃ ৭০৯৬২ ১৭৪২৫

১৮৮৫ত কংগ্ৰেছ দল গঠন হোৱাৰে পৰা ছয় জন ব্যক্তিয়ে এতিয়ালৈকে কংগ্ৰেছ সভাপতিৰ দায়িত্ব বহন কৰিছে। কংগ্ৰেছৰ প্ৰথম সভাপতি আছিল দলটোৰ প্ৰতিষ্ঠাপক উমেশ চন্দ্ৰ বেনাৰ্জী আৰু শেহতীয়া সভাপতি হ'ল ছোনিয়া গান্ধী। ছোনিয়া গান্ধীয়েই সৰ্বাধিক কালৰ বাবে সভাপতিৰ আসন দখল কৰি আছে। ছোনিয়া গান্ধীয়ে ১৯৯৭ত কংগ্ৰেছ দলত যোগদান কৰি তাৰ পাছৰ বছৰ অৰ্থাৎ ১৯৯৮তেই সভাপতিৰ আসন অধিকাৰ কৰিছিল। তেতিয়া কংগ্ৰেছৰ সভাপতি আছিল সীতাৰাম কেশৰী।



## কিমান স্বচ্ছ হ'ব কংগ্ৰেছ সভাপতিৰ নিৰ্বাচন?



পৰ্যালোচনা

আশীষ মজুমদাৰ

**অৱশেষত** বহু জল্পনা-কল্পনাৰ অন্তত কংগ্ৰেছৰ সভাপতি নিৰ্বাচনৰ দিন ঘোষণা হ'ল। অহা ১৭ অক্টোবৰত সুদীৰ্ঘ ২১ বছৰৰ অন্তৰালত কংগ্ৰেছ সভাপতি পদৰ বাবে নিৰ্বাচন অনুষ্ঠিত হ'ব। প্ৰদেশ কংগ্ৰেছৰ প্ৰতিনিধি আৰু এআইচিচি অৰ্থাৎ সৰ্বভাৰতীয় কংগ্ৰেছৰ প্ৰতিনিধিৰ দ্বাৰা গঠিত নিৰ্বাচনী সমিতিৰ ভোটেৰে কংগ্ৰেছ সভাপতি নিৰ্বাচিত হয়। এই নিৰ্বাচনী সমিতিৰ প্ৰায় নহেজাৰ সদস্য আছে আৰু বেছিভাগ হাইকমাণ্ড অৰ্থাৎ গান্ধী পৰিয়ালৰ দ্বাৰা মনোনীত হোৱা বাবে বিবেক ভোটদান হোৱাৰ সম্ভাৱনা নিচেই তাকৰ।

১৮৮৫ত কংগ্ৰেছ দল গঠন হোৱাৰে পৰা ছজন ব্যক্তিয়ে এতিয়ালৈকে কংগ্ৰেছ সভাপতিৰ দায়িত্ব বহন কৰিছে। কংগ্ৰেছৰ প্ৰথম সভাপতি আছিল দলটোৰ প্ৰতিষ্ঠাপক উমেশ চন্দ্ৰ বেনাৰ্জী আৰু শেহতীয়া সভাপতি হ'ল ছোনিয়া গান্ধী। ছোনিয়া গান্ধীয়েই সৰ্বাধিক কালৰ বাবে সভাপতিৰ আসন দখল কৰি আছে। ছোনিয়া গান্ধীয়ে ১৯৯৭ত কংগ্ৰেছত যোগদান কৰি তাৰ পাছৰ বছৰ অৰ্থাৎ ১৯৯৮তেই সভাপতিৰ আসন অধিকাৰ কৰিছিল। তেতিয়া কংগ্ৰেছৰ সভাপতি আছিল সীতাৰাম কেশৰী। গান্ধী পৰিয়ালৰ বংশবাদেৰে গঠিত কংগ্ৰেছ ৱৰ্কিং কমিটীয়ে প্ৰস্তাৱ পাছ কৰি ছোনিয়া গান্ধীক সভানেত্ৰী পাতিলে আৰু সীতাৰাম কেশৰীক পদত্যাগ কৰিবলৈ আহ্বান জনালে। কিন্তু এইদৰে অনৈতিক, অগণতান্ত্ৰিক আৰু অমৰ্যাদাসুলভভাৱে তেওঁক অপসাৰণ কৰিব খোজা বাবে সীতাৰাম কেশৰী পদত্যাগ কৰিবলৈ অমান্তি হ'ল। ছোনিয়া গান্ধীয়ে সভানেত্ৰীৰ দায়িত্ব গ্ৰহণ কৰিবলৈ আকবৰ ৰোডস্থিত কংগ্ৰেছ হেডকোৱাৰ্টাৰত প্ৰৱেশ কৰাৰ আগ মুহূৰ্তত তেওঁৰ পদাৰোহণ নিষ্কণ্টক কৰিবলৈ গান্ধী পৰিয়ালৰ স্তাৱক বৃন্দই সীতাৰাম কেশৰীক দাংকোলা কৰি এটা বাথৰুমত আবদ্ধ কৰি থয়। বহুত অপমানজনক আছিল আজীৱন কংগ্ৰেছী বৰ্ষীয়ান সীতাৰাম কেশৰীৰ বিদায়। তেতিয়াৰ পৰাই আৰম্ভ হৈছিল কংগ্ৰেছত গান্ধী পৰিয়ালৰ একচ্ছত্ৰী ৰাজত্ব। গণতান্ত্ৰিক পৰম্পৰাক সম্পূৰ্ণৰূপে বিসৰ্জন দি এআইচিচি আৰু কংগ্ৰেছ ৱৰ্কিং কমিটীত গান্ধী পৰিয়ালৰ অনুগত বাহিনীক প্ৰাধান্য দিয়া আৰম্ভ হয়। ছোনিয়া আৰু ৰাহুল গান্ধীৰ মৌখিক নিৰ্দেশেই হৈ পৰে কংগ্ৰেছৰ নীতি আৰু আদৰ্শ। ২০১৭ত ছোনিয়া গান্ধীয়ে সভাপতিৰ আসনখন বংশানুক্ৰমে পুত্ৰ ৰাহুল গান্ধীক অৰ্পণ কৰে; কিন্তু ২০১৯ৰ সাধাৰণ নিৰ্বাচনত শোচনীয় ফলাফল প্ৰদৰ্শন কৰাৰ পাছত ৰাহুলে সভাপতি পদৰ পৰা পদত্যাগ কৰে। তেতিয়াৰ পৰা ছোনিয়া গান্ধীয়ে অসুস্থ দেহাৰে অস্থায়ী সভাপতিৰূপে কাৰ্যনিৰ্বাহ কৰি আছে।

২০১৪ৰ লোকসভা নিৰ্বাচনৰ পাছৰে পৰা কংগ্ৰেছৰ যি পতন আৰু অৱক্ষয় আৰম্ভ হৈছে সি ৰোধ হোৱাৰ কোনো লক্ষণ দেখো দিয়া নাই। এসময়ত সমগ্ৰ ভাৰতত বিপুল গণভিত্তি থকা কংগ্ৰেছ এতিয়া এককভাৱে মাথো দুখন ৰাজ্য ৰাজস্থান আৰু চত্তিছগড়ত শাসনত আছে। বেছিভাগ ৰাজ্যত তৃতীয় আৰু চতুৰ্থ শাৰীৰ দললৈ পৰ্যবসিত হৈছে। ৰাহুল গান্ধী কংগ্ৰেছৰ সভাপতি হোৱাৰে পৰা দলত যি খহনীয়া আৰম্ভ হৈছিল সি এতিয়াও অব্যাহত আছে। ৰাহুল গান্ধী যদিও এতিয়া সভাপতিৰ দায়িত্বত নাই তথাপি তেওঁ দলটোক পৈতৃক সম্পত্তিৰ দৰে গণ্য কৰা দেখা গৈছে। ছোনিয়া গান্ধী নামতহে সভানেত্ৰী, দৰাচলতে ৰাহুল গান্ধীক ডি-ফেক্ট সভাপতি বুলি ক'লেও অত্যুক্তি নহ'ব। অৰ্থাৎ দায়বদ্ধতা অবিহনেই তেওঁ ক্ষমতা প্ৰদৰ্শন কৰি আছে। অলপতে কংগ্ৰেছৰ পৰা পদত্যাগ কৰা বৰ্ষীয়ান নেতা গোলাম নবী আজাদে ৰাহুল গান্ধীৰ প্ৰতি বিষোদগাৰ কৰিয়েই দলত্যাগ কৰিছিল। ৰাহুল গান্ধীয়ে জ্যেষ্ঠ নেতাক গুৰুত্ব নিদিয়ে বুলি বেছিভাগ দলত্যাগী নেতাৰ মূল অভিযোগ। হিমন্তৰ দৰে গণভিত্তি থকা প্ৰতিভাশালী নেতাক আওকাণ কৰাৰ প্ৰতিফল কংগ্ৰেছে অসমত ভালদৰেই পাই আছে। হিমন্তই মনৰ ক্ষোভ প্ৰকাশ কৰিবলৈ ৰাহুল গান্ধীক লগ কৰিবলৈ যাওঁতে ৰাহুলে হিমন্তক গুৰুত্ব দিয়াৰ সলনি পোহনীয়া কুকুৰটোক বিস্কুট খুওৱাতহে ব্যস্ত হৈ আছিল। কুকুৰটোৱে হিমন্তৰ প্লেটৰ পৰাও বিস্কুট খোৱা বুলি হিমন্তই এটা সাক্ষাৎকাৰত ব্যক্ত কৰিছে। গোলাম নবী আজাদৰ অভিযোগ ৰাহুলে জ্যেষ্ঠ নেতাৰ পৰামৰ্শ আওকাণ কৰি ড্ৰাইভাৰ, পিয়ন আৰু তেওঁক আৱৰি থকা চাটুকাৰসকলৰ কথামতেহে দল পৰিচালনা কৰি আছে। নিজৰ জীৱন যৌৱন কংগ্ৰেছৰ বাবে পাত কৰা কেতবোৰ জ্যেষ্ঠ নেতাই দলটোৰ সংস্কাৰ আৰু পুনৰুত্থানৰ বাবে এলানি পৰামৰ্শ আগবঢ়াইছিল। পৰামৰ্শাৱলীত স্বাক্ষৰ থকা ২৩জন নেতাক জি-২৩ বুলি অভিহিত কৰা হয়। দলটোৰ আভ্যন্তৰীণ সংস্কাৰৰ লগতে গান্ধী পৰিয়ালৰ বাহিৰৰ পৰা স্থায়ী সভাপতি নিৰ্বাচন আছিল মূল পৰামৰ্শ; কিন্তু ৰাহুলৰ স্তাৱক বৃন্দই সান্দহ খোৱা বালি তল যোৱাৰ ভয়ত এই নেতাসকলৰ বিৰুদ্ধে বিসম্বাদী বুলি ব্যৱস্থা ল'বলৈ উচটনি দিয়া পৰিলক্ষিত হ'ল। কিন্তু অস্থায়ী সভানেত্ৰী ছোনিয়া গান্ধীয়ে দলীয় অসন্তোষ প্ৰশমিত কৰিবলৈ জি-২৩ নেতৃবৃন্দৰ স'তে আলোচনাত মিলিত হৈ অচিৰেই স্থায়ী সভাপতিৰ বাবে নিৰ্বাচন অনুষ্ঠিত কৰাৰ আশ্বাস দিয়ে; কিন্তু ডেৰ বছৰৰ ভিতৰতো সভাপতি নিৰ্বাচন অনুষ্ঠিত কৰাৰ উমঘাম নেদেখি সেই আশ্বাস যে ভুৱা আছিল সেয়া প্ৰমাণিত হ'ল। দলীয় অসন্তোষ প্ৰশমিত কৰিবলৈ হাইকমাণ্ডে কোনো পদক্ষেপেই গ্ৰহণ নকৰিলে। অথচ জি-২৩ বুলি অভিহিত নেতাসকল এলা-পেচা গণভিত্তি নথকা নেতা নহয়। বেছিভাগৰেই এটা সময়ত দলত যথেষ্ট প্ৰতিপত্তি আছিল। তাৰে অন্যতম হ'ল প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী গোলাম নবী আজাদ, কপিল ছিবাল, আনন্দ শৰ্মা, ৰেণুকা চৌধুৰী, মণিশংকৰ আয়াৰ, মনীষ তিৱাৰী, সন্দীপ দীক্ষিত, মিলিন্দ দেওৰা, শশী থাৰুৰ, মুকুল ৱাসনিক, মহাৰাষ্ট্ৰৰ প্ৰাক্তন মুখ্যমন্ত্ৰী পৃথ্বিৰাজ চৌহান, কৰ্ণাটকৰ প্ৰাক্তন মুখ্যমন্ত্ৰী বীৰাপ্পা মৈলী, হাৰিয়ানাৰ প্ৰাক্তন মুখ্যমন্ত্ৰী ভূপিন্দাৰ সিং হুদা আদি। গান্ধী পৰিয়ালৰ তিনিটা প্ৰজন্মৰ স'তে কাম কৰা গুলাম নবী আজাদৰ পদত্যাগৰ পাছতহে হাইকমাণ্ডৰ হুচ অহা পৰিলক্ষিত হ'ল। খহনীয়া ৰোধ কৰিবলৈ ছোনিয়া গান্ধীয়ে খৰখেদাকৈ সভাপতি নিৰ্বাচনৰ দিন ঘোষণা কৰিলে। সমান্তৰালকৈ ৰাহুল গান্ধীকেই পুনৰ স্থায়ী সভাপতি নিৰ্বাচিত কৰিব লাগে বুলি এচাম স্তাৱকে ৰাউচি জোৱা পৰিলক্ষিত হ'ল। আনহাতে ৰাহুল গান্ধী সভাপতি পদৰ প্ৰতি আগ্ৰহী নহয়, আনকি গান্ধী পৰিয়ালৰ কোনো ব্যক্তি সভাপতি হোৱাটো তেওঁ নিবিচাৰে বুলি এচামে প্ৰচাৰ চলোৱা দেখা গৈছে। জনাই জানে এইবোৰ হ'ল ইমেজ বনোৱাৰ কাৰচাজি।

ভেঁকোভাওনা হ'ব নেকি সভাপতিৰ নিৰ্বাচন? লক্ষ লক্ষ কংগ্ৰেছ কৰ্মী আৰু দেশবাসীৰ মনত এই প্ৰশ্ন। গান্ধী পৰিয়ালৰ নেতৃত্বত যে কংগ্ৰেছৰ পুনৰুত্থান সম্ভৱ নহয় সেইটো দ্ব্যৰ্থহীনভাৱে প্ৰমাণিত হৈছে। সেয়ে এইবাৰ হাইকমাণ্ডে গান্ধী পৰিয়ালৰ বংশবাদ কাৰোবাক সভাপতি নিৰ্বাচিত কৰাৰ সম্ভাৱনা আছে। এই ক্ষেত্ৰত গান্ধী পৰিয়ালৰ একান্ত অনুগত অম্বিকা ছোনি আৰু ৰাজস্থানৰ মুখ্যমন্ত্ৰী অশোক গেহলটৰ নাম চৰ্চালৈ আহিছে। আনহাতে জি-২৩ গোটৰ পৰা শশী থাৰুৰ নিৰ্বাচনত অৱতীৰ্ণ হ'ব বুলি বু-বা ওলাইছে। যিয়েই নিৰ্বাচন নেখেলক কিয়, অৱশেষত গান্ধী পৰিয়ালৰ প্ৰতিনিধিয়েই সভাপতি নিৰ্বাচিত হোৱাটো প্ৰায় নিশ্চিত। কিয়নো নিৰ্বাচনী সমিতিৰ ন হেজাৰ সদস্যৰ বেছিভাগেই গান্ধী পৰিয়ালৰ দ্বাৰা মনোনীত সদস্য। তেওঁলোকে হাইকমাণ্ড অৰ্থাৎ গান্ধী পৰিয়ালৰ বিৰুদ্ধাচৰণ কৰিব নোৱাৰে। জি-২৩ৰ ফালৰ পৰা সভাপতি নিৰ্বাচক মণ্ডলী অৰ্থাৎ ভোটদাতাৰ তালিকা ৰাজহুৱা কৰিবলৈ দাবী উত্থাপন কৰা হৈছে যদিও হাইকমাণ্ডে ভ্ৰূক্ষেপ কৰা নাই। তালিকা ৰাজহুৱা হ'লে আনুগত্য বেচা কিনা হয় বুলি ভয়।

উপৰোক্ত পৰ্যালোচনাৰ পৰা দেখা যায় যে দল ৰসাতলে গ'লেও গান্ধী পৰিয়ালে দলৰ কৰ্তৃত্ব কেতিয়াও এৰি নিদিয়ে। মনমোহন সিঙৰ দৰে পুতলা সভাপতি পাতি হ'লেও গান্ধী পৰিয়ালৰ প্ৰভাৱ অক্ষুণ্ণ ৰাখিব। গতিকে কংগ্ৰেছৰ আগন্তুক সভাপতিৰ নিৰ্বাচন প্ৰহসনৰ বাহিৰে আন একো নহয়।

ফোন ঃ ৭০০২২৫১১৬৬

## কানাডাত ছুৰীৰে আক্ৰমণত নিহত কমেও ১০ জন



**নিউজ ব্যুৰ', অট'ৱা, ৫ ছেপ্টেম্বৰ ঃ** দুৰ্বৃত্তৰ ছুৰিকাঘাতত কানাডাত প্ৰাণ হেৰুৱালে কমেও ১০ জন লোকে। এই ঘটনাত আন কে'বাজনো লোক গুৰুতৰভাৱে আহত হয়। দেওবাৰে কানাডাৰ দুটা অঞ্চলত দুজন যুৱকে ছুৰীৰে আক্ৰমণ সংঘটিত কৰিছিল। ইতিমধ্যে দুই অভিযুক্তক চিনাক্ত কৰি আৰক্ষীয়ে তেওঁলোকৰ সন্ধানত অভিযান অব্যাহত ৰাখিছে। আৰক্ষীয়ে প্ৰকাশ কৰা অনুসৰি জেমছ স্মিথ ক্ৰি নেচান আৰু চাচকাছোৱানৰ ৱেল্ডনৰ সমীপত দুজন লোকে ছুৰীৰে আক্ৰমণ চলাইছিল। এই ঘটনাত ১০ জন লোকৰ মৃত্যু হোৱাৰ লগতে আন ১৫ জন আহত চিকিৎসাধীন হৈ আছে। দুই আক্ৰমণকাৰীক আৰক্ষীয়ে ডেমিয়েন আৰু মাইলছ ছেণ্ডাৰচন নামৰে চিনাক্ত কৰিছে।

## পাঁচ হেজাৰ গাড়ী চুৰি কৰা গভাইত চোৰ অৱশেষত দিল্লী আৰক্ষীৰ জালত



**নিউজ ব্যুৰ', নতুন দিল্লী, ৫ ছেপ্টেম্বৰ ঃ** দিল্লী আৰক্ষীয়ে এক বৃহৎ সফলতা অৰ্জন কৰিব। প্ৰাপ্ত বাতৰি অনুসৰি, দেশৰ সবাতোকৈ গভাইত গাড়ী চোৰ হিচাপে কুখ্যাতি অৰ্জন কৰা অনিল চৌহানক অৱশেষত দিল্লী আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিলে। অনিলৰ বিৰুদ্ধে বিগত ২৭ বছৰ ৫০০০ৰো অধিক গাড়ী চুৰিৰ অভিযোগ উত্থাপিত হৈছিল। গাড়ী চুৰিৰ লগতে অনিলৰ বিৰুদ্ধে হত্যা, অস্ত্ৰ আইন আৰু অবৈধ সৰবৰাহত অভিযোগতো গোচৰ আছে। ১৯৯০ৰ দশকত অনিলে সৰ্বাধিক সংখ্যক গাড়ী চুৰি কৰিছিল। চুৰি কৰা গাড়ীসমূহ এইজন চোৰে জম্মু-কাশ্মীৰ, নেপাল আৰু উত্তৰ-পূৰ্বাঞ্চলত বিক্ৰী কৰিছিল। দিল্লী আৰক্ষীৰ তথ্য অনুসৰি, ১৯৯০ৰ দশকত দিল্লীৰ খানপুৰৰ বাসিন্দা অনিলে অট'ৰিক্সা চলাইছিল। ইয়াৰ পাছতে গাড়ী চুৰিত জড়িত হোৱা অনিলে এই অপকৰ্মৰে বৃহৎ পৰিমাণৰ ধন আহৰণ কৰাৰ লগতে নানা অপৰাধত জড়িত হৈছিল। প্ৰৱৰ্তক সঞ্চালকালয় (ই ডি)-এ অনিলৰ বিৰুদ্ধে অবৈধ ধন সৰবৰাহৰ অভিযোগো উত্থাপন কৰিছিল। অস্ত্ৰৰ অবৈধ সৰবৰাহৰ স'তেও এইজন চোৰ জড়িত হৈছিল।

## আই আই টিত ৩৬৬ আসন বৃদ্ধি, ২৩ প্ৰতিষ্ঠানত আসন সংখ্যা ১৬,৫৯৮ হ'ল



**নিউজ ব্যুৰ', নতুন দিল্লী, ৫ ছেপ্টেম্বৰ ঃ** ইণ্ডিয়ান ইনষ্টিটিউট অব টেকন'লজি (আই আই টি)ৰ মুঠ ২৩ শিক্ষানুষ্ঠানত নতুনকৈ ৩৬৬ আসন সৃষ্টি কৰা হ'ল। আই আই টিৰ আসন বৃদ্ধিৰ এই পদক্ষেপৰ ফলত দেশৰ ২৩ খন আই আই টিত মুঠ আসনৰ সংখ্যা ১৬,৫৯৮লৈ বৃদ্ধি পালে। এইসমূহ আসনৰ ১৫৬৭ আসন মহিলা প্ৰাৰ্থীৰ বাবে সংৰক্ষিত। পাঠ্যক্ৰম অনুসৰি কম্পিউটাৰ ছায়েন্স ইঞ্জিনিয়াৰিং (চি এছ ই) পাঠ্যক্ৰমৰ বাবে আই আই টিত ১৮৯১ আসন সংৰক্ষিত আছে। চি এছ ই পাঠ্যক্ৰমৰ বাবে আই আই টি বোম্বেত ১৭১, আই আই টি ধানবাদত ১৩১, আই আই টি কানপুৰত ১২৯, আই আই টি দিল্লীত ৯৯ আৰু আই আই টি ৰুড়কিত ১০৯ আসন আছে।

## চীনত ৬.৮ তীব্ৰতাৰ ভূমিকম্পত কমেও সাতজনৰ মৃত্যু



**নিউজ ব্যুৰ' বেইজিং, ৫ ছেপ্টেম্বৰ ঃ** চীনৰ দক্ষিণ-পশ্চিমৰ চিজুৱান প্ৰদেশৰ লুডিংগত আজি পুৱা ৬.৮ প্ৰাবল্যৰ ভূকম্পন অনুভূত হয়। এই ভূমিকম্পৰ ফলত অঞ্চলটোত কমেও সাতজন লোকৰ মৃত্যু হয়। আনহাতে, কে'বাজনো লোক গুৰুতৰভাৱে আহত হৈছিল। সংবাদ মাধ্যমৰ বাতৰি অনুসৰি স্থানীয় সময় অনুসৰি দুপৰীয়া ১২-২৫ মিনিটত ভূকম্পন অনুভূত হৈছিল। ভূমিকম্পৰ ফলত চেংগডুত কে'বাটাও অট্টালিকাৰ যথেষ্ট ক্ষতি হয়।

## ভাৰতত উপস্থিত বাংলাদেশৰ প্ৰধানমন্ত্ৰী, সাত চুক্তিত কৰিব স্বাক্ষৰ



**নিউজ ব্যুৰ', নতুন দিল্লী, ৫ ছেপ্টেম্বৰ ঃ** বাংলাদেশৰ প্ৰধানমন্ত্ৰী শ্বেখ হাছিনাই আজি চাৰিদিনীয়া ভ্ৰমণসূচীৰে ভাৰতত উপস্থিত হয়। এই ভ্ৰমণত হাছিনাই ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ স'তে দ্বিপাক্ষিক সম্পৰ্কৰ সন্দৰ্ভত আলোচনাত অংশ ল'ব। হাছিনাই ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মু আৰু উপৰাষ্ট্ৰপতি জগদীপ ধনখড়কো সাক্ষাৎ কৰিব। ভাৰত ভ্ৰমণকালত বাংলাদেশৰ প্ৰধানমন্ত্ৰীয়ে প্ৰতিৰক্ষা, বাণিজ্য, ৰেলৱে, জলব্যৱস্থাপনা আৰু প্ৰযুক্তি বিষয়ৰ মুঠ সাতখন চুক্তিত স্বাক্ষৰ কৰাৰ কথা। এইসমূহ চুক্তিৰ মাজত কুশিয়াৰা নদী জলবুজাবুজি চুক্তিও আছে। অহা আঠ ছেপ্টেম্বৰত হাছিনাই আজমেৰ শ্বৰীফ দৰগাহ দৰ্শন কৰিব।

### ২০২১ৰ ফেব্ৰুৱাৰীৰ পাছত ক্ষুদ্ৰ ব্যৱসায়ীৰ বিদ্যুতৰ ৩৫০ শতাংশ-ৰন্ধন গেছৰ ৪০০ শতাংশ মাচুল বৃদ্ধি

# ব্ৰিটেইনত ভয়াৱহ বিদ্যুৎ সংকট, বিদ্যুতৰ মাচুল ৮০ শতাংশ বৃদ্ধি

**নিউজ ব্যুৰ' লণ্ডন, ৫ ছেপ্টেম্বৰ ঃ** ব্ৰিটেইনত ইন্ধনৰ মূল্যবৃদ্ধিয়ে দিনকদিনে ভয়াৱহ ৰূপ ধাৰণ কৰিছে। দেশখনত অহা মাহৰ পৰা ঘৰুৱা বিদ্যুতৰ বিলত ৮০ শতাংশলৈকে মাচুল বৃদ্ধিৰ সম্ভাৱনা প্ৰকট হৈছে। ঘৰুৱা ৰন্ধন গেছ আৰু বিজুলীৰ বিলৰ ক্ষেত্ৰত চৰকাৰে কিছু ৰেহাই দিব পাৰে যদিও বাণিজ্যিক ক্ষেত্ৰত ইন্ধনৰ মাচুল ৰেহাই দিয়া নহয়। বিদ্যুতৰ আকাশলংঘী মূল্যবৃদ্ধিৰ মাজতে বিদ্যুৎ সংকটেও দেশখনত ভয়াৱহ ৰূপ ধাৰণ কৰিছে। বাণিজ্যিক বিদ্যুতৰ মাচুল অধিক বৃদ্ধিৰ ফলত সম্প্ৰতি ব্ৰিটেইনৰ ক্ষুদ্ৰ পানশালা, ৰেস্তোৰাঁৰ দৰে ব্যৱসায় বন্ধ হোৱাৰ উপক্ৰম হৈছে।

যোৱা সপ্তাহত দেশখনৰ কে'বাটাও পানশালা প্ৰতিষ্ঠানে বিষয়টোৰ সন্দৰ্ভত চৰকাৰক সোনকালে হস্তক্ষেপ কৰিবলৈ দাবী কৰি কৈছিল যে বিদ্যুতৰ অত্যধিক মাচুল বৃদ্ধি বন্ধ নকৰিলে অচিৰে ব্ৰিটেইনৰ একাধিক ক্ষুদ্ৰ পানশালা আৰু ৰেস্তোৰাঁ বন্ধ কৰিবলৈ গৰাকী বাধ্য হ'ব। পৰিসংখ্যা অনুসৰি ২০২১ৰ ফেব্ৰুৱাৰীৰ পাছত ব্ৰিটেইনত ক্ষুদ্ৰ ব্যৱসায়ীৰ বিদ্যুতৰ মাচুল ৩৫০ শতাংশ আৰু ৰন্ধন গেছৰ মাচুল ৪০০ শতাংশ বৃদ্ধি পাইছে। অত্যধিক মাচুলৰ ফলত ক্ষুদ্ৰ ৰেডিঅ' ষ্টেচন, কেফে আৰু অন্যান্য ক্ষুদ্ৰ ব্যৱসায়ীয়ে নিজৰ বিপণী বন্ধ কৰিবলৈ বাধ্য হৈছে। প্ৰকাশিত বাতৰি অনুসৰি, ব্ৰিটেইনত বিগত ৪০ বছৰৰ পাছত মুদ্ৰাস্ফীতিয়ে সবাতোকৈ ভয়াৱহ ৰূপ ধাৰণ কৰিছে। জুলাইত ২০২১ৰ তুলনাত ব্ৰিটেইনত মুদ্ৰাস্ফীতি ১০.১ শতাংশ অধিক হৈছিল। মুদ্ৰাস্ফীতিৰ অনুপাতে দেশখনৰ নাগৰিকৰ বেতন আৰু উপাৰ্জন বৃদ্ধি পোৱা নাই।



## কাবুলত ৰুছ দূতাবাসৰ বাহিৰত আত্মঘাতী আক্ৰমণত কমেও ২০ জন লোকৰ মৃত্যু



**নিউজ ব্যুৰ' কাবুল, ৫ ছেপ্টেম্বৰ ঃ** আফগানিস্তানৰ ৰাজধানী কাবুলত থকা ৰাছিয়াৰ দূতাবাসৰ বাহিৰত বোমা বিস্ফোৰণৰ ঘটনাত কমেও ২০ জন লোকৰ মৃত্যু হ'ল। মৃতকৰ মাজত ৰাছিয়াৰ দুজন কূটনীতিকো আছে। বোমা বিস্ফোৰণৰ ফলত অঞ্চলটোত আতংকময় পৰিৱেশৰ সৃষ্টি হৈছিল। আৰক্ষীয়ে প্ৰকাশ কৰা অনুসৰি এজন আত্মঘাতী বোমাৰুৱে এই বিস্ফোৰণ সংঘটিত কৰিছিল। ৰুছ দূতাবাসৰ বাহিৰত যথেষ্ট সংখ্যক লোকে ভিছাৰ বাবে ভিৰ কৰাৰ সময়তে আত্মঘাতী বোমাৰুৱে বিস্ফোৰণ সংঘটিত কৰে। সন্দেহজনক আক্ৰমণকাৰীক প্ৰত্যক্ষ কৰি ৰুছ দূতাবাসৰ নিৰাপত্তাৰক্ষীয়ে গুলিবৰ্ষণ কৰাৰ সময়তে আত্মঘাতী বোমাৰুজনে এই বিস্ফোৰণ সংঘটিত কৰিছিল।

## প্ৰবল বৃষ্টিপাতত জলবদ্ধ হ'ল বাংগালুৰুৰ ৰাজপথ, স্বাভাৱিক জনজীৱন ব্যাহত



**নিউজ ব্যুৰ', বাংগালুৰু, ৫ ছেপ্টেম্বৰ ঃ** বিগত এসপ্তাহত দ্বিতীয়বাৰৰ বাবে জলবদ্ধ হ'ল বাংগালুৰু চহৰবাসী। প্ৰবল বৃষ্টিপাতৰ ফলত কৰ্ণাটকৰ ৰাজধানী চহৰখনৰ স্বাভাৱিক জনজীৱন হঠাতে ব্যাহত হ'ল। উল্লেখ্য যোৱা যোৱা সোমবাৰৰ পৰা বাংগালুৰুত ধাৰাসাৰ বৃষ্টিপাত অব্যাহত আছে। প্ৰবল বৃষ্টিপাতৰ ফলত ইতিমধ্যে চহৰৰ বিস্তীৰ্ণ অঞ্চল জলবদ্ধ হৈছে। অঞ্চল বিশেষে গছ বাগৰি পৰাৰ ঘটনাও সংঘটিত হৈছে। ৰাজপথো পানীত তল যোৱাৰ ফলত চহৰখনত ঘণ্টাৰ পাছত ঘণ্টা ধৰি যান-জঁট অব্যাহত আছে। এনে পৰিস্থিতিত যোৱা মঙলবাৰে চহৰৰ সকলো শিক্ষানুষ্ঠান বন্ধ ৰখাৰ কথা ঘোষণা কৰিছিল প্ৰশাসনে। দেওবাৰে পুনৰ প্ৰবল বৃষ্টিপাত হোৱাত বাংগালুৰুত কৃত্ৰিম বানে চহৰবাসীক হাৰাশাস্তি কৰিলে। বতৰ বিজ্ঞান বিভাগৰ পূৰ্বানুমান অনুসৰি অহা ন ছেপ্টেম্বৰলৈকে বাংগালুৰুত প্ৰবল বৃষ্টিপাতৰ সম্ভাৱনা আছে।



## সাতদিনতে হ'ল স্বপ্নভংগ, ধনাঢ্য ব্যক্তিৰ তালিকাত পতন আদানীৰ

**নিউজ ব্যুৰ', নতুন দিল্লী, ৫ ছেপ্টেম্বৰ ঃ** কিছুদিন পূৰ্বে বিশ্বৰ অৰ্বুদপতিৰ তালিকাত ভাৰতীয় উদ্যোগপতি গৌতম আদানীয়ে তৃতীয় স্থান লাভৰে সকলোকে চমক দিছিল। কিন্তু আদানীৰ এই আনন্দ মাত্ৰ সাতদিনতে প্ৰত্যাহ্বানৰ সন্মুখীন হ'ল। অৰ্বুদপতিৰ তালিকাত চতুৰ্থ স্থানলৈ অৱনমিত হ'ল আদানী। আদানী গোষ্ঠীৰ মুৰব্বীক অতিক্ৰম কৰি তৃতীয় স্থান পুনৰ দখল কৰিলে ফ্ৰান্সৰ অৰ্বুদপতি বাৰ্নাৰ্ড আৰ্ণল্টে। ফ'ৰ্বছ আলোচনীৰ শেহতীয়া পৰিসংখ্যা অনুসৰি বাৰ্নাৰ্ড আৰ্ণল্টৰ মুঠ সম্পত্তিৰ পৰিমাণ ১৫৬ বিলিয়ন ডলাৰৰ অধিক। আদানীৰ বৰ্তমানৰ সম্পত্তিৰ পৰিমাণ হৈছে ১৪৬ বিলিয়ন ডলাৰ। এই মুহূৰ্তত আৰ্ণল্টৰ স'তে আদানীৰ কমেও ১০ বিলিয়ন ডলাৰৰ সম্পত্তিৰ পাৰ্থক্য আছে। ধনাঢ্য ব্যক্তিৰ তালিকাত প্ৰথম স্থানত এলন মাস্ক আৰু দ্বিতীয় স্থানত জেফ বেজ'ছ আছে।

## গুজৰাটত ৰাহুলৰ প্ৰতিশ্ৰুতি ঃ চৰকাৰ গঢ়িলে ৩০০ ইউনিট বিদ্যুৎ বিনামূল্যে, ৫০০ টকাত দিব গেছ চিলিণ্ডাৰ



**নিউজ ব্যুৰ' আহমেদাবাদ, ৫ ছেপ্টেম্বৰ ঃ** কংগ্ৰেছৰ সাংসদ ৰাহুল গান্ধীয়ে আজি গুজৰাটত উপস্থিত হৈ ৰাজ্যখনৰ আগন্তুক বিধানসভাৰ নিৰ্বাচনৰ বাবে দলৰ প্ৰচাৰ আৰম্ভ কৰে। দিনৰ ১২ বজাত আহমেদাবাদত উপস্থিত হোৱা ৰাহুলে কংগ্ৰেছৰ প্ৰায় ৫২ হেজাৰ বুথ পৰ্যায়ৰ নেতা-কৰ্মীৰ স'তে মত বিনিময় কৰে। কংগ্ৰেছ সাংসদজনে ভাষণ প্ৰসংগত কয় যে গুজৰাটত কংগ্ৰেছৰ পৰৱৰ্তী চৰকাৰ গঠন কৰিলে ৰাজ্যখনৰ কৃষকক তিনি লাখ টকাৰ ঋণ ৰেহাই দিব। ৰাহুলে গুজৰাটবাসীক কংগ্ৰেছৰ চৰকাৰ গঠন কৰিলে মাহে ৩০০ ইউনিট বিনামূলীয়া বিদ্যুৎ আৰু ৫০০ টকাত ৰন্ধন গেছৰ চিলিণ্ডাৰ যোগান ধৰাৰো প্ৰতিশ্ৰুতি দিয়ে। কৰ'নাত মৃত্যু হোৱা লোকৰ পৰিয়ালকো ক্ষতিপূৰণ দিয়া হ'ব বুলি ৰাহুলে আজি আহমেদাবাদত ঘোষণা কৰে। ৰাহুলে কয় যে কংগ্ৰেছৰ যুঁজ কোনো দলবিশেষৰ বিৰুদ্ধে নহয়, মতাদৰ্শৰ বিৰুদ্ধেহে কংগ্ৰেছে সংগ্ৰাম কৰি আহিছে।

## লাছ ভেগাছত সাংবাদিকক ছুৰীৰে আঘাত হানি হত্যা



**নিউজ ব্যুৰ', লাছ ভেগাছ, ৫ ছেপ্টেম্বৰ ঃ** আমেৰিকাৰ লাছ ভেগাছ চহৰত এজন সাংবাদিকক তেওঁৰ বাসগৃহৰ বাহিৰত দুৰ্বৃত্তই ছুৰীৰে আঘাত হানি হত্যা কৰিলে। লাছ ভেগাছ আৰক্ষীয়ে এই কথা প্ৰকাশ কৰি সংবাদ মাধ্যমৰ আগত জনোৱা অনুসৰি, ঘটনাস্থলীত আৰক্ষী উপস্থিত হোৱাৰ সময়ত ৬৯ বছৰীয়া জেফ জাৰ্মন নামৰ সাংবাদিকজনক মৃত অৱস্থাত লাভ কৰা হৈছিল। সাংবাদিকজনক আক্ৰমণকাৰীয়ে ছুৰীৰে আঘাত হানি হত্যা কৰিছিল। কোনো বিবাদৰ ফলত আক্ৰমণকাৰীয়ে এই হত্যা সংঘটিত কৰিলে বুলি আৰক্ষীয়ে সন্দেহ কৰিছে। ঘটনা সংঘটিত কৰিয়ে আক্ৰমণকাৰীয়ে পলায়ন কৰিছিল।



## দিল্লীত পুনৰ মংকীপক্স আক্ৰান্তৰ সন্ধান, আতংক ৰাজধানীত

**নিউজ ব্যুৰ' নতুন দিল্লী, ৫ ছেপ্টেম্বৰ ঃ** দিল্লীত পুনৰ মংকীপক্সত আক্ৰান্ত এজন ৰোগীৰ সন্ধান লাভ কৰা হ'ল। বৰ্তমানলৈকে দেশৰ ৰাজধানী চহৰখনত মুঠ ছজন লোক মংকীপক্সত আক্ৰান্ত হ'ল। লোকনায়ক হাস্পতালৰ অধীক্ষক ডাঃ সুৰেশ কুমাৰে সাংবাদিকৰ আগত প্ৰকাশ কৰা অনুসৰি পশ্চিম দিল্লীৰ বাসিন্দা ২১ বছৰ বয়সীয়া এগৰাকী যুৱতীৰ শৰীৰত মংকীপক্স ভাইৰাছৰ সংক্ৰমণ চিনাক্ত কৰা হৈছে। চাৰিদিন পূৰ্বে মংকীপক্সত আক্ৰান্ত উক্ত যুৱতীক চিকিৎসালয়খনত ভৰ্তি কৰোৱা হৈছিল। মহিলাৰ বিদেশ ভ্ৰমণৰ কোনো ইতিহাস নাছিল আৰু জ্বৰ, ডিঙিৰ বিষসহ একাধিক উপসৰ্গই দেখা দিয়াত মহিলাগৰাকী চিকিৎসালয়ত ভৰ্তি হৈছিল।

## ঝাৰখণ্ডত আস্থাভোটত হেমন্ত চৰকাৰৰ জয়



**নিউজ ব্যুৰ', ৰাচী, ৫ ছেপ্টেম্বৰ ঃ** অগ্নিপৰীক্ষাত অনায়াসে উত্তীৰ্ণ হ'ল ঝাৰখণ্ডৰ মুখ্যমন্ত্ৰী হেমন্ত ছোৰেন। ৰাজ্যখনৰ বিধানসভাত অনুষ্ঠিত হোৱা আস্থাভোটত আজি মুঠ ৮১ বিধায়কৰ ৪৮ জনৰ সমৰ্থন লাভ কৰিলে ঝাৰখণ্ড মুক্তিমৰ্চা আৰু কংগ্ৰেছৰ মিত্ৰজোঁটে। ঝাৰখণ্ডৰ ছোৰেন চৰকাৰক বিজেপিয়ে ক্ষমতাচ্যুত কৰিবলৈ অপচেষ্টা চলোৱাৰ অভিযোগ উত্থাপিত হৈছিল। কিন্তু আস্থাভোটত আজি ৪৮ বিধায়কৰ সমৰ্থন লাভৰে ছোৰেন চৰকাৰ ৰাজ্যখনৰ ক্ষমতাত বাহাল থাকিল। আস্থা ভোটত জয়ৰ পাছত মুখ্যমন্ত্ৰী ছোৰেনে বিজেপিক কটাক্ষ কৰি কয়, 'আমি শুনিছিলো মানুহে পিন্ধা কাপোৰ কিনে, ৰেচন কিনে। বিজেপিয়ে কেৱল বিধায়ক কিনে।'

## পাকিস্তানত পিঁয়াজৰ ৫০০ শতাংশ মূল্যবৃদ্ধি, প্ৰতিকিলোৰ মূল্য ৩০০ টকা



**নিউজ ব্যুৰ', ইছলামাবাদ, ৫ ছেপ্টেম্বৰ ঃ** পাকিস্তানৰ বজাৰত সম্প্ৰতি পিঁয়াজৰ মূল্য ৫০০ শতাংশ বৃদ্ধি পালে। একেদৰে পূৰ্বৰ তুলনাত আলুৰ চাৰিগুণ মূল্যবৃদ্ধি হ'ল। আন শাক-পাচলিৰ মূল্যও দেশখনত সৰ্বকালৰ সৰ্বাধিক হৈছে। প্ৰায়বোৰ খাদ্যদ্ৰব্যৰে মূল্য প্ৰায় ৩০ শতাংশ বৃদ্ধি পাইছে। সম্প্ৰতি পাকিস্তানৰ বজাৰত প্ৰতি কিলো পিঁয়াজ ৩০০ টকাত বিক্ৰী হৈছে। পূৰ্বে দেশখনৰ বজাৰত পিঁয়াজৰ মূল্য কিলোত ৫০ টকা আছিল। একেদৰে প্ৰতি কিলো আলুৰ মূল্য ২৫ টকাৰ পৰিৱৰ্তে সম্প্ৰতি ১০০ টকা হৈছে। বিলাহীৰ মূল্যও ৩০০ শতাংশ বৃদ্ধি পালে। অত্যধিক মূল্যবৃদ্ধিৰ ফলত পাকিস্তানবাসীয়ে নিত্য ব্যৱহাৰ্য সামগ্ৰী ক্ৰয়ৰ বাবে হাঁহাকাৰ কৰিবলগীয়া হৈছে।

## দিল্লী মডেলৰ বিদ্যালয় স্থাপনৰ আঁচনি গ্ৰহণ তামিলনাডু চৰকাৰৰ



**নিউজ ব্যুৰ', চেন্নাই, ৫ ছেপ্টেম্বৰ ঃ** তামিলনাডু চৰকাৰে আজি 'স্কুল অব এক্সিলেন্স এণ্ড মডেল স্কুল' শীৰ্ষক এক আঁচনি ৰাজ্যখনত আৰম্ভ কৰিলে। এই আঁচনিৰ অধীনত তামিলনাডু চৰকাৰে ৰাজ্যখনত দিল্লী মডেলত বিদ্যালয় প্ৰতিষ্ঠা কৰিব। চৰকাৰী ভাৰতী মহিলা কলেজত আয়োজিত এক অনুষ্ঠানত দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালেও অংশ লয়। তামিলনাডুৰ মুখ্যমন্ত্ৰী এম কে ষ্টেলিনে প্ৰকাশ কৰা অনুসৰি এই আঁচনিৰ অধীনত ৰাজ্যখনত ২৬ খন উৎকৃষ্টতা বিদ্যালয় আৰু ১৫ খন আদৰ্শ বিদ্যালয় গঢ়ি তোলা হ'ব।

## ভগৱানেও এশ শতাংশ দুৰ্নীতি নিয়ন্ত্ৰণ কৰিব নোৱাৰে ঃ মমতা



**নিউজ ব্যুৰ', কলকাতা, ৫ ছেপ্টেম্বৰ ঃ** পাৰ্থ চেটাৰ্জী আৰু অনুব্ৰত মণ্ডলৰ দুৰ্নীতিৰ তথ্য ফাদিল হোৱাৰ পাছত পশ্চিমবংগৰ মমতা বেনাৰ্জী নেতৃত্বাধীন তৃণমূল কংগ্ৰেছ চৰকাৰ নানা প্ৰশ্নৰ সন্মুখীন হৈছে। দুৰ্নীতিৰ অভিযোগত বিদ্ধ হৈছে ৰাজ্যখনৰ এজনৰ পাছত আনজন তৃণমূল কংগ্ৰেছ নেতা। এনে সময়তে উত্থাপিত দুৰ্নীতিৰ অভিযোগৰ সন্দৰ্ভত মুখ খুলিলে মুখ্যমন্ত্ৰী মমতাই। তৃণমূল কংগ্ৰেছৰ নেত্ৰীয়ে দুৰ্নীতিৰ অভিযোগৰ সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয়, 'কোনেও এশ শতাংশ দুৰ্নীতি নিয়ন্ত্ৰণ কৰিব নোৱাৰে। অৱশ্যে কিমান লোভী হ'ব, সেয়া নিজে ঠিক কৰিব লাগিব। অনেকে মোক প্ৰশ্ন কৰিব পাৰে, আপুনি এশ শতাংশ নিয়ন্ত্ৰণ কৰিব পাৰিব নে? মই ক'ম, কোনেও নোৱাৰে। ভগৱানেও নোৱাৰে। হাতৰ পাঁচটা আঙুলি কেতিয়াও সমান নহয়। মানুহ ভাল-বেয়া দুই ধৰণৰ হয়। কোনো কোনো ব্যক্তি আকৌ সংগদোষত বেয়া হৈ যায়। আমি নিজৰ লোভ নিজে নিয়ন্ত্ৰণ কৰিব লাগে। পইচা আজি আছে, কাইলৈ নোহোৱা হ'ব।' প্ৰসংগত উল্লেখ্য যে পশ্চিমবংগত শিক্ষক নিযুক্তিত ব্যাপক দুৰ্নীতি-অনিয়ম সংঘটিত হোৱাৰ একাধিক অভিযোগ উত্থাপিত হৈছিল। এনে কেলেংকাৰিত জড়িত থকাৰ অভিযোগত যোৱা ২৩ জুলাইত ৰাজ্যখনৰ তদানীন্তন শিক্ষামন্ত্ৰী পাৰ্থ চেটাৰ্জীক গ্ৰেপ্তাৰ কৰা হৈছিল। পাৰ্থৰ পাছতে আন এক কেলেংকাৰিত তৃণমূল চৰকাৰৰ প্ৰভাৱশালী নেতা অনুব্ৰত মণ্ডলকো গ্ৰেপ্তাৰ কৰা হৈছিল। এই ঘটনাৰ পাছৰে পৰা মমতা বেনাৰ্জী চৰকাৰৰ বিৰুদ্ধে দুৰ্নীতিৰ অভিযোগত সৰৱ হৈ আহিছে বিজেপিসহ বিৰোধী দলসমূহ।

## ৰণবীৰৰ 'ব্ৰহ্মাস্ত্ৰ'ক লৈ আশাৰ ৰেঙণি বলিউডত, মুক্তিৰ পূৰ্বে ২৭ হেজাৰ টিকট বিক্ৰী



**নিউজ ব্যুৰ', মুম্বাই, ৫ ছেপ্টেম্বৰ ঃ** বলিউডত সম্প্ৰতি এখনৰ পাছত আন এখন বিগ বাজেটৰ ছবি বক্স অফিচত ব্যৰ্থ হৈছে। একাধিক ছবি ফ্লপ হোৱাৰ পাছত অহা ন ছেপ্টেম্বৰত দেশৰ চিত্ৰগৃহত মুক্তি লাভ কৰিব অয়ান মুখাৰ্জীৰ পৰিচালনাত নিৰ্মিত 'ব্ৰহ্মাস্ত্ৰ' ছবিখনে। বিগ বাজেটৰ এইখন ছবিত অভিনয় কৰিছে ৰণবীৰ কপুৰ, আলিয়া ভাট, অমিতাভ বচ্চনসহ একাধিক তাৰকাই। ৪০০ কোটি টকাৰ বাজেটৰে তৈয়াৰ কৰা এইখন ছবিয়ে বক্স অফিচত ভাল ব্যৱসায় কৰাৰ সম্ভাৱনা আছে। চলচ্চিত্ৰ বাণিজ্যিক বিশ্লেষক তৰন আদৰ্শই প্ৰকাশ কৰা অনুসৰি, অগ্ৰিম টিকট বুকিঙৰ ক্ষেত্ৰত 'ব্ৰহ্মাস্ত্ৰ'ই ভাল সঁহাৰি লাভ কৰিছে। মুক্তিৰ দিনা ছবিখন উপভোগ কৰাৰ বাবে ইতিমধ্যে ১১,৫৫৮ জন দৰ্শকে অগ্ৰিম টিকট ক্ৰয় কৰিলে। বৰ্তমানলৈকে ছবিখনৰ ২৭ হেজাৰৰো অধিক অগ্ৰিম টিকট বিক্ৰী হৈছে। কৰন জোহৰে প্ৰযোজনা কৰা এইখন ছবিত এক বিশেষ চৰিত্ৰত শ্বাহৰুখ খান আৰু দীপিকা পাডুকনেও অভিনয় কৰিছে। ছবিখনে বিশ্বজুৰি আঠ হেজাৰৰো অধিক পৰ্দাত মুক্তিলাভ কৰিব। আদৰ্শৰ মতে প্ৰথমদিনা 'ব্ৰহ্মাস্ত্ৰ'ই বক্স অফিচত কমেও ১৮-২২ কোটি টকাৰ ব্যৱসায় কৰাৰ সম্ভাৱনা আছে।

## মোৰ বিৰুদ্ধে গোচৰৰ বাবে চিবিআই বিষয়াক চৰকাৰে হেঁচা দিয়াত আত্মহত্যা কৰিছিল ঃ অভিযোগ মনীষ ছিছ'দিয়াৰ



**নিউজ ব্যুৰ', নতুন দিল্লী, ৫ ছেপ্টেম্বৰ ঃ** বিজেপিয়ে ৰাষ্ট্ৰীয় ৰাজধানীৰ শিক্ষা বিভাগৰ বিৰুদ্ধে ভ্ৰষ্টাচাৰৰ অভিযোগ উত্থাপন কৰাৰ সময়তে দিল্লীৰ উপমুখ্যমন্ত্ৰী তথা আম আদমী পাৰ্টি (আপ)ৰ নেতা মনীষ ছিছ'দিয়াই বিজেপিৰ বিৰুদ্ধে গুৰুতৰ অভিযোগ উত্থাপন কৰিলে। ছিছ'দিয়াই উত্থাপন কৰা অভিযোগ অনুসৰি, দুবছৰ পূৰ্বে চিবিআইৰ এজন বিষয়াই আত্মহত্যা কৰিছিল আৰু এই বিষয়াজনে আত্মহত্যা বিজেপি চৰকাৰৰ হেঁচাত কৰিবলৈ বাধ্য হৈছিল। দিল্লীৰ উপমুখ্যমন্ত্ৰীজনে এই চাঞ্চল্যকৰ অভিযোগ উত্থাপন কৰি আজি কয়, 'উক্ত বিষয়াজনক মোৰ বিৰুদ্ধে মিছা গোচৰ প্ৰস্তুত কৰিবলৈ হেঁচা দিয়া হৈছিল, যাতে মোক তেনে গোচৰত গ্ৰেপ্তাৰ কৰিব পাৰি। এনে পৰিস্থিতিত চিবিআইৰ বিষয়াজনে আত্মহত্যা কৰিছিল। এই কথা প্ৰকাশ কৰাৰ কাৰণে মোক আপোনালোকে শূলত দিব পাৰে। যদি আপুনি আমাক কাৰাগাৰত ভৰাব বিচাৰে, ভৰাওক। আপুনি চিবিআইক মোৰ ঘৰলৈ পঠিয়াইছিল, পুনৰ প্ৰেৰণ কৰক। মই ভয় নাখাও।'

## দেশৰ দৈনিক ক'ভিড সংক্ৰমণ ৫৯১০লৈ অৱনমিত, মৃত্যুও হ্ৰাস



**নিউজ ব্যুৰ', নতুন দিল্লী, ৫ ছেপ্টেম্বৰ ঃ** কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ৰ পৰিসংখ্যা অনুসৰি যোৱা ২৪ ঘণ্টাত দেশত ক'ভিডত ৫৯১০ জন লোক সংক্ৰমিত হ'ল। দেওবাৰে আক্ৰান্তৰ সংখ্যা আছিল ৬৮০৯ জন। কেৰালাত ১৩০৬, মহাৰাষ্ট্ৰত ১২০৫, কৰ্ণাটকত ৬০০, তামিলনাডুত ৪৭০ আৰু ৰাজস্থানত ২৮৪ জন লোক বিগত এদিনত ক'ভিড সংক্ৰমিত হ'ল। ইফালে যোৱা ২৪ ঘণ্টাত দেশত ক'ভিডত সংক্ৰমিত ১৬ জন ৰোগীৰ মৃত্যু হ'ল। কেৰালাত সাতজন, মহাৰাষ্ট্ৰত তিনিজন আৰু কৰ্ণাটকত দুজন ক'ভিড ৰোগীয়ে বিগত এদিনত প্ৰাণ হেৰুৱালে।

# পাটাছাৰকুছিত অসম জ্যেষ্ঠ নাগৰিক সন্মিলনৰ তৃতীয় দ্বি-বাৰ্ষিক অধিৱেশন



**পাটাছাৰকুছি, ৫ ছেপ্টেম্বৰ ঃ** কালি পাটাছাৰকুছিৰ প্ৰাগজ্যোতি ক্লাবৰ ভূপেন হাজৰিকা ভৱনত অসম জ্যেষ্ঠ নাগৰিক সন্মিলনৰ পাটাছাৰকুছি শাখাত তৃতীয় দ্বি-বাৰ্ষিক অধিৱেশনখন দিনজোৰা কাৰ্যসূচীৰে সম্পন্ন হয়। নিৰ্ধাৰিত কাৰ্যসূচী অনুসৰি, ৰাতিপুৱা ন বজাত পতাকা উত্তোলন কৰে শাখাৰ সভাপতি হৰেকৃষ্ণ গোস্বামীয়ে, ৯-১৫ বজাত বন্তি প্ৰজ্বলন কৰে অৱসৰপ্ৰাপ্ত শিক্ষক দেৱেশ্বৰ শৰ্মাই, ৯-৩০ বজাত স্মৃতিতৰ্পণ অনুষ্ঠানত তৰ্পক হিচাপে উপস্থিত থাকে পাটাছাৰকুছি শাখাৰ কাৰ্যকৰী সভাপতি পৰেশ চন্দ্ৰ দাস, সহযোগ মঃ কাচিম আলী, দুৰ্ল্লভ চন্দ্ৰ শৰ্মা, নাৰায়ণ চন্দ্ৰ হালৈ, বীণা দেৱী, কমলা দেৱীয়ে। ১০ বজাত বিষয় বাছনি সভা, ১১ বজাত মুকলি অধিৱেশনত সভাপতিত্বত কৰিব হৰেকৃষ্ণ গোস্বামীয়ে। স্তোত্ৰপাঠ কৰিব শশীমোহন গোস্বামীয়ে, মুকলি অধিৱেশনৰ শুভ উদ্বোধন কৰে বজালী জিলাৰ অতিৰিক্ত উপায়ুক্ত মানৱ দাসে আৰু মুখ্য অতিথিৰূপে থাকে বজালী জিলাৰ আৰক্ষী অধীক্ষক ধৰ্মেন্দ্ৰ দাসে। কালি অধিৱেশনত নতুন কাৰ্যনিৰ্বাহক সমিতি গঠন কৰা হয়। সভাপতি পৰেশ চন্দ্ৰ দাস, কাৰ্যকৰী সভাপতি দেৱেশ্বৰ শৰ্মা, উপ-সভাপতি মঃ কাচিম আলী, যুটীয়া সম্পাদক ভুৱন শৰ্মা, দূৰ্ল্লভ চন্দ্ৰ শৰ্মা, সাংগঠনিক সম্পাদক অতুল ৰয়, বিত্ত সম্পাদক ৰমেশ ৰয়, উপদেষ্টাৰূপে থাকে মুনীন্দ্ৰ নাৰায়াণ গোস্বামী, হৰেকৃষ্ণ গোস্বামী, ৰবীন শৰ্মা, ধৰণীধৰ ৰয়। উক্ত অনুষ্ঠানত মুনীন্দ্ৰ নাৰায়ণ গোস্বামী, ধৰণীধৰ ৰয়, পৰেশ চন্দ্ৰ দাসে বক্তব্য ৰাখে।

# অনুজ্ঞাপত্ৰবিহীন ব্যৱসায়ীৰ বিৰুদ্ধে কঠোৰ হ'ব বিশ্বনাথ পৌৰসভা

অগ্ৰদূত বাৰ্তা

**বিশ্বনাথ চাৰিআলি, ৫ ছেপ্টেম্বৰ ঃ** বিশ্বনাথ চাৰিআলি পৌৰসভা অঞ্চলৰ ভিতৰত একাংশ ব্যৱসায়িক প্ৰতিষ্ঠানে নিয়ম বিৰোধী কামত লিপ্ত হৈছে। পৌৰসভাৰ পৰা কোনো ধৰণৰ অনুজ্ঞাপত্ৰ অবিহনে বহু ব্যৱসায়ী প্ৰতিষ্ঠানে নিজৰ ব্যৱসায় চলাই থকাৰ লগতে বিশ্বনাথ নগৰত বহু এনে ব্যৱসায়িক প্ৰতিষ্ঠান আছে। যি ব্যৱসায়িক প্ৰতিষ্ঠানসমূহে ১০-১৫ বছৰ ধৰি তেওঁলোকৰ অনুজ্ঞাপত্ৰ নবীকৰণ কৰা নাই। ইয়াৰ লগতে বহু ব্যৱসায়িক প্ৰতিষ্ঠানে পৌৰসভাক কৰ ফাকিও দি আহিছে। সেয়েহে বিশ্বনাথ চাৰিআলি পৌৰসভাই এক সিদ্ধান্ত গ্ৰহণ কৰিবলৈ বাধ্য হৈছে তেনে ব্যৱসায়িক প্ৰতিষ্ঠানৰ বিৰুদ্ধে। অহা কাইলৈৰ পৰাই বিশ্বনাথ চাৰিআলি পৌৰসভাৰ দল বিশ্বনাথ নগৰৰ অন্তৰ্গত ব্যৱসায়িক প্ৰতিষ্ঠানৰ দোকানে দোকানে গৈ অভিযান চলাব। যিবোৰ ব্যৱসায়িক প্ৰতিষ্ঠানে কৰ ফাকি অথবা পৌৰসভাৰ অনুজ্ঞাপত্ৰ নোলোৱাকৈ ব্যৱসায়িক প্ৰতিষ্ঠান চলাই আহিছে অথবা ১০-১৫ বছৰ ধৰি তেওঁলোকৰ অনুজ্ঞা পত্ৰ নবীকৰণ কৰা নাই তেনে ব্যৱসায়িক প্ৰতিষ্ঠান হয়তো বন্ধ কৰি দিবলগীয়া পৰ্যায় হ'ব পাৰে বুলি কালি বিশ্বনাথ নগৰত বিশ্বনাথ চাৰিআলি পৌৰসভাৰ পৌৰপতিয়ে জানিব দিয়ে। সেয়েহে বিশ্বনাথ চাৰিআলি পৌৰসভাৰ পৌৰপতি অমৰজ্যোতি বৰঠাকুৰে আহ্বান জনাইছে। যিসকল ব্যৱসায়িক প্ৰতিষ্ঠানে এতিয়া পৰ্যন্ত কৰ ফাকি দিছে অথবা পৌৰসভাৰ অনুজ্ঞাপত্ৰ অবিহনে ব্যৱসায়িক প্ৰতিষ্ঠান চলাই আহিছে বা অনুজ্ঞাপত্ৰ নবীকৰণ কৰা নাই। সেইসকল ব্যৱসায়িক প্ৰতিষ্ঠানে নিজে আহি তেওঁলোকৰ ব্যৱসায়িক প্ৰতিষ্ঠানৰ এই নথিপত্ৰসমূহ ঠিক কৰি লওক। অন্যথা বিশ্বনাথ চাৰিআলি পৌৰসভাই তেনে ব্যৱসায়িক প্ৰতিষ্ঠানৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰিবলৈ বাধ্য হ'ব বুলি জানিবলৈ দিয়ে।

# জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ লীলাবাৰী শাখা সমিতি গঠন



অগ্ৰদূত বাৰ্তা

**লখিমপুৰ, ৫ ছেপ্টেম্বৰ ঃ** জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ উত্তৰ লখিমপুৰ আঞ্চলিক সমিতিৰ অন্তৰ্গত লীলাবাৰী শাখা সমিতিখন কালি পূৰ্ণাংগ ৰূপত গঠন কৰা হয়। সেই উদ্দেশ্য লীলাবাৰীস্থিত নতুন নপাম প্ৰাথমিক বিদ্যালয়ত পৰিষদৰ এখন প্ৰতিনিধি সভা অনুষ্ঠিত হয়। উক্ত সভাত সভাপতিত্ব কৰে লখিমপুৰ আঞ্চলিক সমিতিৰ সভাপতি বেদান্ত বৰাই। উল্লেখ্য যে সভাত প্ৰস্তাৱ মৰ্মে লীলাবাৰী শাখা সমিতিখনৰ সভাপতিৰূপে নিৰঞ্জন চেতিয়া আৰু সাধাৰণ সম্পাদকৰূপে মানস চুতীয়াক লৈ এখন ৩৭ জনীয়া শক্তিশালী সমিতি গঠন কৰা হয়।অনুষ্ঠানত উত্তৰ লখিমপুৰ আঞ্চলিক সমিতিৰ সাধাৰণ সম্পাদক বিমলা দাস, উত্তৰ লখিমপুৰ আঞ্চলিক সমিতিৰ উপদেষ্টা তথা লখিমপুৰ জিলা সমিতিৰ যুটীয়া সম্পাদক দিগন্ত ভূএগ, উত্তৰ লখিমপুৰ আঞ্চলিক সমিতিৰ যুটীয়া সম্পাদক মঞ্জিল হাজৰিকা, উত্তৰ লখিমপুৰ আঞ্চলিক সাংগঠনিক সম্পাদক ক্ৰমে চম্পক গগৈ, কীৰ্তিকান্ত গগৈ, ছাদ্দাম হুছেইন আৰু ক্ৰীড়া সম্পাদক আতিকুল ইছলামৰ লগতে লীলাবাৰী অঞ্চলৰ কে'বাজনো গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।

# বিশ্বনাথৰ তিনিসুঁতিৰ নেফা তিনিআলিত উদ্‌যাপন তীজ সমাৰোহ

অগ্ৰদূত বাৰ্তা

**বিশ্বনাথ চাৰিআলি, ৫ ছেপ্টেম্বৰ ঃ** বিশ্বনাথৰ তিনিসুঁতিৰ নেফা তিনিআলিত তীজ সমাৰোহ। ধৰ্মীয়-সাংস্কৃতিক হিচাপে গোৰ্খা সম্প্ৰদায়ৰ মহিলাসকলে অনাদিকালৰ পৰা পালন কৰা তীজ উৎসৱৰ লগত সংগতি ৰাখি তিনিসুঁতি মহিলা কীৰ্তন সংঘৰ উদ্যোগত কালি দিনজোৰা কাৰ্যসূচীৰ প্ৰথম সংখ্যক তীজ সমাৰোহ পালন কৰা হয়। পদযাত্ৰাৰে আৰম্ভ হোৱা এই অনুষ্ঠানত পুৱা পতাকা উত্তোলন কৰে উদ্‌যাপন সমিতিৰ সভাপতিয়ে। অনুষ্ঠানত মুখ্য বক্তাৰূপে উপস্থিত থাকি বিশিষ্ট সাহিত্যিক, গৱেষক, সাহিত্য একাডেমীৰ উপদেষ্টা মণ্ডলীৰ সদস্য ড° খেমৰাজ নেপালে গোৰ্খা সম্প্ৰদায়ে পালন কৰা উৎসৱসমূহৰ লগতে তীজৰ বিষয়ে উল্লেখ কৰি তীজ পালনৰ তাৎপৰ্য আৰু তীজৰ লগত জড়িত লোক সংস্কৃতিৰ বিষয়ে বিস্তৃত বৰ্ণনা কৰি বক্তব্য ৰাখে। বিহালী মহাবিদ্যালয়ৰ প্ৰৱক্তা তাৰা দেৱী, বিশ্বনাথ জিলা আগছুৰ উপদেষ্টা আদি কৰি বহুকেইজন বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰা এই অনুষ্ঠানৰ আৰম্ভণিত স্থানীয় শিল্পীসকলে সামূহিক গীত পৰিৱেশন কৰে আৰু সংগীনী, মাৰুনী আদি লোকনৃত্য পৰিৱেশন কৰাৰ লগতে কণ্ঠশিল্পীসকলে লোকগীত, আধুনিক গীত পৰিৱেশন কৰে।

# কলাইগাঁৱত ১১ দিনীয়া ৰাস মহোৎসৱৰ উদ্‌যাপন সমিতি গঠন

অগ্ৰদূত বাৰ্তা

**কলাইগাঁও, ৫ ছেপ্টেম্বৰ ঃ** কলাইগাঁৱত প্ৰতি বছৰৰ দৰে এইবেলিও ৩৮ সংখ্যক শ্ৰীশ্ৰীকৃষ্ণৰ ৰাস মহোৎসৱ উদ্‌যাপন কৰিবলৈ ইতিমধ্যে প্ৰস্তুতি আৰম্ভ কৰিছে। সেই অনুসৰি কলাইগাঁৱৰ গাঁওৰক্ষী বাহিনীৰ কাৰ্যালয় প্ৰাংগণত এখন ৰাজহুৱা সভা অনুষ্ঠিত কৰা হয়। কলাইগাঁও ৰাস মহোৎসৱৰ স্থানীয় সমিতিৰ সম্পাদক বিনয় কুমাৰ নাথে সভাৰ উদ্দেশ্য ব্যাখ্যা কৰা সভাত সভাপতিত্ব কৰে স্থায়ী সমিতিৰ উপ-সভাপতি লোহিত চন্দ্ৰ নাথে। আনহাতে, কলাইগাঁৱত সমাগত আঠৰ পৰা ১৯ নৱেম্বৰলৈ অনুষ্ঠিত হ'বলগীয়া শ্ৰীশ্ৰীকৃষ্ণৰ ৰাস মহোৎসৱ উদ্‌যাপন কৰিবলৈ সভাত সৰ্বসন্মতি ক্ৰমে বিটিআৰৰ কাৰ্যবাহী সদস্য দিগন্ত বৰুৱাক সভাপতি, কৰুণা বড়াক কাৰ্যকৰী সভাপতি আৰু অৰূপজ্যোতি শৰণীয়াক সাধাৰণ সম্পাদকৰূপে নিৰ্বাচিত ৫১ জনীয়া সমিতি এখন গঠন কৰা হয়। আনহাতে, মূল সমিতিৰ সহযোগী হিচাপে ১৬ খন বিভিন্ন ক্ষেত্ৰৰ উপ-সমিতিও গঠন কৰা হয়।

# ভাৰত স্কাউট-গাইডছৰ দৰং জিলা সমিতিৰ সাধাৰণ সভা

অগ্ৰদূত বাৰ্তা

**ছিপাঝাৰ, ৫ ছেপ্টেম্বৰ ঃ** ভাৰত স্কাউটছ এণ্ড গাইডছ অসম আৰু দৰং জিলা সন্থাৰ উদ্যোগত আৰু ছিপাঝাৰ উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়ৰ সহযোগত কালি দিনজোৰা কাৰ্যসূচীৰে সাধাৰণ সভা অনুষ্ঠিত হয়। পুৱা ১০ বজাত স্কাউট-গাইডছৰ পতাকা উত্তোলন কৰে দৰং জিলা সমিতিৰ উপ-সভাপতি পৃথুৰাম বৰুৱাই। ১০.৩০ বজাত ছিপাঝাৰ উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়ৰ ২২ জন ছাত্ৰক স্কাউটছৰ দীক্ষা প্ৰদান কৰে। দিনৰ ১২.৩০ বজাৰ পৰা আৰম্ভ হোৱা সাধাৰণ সভাত সভাপতিত্ব কৰে ৰাজ্যিক কৃতী শিক্ষক বঁটা প্ৰাপক অৱসৰপ্ৰাপ্ত শিক্ষক তথা দৰং জিলা স্কাউটছ এণ্ড গাইডছ সন্থাৰ উপ-সভাপতি পৃথুৰাম বৰুৱাই। সভাখন উদ্বোধন কৰে দৰং জিলাৰ সহকাৰী আয়ুক্ত তথা দৰং জিলা বিদ্যালয়সমূহৰ বিষয়া ৰিণি হাজৰিকাই। সভাত ভাৰত স্কাউটচ এণ্ড গাইডচৰ ৰাজ্যিক পৰ্যবেক্ষক হিচাপে উপস্থিত থাকে মাধৱ শৰ্মা আৰু দিলীপ শৰ্মা। সভাত জিলা উপায়ুক্তক সভাপতি, দৰং জিলা বিদ্যালয়সমূহৰ পৰিদৰ্শক জিলা মুখ্য আয়ুক্ত, সন্থাৰ বিদায়ী সম্পাদক ভৈৰৱ কুমাৰ, আদিত্য চন্দ্ৰ বৰুৱা আৰু পৃথুৰাম বৰুৱাক উপ-সভাপতি, স্কাউট মাষ্টৰ আমিনুল ইছলামক সম্পাদক হিচাপে লৈ সন্থাৰ দৰং জিলা সমিতিখন নতুনকৈ গঠন কৰা হয়। সভাত জিলাৰ প্ৰাক্তন সম্পাদকদ্বয় ক্ৰমে জীতেন ভাগৱতী, জীতেন্দ্ৰ নাৰায়ণ বৰুৱা, স্কাউট মাষ্টৰ শিশিৰ শৰ্মা আদিয়ে বক্তব্য আগবঢ়ায়।

# কঠীয়াতলি মৌজাৰ বহু গাঁৱত নাই গাঁওবুঢ়া

## ■ দৰকাৰী কামৰ বাবে গাঁওবুঢ়া বিচাৰি হাহাকাৰ গঞাৰ

অগ্ৰদূত বাৰ্তা

**পুৰণিগুদাম, ৫ ছেপ্টেম্বৰ ঃ** নগাঁও জিলাৰ কঠীয়াতলি মৌজাৰ কে'বাগৰাকী গাঁওবুঢ়াক অসম চৰকাৰৰ নিৰ্দেশ মৰ্মে ৬০ বছৰ পূৰ্ণ হোৱাৰ কাৰণে অৱসৰ প্ৰদান কৰাৰ ফলত প্ৰায় ১৫খন গাঁৱৰ ৰাইজ বহু সমস্যাৰ সন্মুখীন হোৱা পৰিলক্ষিত হৈছে। সেইসকলৰ ভিতৰত প্ৰাণগোপাল কোঁৱৰে নিজকঠীয়াতলি, ৰাঙলু গাঁও, শগুনবাহী গাঁও, শগুনবাহী গ্ৰাণ্ট, হায়াগ্ৰাণ্ট আৰু বিলমাটি বাগিচা, জীৱন বৰদলৈৰ দায়িত্বত আছিল জুমৰমুৰ আৰু মহগড়, ভোগেশ্বৰ শইকীয়াৰ দায়িত্বত আছিল টুবুকীগ্ৰাণ্ট, পূব কাৰৈমাৰী আৰু পশ্চিম কাৰৈমাৰী, কালীৰাম পাটাইল ৰেংবেং আৰু সৰু পথাৰ। যোৱা মে'ত তেওঁলোক অৱসৰ প্ৰদান কৰাৰ পাছত অস্থায়ীভাৱে কাম-কাজ চলাই যাবলৈ দায়িত্ব প্ৰদান কৰা হৈছে নামবৰ লালুং গাঁৱৰ গাঁওবুঢ়া চিৰন্তন বৰদলৈ আৰু দুই নম্বৰ কছাৰী গাঁৱৰ (বাখ্ৰা গাঁও) গাঁওবুঢ়াজনক। প্ৰশ্ন হয় এইসকল গাঁওবুঢ়াই নিজৰ গাঁওসমূহৰ বাদেও আন গাঁৱৰ অচিনাকি মানুহবোৰৰ কাম কৰাত অসুবিধা ভোগ কৰাৰ লগতে ভুক্তভোগী গাঁওসমূহৰ লোকসকলে দূৰণিৰ গাঁওবুঢ়াসকলক বিচাৰি পোৱাত অধিক জটিলতা আহি পৰিছে। ভুক্তভোগী গাঁওসমূহৰ ৰাইজে নগাঁও জিলাৰ উপায়ুক্ত আৰু অসম চৰকাৰৰ ৰাজহ বিভাগক অতি সোনকালে গাঁওবুঢ়া নিযুক্তি দিয়াৰ বাবে দাবী জনাইছে।



*ৰ'দালি প্ৰকাশনৰ বৰ্ষপূৰ্তি অনুষ্ঠানত কবি নীলিম কুমাৰসহ বিশিষ্ট ব্যক্তিসকল।*

# তামাৰহাটত জটিল ৰোগত আক্ৰান্ত কণমানি

## অসহায় পিতৃ-মাতৃয়ে চিকিৎসা কৰিব নোৱাৰি টুকিছে চকুলো

**তামাৰহাট, ৫ ছেপ্টেম্বৰ ঃ** গোসাঁইগাঁও বিধানসভা সমষ্টিৰ অন্তৰ্গত তামাৰহাটৰ নিকটৱৰ্তী শগুনচৰা গাঁৱৰ নিবাসী দীপক চন্দ্ৰ ৰায় আৰু সুখলতা ৰায়ৰ জ্যেষ্ঠ কন্যা দিতি লতা ৰায় জটিল ৰোগত আক্ৰান্ত হৈ দৃষ্টিশক্তি হেৰুৱাই বিছনাতে কটাবলগীয়া হৈছে। পৃথিৱীত ভৰি দিয়াৰ তিনি মাহ পাছতে কোনো ৰোগত আক্ৰান্ত হৈ দৃষ্টিশক্তি হেৰুৱায় কণমানি শিশুটোৱে। বৰ্তমান সাত বছৰীয়া কণমানিজনীৰ লগৰীয়াৰ পৰিৱৰ্তে এতিয়া বিছনাখনে সংগী হৈ পৰিছে। মাতৃয়ে বহুৱাই ৰখা ঠাইখনে অন্তিম ভৰষা হৈ পৰিছে। পখিলা খেদাৰ বয়সত জটিল ৰোগত আক্ৰান্ত হৈ দৃষ্টিশক্তি হেৰুওৱা ঘটনাই সকলোকে আবেগবিহ্বল কৰি তুলিছে। এতিয়া দৃষ্টিহীন কন্যাক লৈ বিপদত পৰিছে পিতৃ-মাতৃ। শিশুটিক এৰি কামত যাব নোৱাৰে পিতৃ-মাতৃয়ে। আনৰ ঘৰত দিন হাজিৰা কৰি কোনোমতে জীৱন নিৰ্বাহ কৰা পৰিয়ালটোৱে পূৰ্বে সকলো বিক্ৰী কৰি বিভিন্ন ঠাইত চিকিৎসা কৰিছে যদিও ধনৰ অভাৱত উপযুক্ত চিকিৎসা কৰিব নোৱাৰাৰ ফলত সফল হ'ব পৰা নাছিল। এতিয়া অস্ত্ৰোপচাৰৰ বাবে ধনৰ প্ৰয়োজন হোৱাত উপায়হীন হৈছে। ধনৰ অভাৱত চিকিৎসা কৰিব নোৱাৰি দিশহাৰা হৈ পৰিছে। ফুল কুমলীয়া শিশুটোৰ চিকিৎসা কৰিবলৈ এতিয়া ৰাইজৰ সহায় বিচাৰিছে দুৰ্ভগীয়া পিতৃ-মাতৃয়ে। সহায় বিচাৰিছে মুখ্যমন্ত্ৰীৰো। কোনোবাই সহায় কৰিব বিচাৰিলে ৮৮১২৮০৭৪০৩ নম্বৰত যোগাযোগ কৰাৰ লগতে বেংক একাউণ্ট নম্বৰ ৩৪৭৭৫৮৪১৮৫৮, আইএফএছচি ক'ড- এছবিআইএন০০০৭৯৬ নম্বৰত আৰ্থিক সহায় কৰিব পাৰিব। অতিকৈ দৰিদ্ৰ পৰিয়ালটোৰ এই গৰাকী দৃষ্টিহীন শিশুৰ বাবে আজিকোপতি লাভ নকৰিলে চৰকাৰী কোনো সুবিধা। পৰিয়ালটোৰ বাবে নাই এখন ৰেছন কাৰ্ড, নাই চৰকাৰী শৌচাগাৰ, নাই এটা চৰকাৰী ঘৰ। দৰিদ্ৰ পৰিয়ালৰ বাবে চৰকাৰে বিভিন্ন আঁচনি প্ৰস্তুত কৰিছে যদিও কোনো এখন আঁচনি স্পৰ্শ কৰিব পৰা নাই এই পৰিয়ালটোক। গাঁৱৰ সদস্যজনৰ দুৱাৰে দুৱাৰে গৈ ভাগৰি পৰিছে চৰকাৰী আঁচনিৰ সুবিধা বিচাৰি। এই অভিযোগ অসহায় মাতৃ সুখলতা ৰায়ৰ।

# বিশ্বনাথৰ ননকে জাপৰিগুৰিৰ কিশোৰ নিৰুদ্দেশ

অগ্ৰদূত বাৰ্তা

**বিশ্বনাথ চাৰিআলি, ৫ ছেপ্টেম্বৰ ঃ** চাইফুল ইছলাম নামৰ বিশ্বনাথৰ ননকে জাপৰিগুৰিৰ কিশোৰজন বিগত মাহত কৰ্ম সূত্ৰে লগৰ বন্ধু কেইজনমানৰ স'তে গহপুৰ হাৰাজানত গৈছিল। পৰৱৰ্তী সময়ত লগৰ বন্ধু কেইজনৰ স'তে কাজিয়াৰ সৃষ্টি হোৱাত কামত লগোৱা ঠিকাদাৰজনে ২৮ আগষ্টত চাইফুল ইছলামসহ বন্ধু এজনক ঘৰলৈ পঠাই দিয়ে । কিন্তু চাইফুলৰ বন্ধুজন ঘৰ আহি পায় যদিও ঘৰলৈ অহা দিনটোৰ পৰা চাইফুল নিৰুদ্দেশ হৈ আছে। যাৰ বাবে পৰিয়ালবৰ্গ তথা অভিভাৱক চিন্তিত হৈ অৱশেষত কাষ চাপে হাৰাজান আৰক্ষীৰ আৰু তাৰ পাছত প্ৰাথমিক তদন্তত হাৰাজান আৰক্ষীয়ে ঠিকাদাৰ চৈবুৰ আলীক আটক কৰে যদিও এই পৰ্যন্ত ১৭-১৮ বছৰ বয়সীয়া চাইফুল নিৰুদ্দেশ হৈ আছে । ইতিমধ্যে নিৰুদ্দেশ হৈ থকা চাইফুলৰ পৰিয়াল বৰ্গই চাইফুলৰ কোনো সম্ভেদ পালে ৭৮৯৬৭০১৮২১ নম্বৰত যোগাযোগ কৰিবলৈ অনুৰোধ জনাইছে।

# দেৰগাঁৱত সুধাকণ্ঠৰ ওপজা দিন উদ্‌যাপনৰ প্ৰস্তুতি

**দেৰগাঁও, ৫ ছেপ্টেম্বৰ ঃ** সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ ওপজা দিনটো দেৰগাঁৱৰ একাংশ শিল্পী, সাংস্কৃতিক কৰ্মীৰ সহযোগত ২০০৭ৰ পৰা নৰেন শৰ্মা স্মৃতি পথাৰৰ সমীপত বিভিন্ন কাৰ্যসূচীৰে উদ্‌যাপন কৰি অহা হৈছে। সুধাকণ্ঠৰ একান্ত অনুৰাগী, অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ প্ৰশান্ত প্ৰদীপ হাজৰিকাৰ বিশেষ উদ্যোগ আৰু দেৰগঞা শিল্পীসকলৰ সহযোগত এইবাৰো আঠ ছেপ্টেম্বৰত সুধাকণ্ঠৰ ওপজা দিন উদ্‌যাপনৰ আয়োজন কৰা হৈছে। সুধাকণ্ঠৰ গীত-নৃত্যৰে জীপাল কৰি নৰেন শৰ্মা স্মৃতিপথাৰৰ প্ৰাংগণত সন্ধিয়া ৬-৩০ বজাৰ পৰা অনুষ্ঠিতব্য ষষ্ঠ বাৰ্ষিক ওপজা দিন অনুষ্ঠানত ৰাইজৰ উপস্থিতি আৰু সহযোগিতা কামনা কৰিছে আয়োজকসকলে।

# ধুবুৰীত গণেশ মূৰ্তিৰ বিসৰ্জন

**ধুবুৰী, ৫ ছেপ্টেম্বৰ ঃ** সমগ্ৰ অসমৰ লগতে ধুবুৰীতো উলহ-মালহেৰে গণেশ চতুৰ্থী পূজা সম্পন্ন কৰি আজি চহৰখনৰ বিভিন্ন অঞ্চলেৰে সমদল উলিয়াই গণেশৰ মূৰ্তি ব্ৰহ্মপুত্ৰ নৈত বিসৰ্জন দিয়ে। উল্লেখ্য যে বিগত দুটা বছৰে ক'ভিড-১৯ৰ বাবে অনুষ্টুপীয়াকৈ অনুষ্ঠিত হৈছিল গণেশ চতুৰ্থী পূজা। এইবেলি ক'ভিডৰ সংক্ৰমণ হ্ৰাস পোৱাত ভক্তপ্ৰাণ ৰাইজে উলহ-মালহেৰে গণেশ চতুৰ্থী পূজা উদ্‌যাপন কৰে।

# নগাহাটত সন্ধানহীন সপ্তম শ্ৰেণীৰ ছাত্ৰী

## আৰক্ষীক শীঘ্ৰে উদ্ধাৰৰ আহ্বান পিতৃ-মাতৃৰ

বিশেষ সংবাদদাতা

**নগাবাট, ৫ ছেপ্টেম্বৰ ঃ** তিতাবৰ মহকুমাৰ নগাবাট অভয়াপুৰীয়া গাঁৱৰ এগৰাকী সপ্তম শ্ৰেণীৰ ছাত্ৰী তিনিদিন ধৰি সন্ধানহীন হৈ থকা ঘটনাই অঞ্চলটোত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। তথ্য মতে, নগাবাটৰ শংকৰ মাধৱ উচ্চ মাধ্যমিক বিদ্যালয়ৰ সপ্তম শ্ৰেণীৰ ছাত্ৰী শিল্পা হাজৰিকা দুই ছেপ্তেম্বৰত পুৱা বিদ্যালয়লৈ বুলি ওলাই অহাৰ পাছৰে পৰা সন্ধানহীন হৈ আছে। আবেলি বিদ্যালয়ৰ পৰা ঘূৰি নহা দেখি ছাত্ৰীগৰাকীৰ পিতৃ কেশৱ হাজৰিকা আৰু মাতৃ নয়নমণি হাজৰিকাই বিচাৰ-খোচাৰ কৰিছিল যদিও শিল্পাৰ কোনো সন্ধান লাভ নকৰিলে। নগাবাটৰ এখন দোকানৰ সন্মুখত উদ্ধাৰ হয় ছাত্ৰীগৰাকীয়ে বিদ্যালয়লৈ লৈ অহা চাইকেলখন। ঘটনা সন্দৰ্ভত পানীখেতি আৰক্ষী চকীত পৰিয়ালে এজাহাৰ দাখিল কৰিছে যদিও এইপৰ্যন্ত কোনো শুংসূত্ৰ উলিয়াবলৈ সক্ষম হোৱা নাই আৰক্ষী। ইফালে, ১৩ বছৰীয়া শিল্পাক বিচাৰি বৰ্তমান পিতৃ-মাতৃ দুখত ভাগি পৰিছে। শিল্পাক শীঘ্ৰে উদ্ধাৰৰ বাবে আৰক্ষী প্ৰশাসনৰ সহায়ৰ আহ্বান জনাইছে পিতৃ-মাতৃয়ে।

# জ্ঞানপীঠ ডিগ্ৰী কলেজৰ প্ৰাক্তন শিক্ষাৰ্থী সন্মিলন সম্পন্ন



অগ্ৰদূত বাৰ্তা

**মুছলপুৰ, ৫ ছেপ্টেম্বৰ ঃ** বাগ্‌সা জিলাৰ নিকাছিত ১৯৯৩ত স্থাপিত উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান জ্ঞানপীঠ ডিগ্ৰী কলেজৰ প্ৰাক্তন শিক্ষাৰ্থী সন্মিলনখন কালি দিনজোৰা কাৰ্যসূচীৰে সম্পন্ন হয়। সন্মিলন উপলক্ষে পুৱা পতাকা উত্তোলন কৰে মুছলপুৰ ডিগ্ৰী কলেজৰ অধ্যক্ষ ড° প্ৰিয়নাথ বসুমতাৰীয়ে। ইয়াৰ পাছত স্থাপনৰ পৰা আজিলৈ পঢ়ি থকা ছাত্ৰ আৰ এল ছাত্ৰীৰ মাজত অন্তৰংগ আলাপ অনুষ্ঠিত হয় এই অন্তৰংগ আলাপ সঞ্চালনা কৰে শিক্ষক ক্ৰমে চান্দগ্য কলিতা আৰু পাৰশ পৰাজুলিয়ে। দুপৰীয়াৰে পৰা মুকলি সভা অনুষ্ঠিত হয়। প্ৰাক্তন ছাত্ৰ তথা বৰ্তমান মুছলপুৰ ডিগ্ৰী কলেজৰ অধ্যক্ষ ড° প্ৰিয়নাথ বসুমতাৰীৰ পৌৰোহিত্যত অনুষ্ঠিত এই মুকলি সভাত নিৰ্দিষ্ট বক্তাৰূপে সৰুপেটা বিএছবি কলেজৰ অধ্যাপক ড° নমিতা দাস গুৰুং- এ কয় যে জ্ঞানপীঠ মহাবিদ্যালয়ত পঢ়ি যোৱা ছাত্ৰ-ছাত্ৰীসকলক একগোট কৰাৰ কৌশলটো হ'ল আজিৰ এই প্ৰাক্তন শিক্ষাৰ্থী সন্মিলন। প্ৰাক্তন শিক্ষাৰ্থীসকলে আজি বিভিন্ন ক্ষেত্ৰত সংস্থাপিত হৈছে যদিও শিক্ষাৰ স্নাতক পৰ্যায়ৰ এই শিক্ষানুষ্ঠানখন কোনেও পাহৰিব নালাগে। প্ৰাক্তন শিক্ষাৰ্থীসকলে একগোট হৈ কলেজখনৰ উত্তোৰণত সহযোগ কৰিব লাগে। সভাত মুখ্য অতিথিৰূপে অংশ লৈ প্ৰাক্তন ছাত্ৰ তথা অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক তৰুণ চন্দ্ৰ শৰ্মাই কয় আজিৰ এই অনুষ্ঠানে প্ৰাক্তন শিক্ষাৰ্থীসকলৰ মাজত এটা সমন্বয় আনিলে আৰু এই সমন্বয় দীৰ্ঘদিনীয়া হ'লে ভাল। আজি সমাজৰ পৰা সমন্বয়, সম্প্ৰীতি, পাৰস্পৰিক সহযোগ আদি শব্দবোৰ লাহে লাহে যেন আঁতৰি যাব ধৰিছে। সমাজৰ সকলোৰে বাবে এয়া অশুভ ইংগিত। আমি এজনে আনজনৰ স'তে মিলিজুলি থকাৰ চেষ্টা কৰাটোহে উত্তম। এই সভাতে মুখপত্ৰ 'জ্ঞানপীঠিয়ান' উন্মোচন কৰে জ্ঞানপীঠ ডিগ্ৰী কলেজৰ বৰ্তমানৰ অধ্যক্ষ ড° গুণজিৎ পাঠকে। মুখপত্ৰখনৰ জৰিয়তে অঞ্চলটোৰ আৰ্থসামাজিক তথা শৈক্ষিক প্ৰতিচ্ছবি দাঙি ধৰিছে বুলি তেওঁ প্ৰকাশ কৰে। সভাৰ পূৰ্বে বন্তি প্ৰজ্বলন কৰে কলেজখনৰ অধ্যাপক তথা প্ৰাক্তন শিক্ষাৰ্থী সন্মিলনৰ সমন্বয়ক ড° অনুপম কলিতাই। প্ৰাক্তন শিক্ষাৰ্থী সন্মিলনৰ সম্পাদিকা ড° হিমানী হালৈয়ে আঁত ধৰা মুকলি সভাখন আনুষ্ঠানিকভাৱে মুকলি কৰে সন্মিলনৰ কাৰ্যকৰী সভাপতি পংকজ দাসে।

# ঘগ্ৰাপাৰৰ কঞাকুছি বলপুখুৰীপাৰ ধৰ্মালোচনী সভাৰ হীৰক জয়ন্তী বৰ্ষৰ সমিতি গঠন



অগ্ৰদূত বাৰ্তা

**ঘগ্ৰাপাৰ, ৫ ছেপ্টেম্বৰ ঃ** নলবাৰী জিলাৰ ঘগ্ৰাপাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত ঐতিহ্যমণ্ডিত কঞাকুছি বলপুখুৰীপাৰ ধৰ্মালোচনী সভাই এইবেলি হীৰক জয়ন্তী বৰ্ষত ভৰি দিছে। এই সভা প্ৰতি বছৰে ২৫ জানুৱাৰীৰ পৰা আৰম্ভ কৰা হয়। বিগত দুই বছৰ ধৰি ক'ভিডৰ বাবে সভা অনুষ্ঠিত কৰিব পৰা হোৱা নাছিল। এই উপলক্ষে পুৱা ১১ বজাত কঞাকুছি প্ৰাথমিক বিদ্যালয়ত কেশৱ কলিতাৰ সভাপতিত্বত অঞ্চলটোৰ কে'বাখনো গাঁৱৰ বিশিষ্ট ব্যক্তিসকলৰ উপস্থিতিত এখন সাধাৰণ সভা অনুষ্ঠিত কৰা হয়। সভাত আগন্তুক ধৰ্মালোচনী সভা অনুষ্ঠিত কৰাৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰি এখন কাৰ্যকৰী কমিটী গঠন কৰা হয়। সেই মৰ্মে সমাজকৰ্মী ডিম্বেশ্বৰ বেজবৰুৱাক সভাপতি, কেশৱ কলিতাক কাৰ্যকৰী সভাপতি, উপ-সভাপতি মহেশ বৰ্মা, দেবেন শৰ্মা, দ্বীপেন কলিতা, মুখ্য সম্পাদক জয়ন্ত কলিতা, সম্পাদক ভৱেশ কলিতা, নীলোৎপল কলিতা, সহকাৰী সম্পাদক বুবুল দাস, প্ৰিয়ম দাস, চিন্ময় কলিতা, কোষাধ্যক্ষ কনক কলিতাক লৈ এখন কমিটী গঠন কৰা হয়। লগতে শ্ৰীধৰ বেজবৰুৱাক সভাপতি, দীপক কুমাৰ দাসক উপ-সভাপতি, পুলেন মজুমদাৰক সম্পাদক, দিগন্ত নাৰায়ণ কোঁৱৰক সহকাৰী সম্পাদকৰূপে লৈ এখন স্মৃতিগ্ৰন্থ উপ-সমিতি গঠন কৰা হয়। আজিৰ সভাত অতিথিৰূপে অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক তাৰা প্ৰসন্ন মেধি, সমাজ সেৱক দক্ষ বৰ্মন, বিষ্ণুজ্যোতি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ প্ৰদীপ কুমাৰ দাস, খগেন কলিতা, ড° যাদৱ কলিতা (প্ৰাক্তন সভাপতি, সম্পাদক ৰূপালী জয়ন্তী বৰ্ষ), গৌৰী দাস জীৱন বীমা নিগমৰ বিষয়া (শিৱসাগৰ) আদিয়ে সভাৰ সফলতাৰ উদ্দেশ্যে ভাষণ প্ৰদান কৰে। সভাত কে'বাটাও গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গৃহীত কৰা হয়।

# মাতৃভাষাৰ বিদ্যালয়ৰ আন্তঃগাঁথনি উন্নয়নৰ লগতে প্ৰাক-প্ৰাথমিক শ্ৰেণী আৰম্ভ কৰক

অগ্ৰদূত বাৰ্তা

**নদুৱাৰ, ৫ ছেপ্টেম্বৰ ঃ** 'মাতৃভাষাৰ বিদ্যালয়সমূহৰ আন্তঃগাঁথনি উন্নয়ন কৰক। চৰকাৰে মাতৃভাষাৰ প্ৰাক-প্ৰাথমিক বিদ্যালয় খোলক। আকৰ্ষণীয় ৰূপত মাতৃভাষাৰ বিদ্যালয়সমূহ গঢ়ি তোলক। 'নাক'ৰ লেখীয়াকৈ বিদ্যালয়সমূহৰ মূল্যায়নৰ ব্যৱস্থা কৰক। মহাবিদ্যালয়সমূহতো নতুন নতুন বিভাগ খুলি পৰ্যাপ্ত শিক্ষক নিযুক্তি দিব লাগে। সেইবোৰত চৰকাৰৰ যিমান টকাৰ প্ৰয়োজন দিব লাগে।' এই মন্তব্য সদৌ অসম ছাত্ৰ সন্থাৰ মুখ্য উপদেষ্টা ড° সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্যৰ। আজি শোণিতপুৰ জিলাৰ জামুগুৰিহাটৰ বাপুজী ভৱনত সদৌ জামুগুৰিহাট ছাত্ৰ সন্থাৰ উদ্যোগত অনুষ্ঠিত এক অভিনন্দন অনুষ্ঠানত মুখ্য অতিথিৰ আসন অলংকৃত কৰি আছুৰ উপদেষ্টাজনে আৰু কয়, 'ধনৰ অভাৱত যিসকল মেধাৱী ছাত্ৰ-ছাত্ৰীয়ে বাহিৰত পঢ়িবলৈ যাব নোৱাৰে সেইসকলৰ ওচৰত আমি সাৰথি হিচাপে থিয় হ'ম। আমি সহায় কৰিম। সকলো ছাত্ৰ-ছাত্ৰীয়ে যাতে ভাল শিক্ষা পায় আৰু

## ■ জামুগুৰিহাটত পাঁচ শতাধিক কৃতী ছাত্ৰ-ছাত্ৰীক অভিনন্দন ছাত্ৰ সন্থাৰ



উপযুক্ত সংস্থাপন লাভ কৰে। উপযুক্ত শিক্ষা আৰু সংস্থাপনৰ বাবে ৰজাঘৰে ব্যৱস্থা কৰিব লাগিব। নতুন শিক্ষানীতিৰ বেয়াবোৰ ল'ব নালাগে আৰু ভালবোৰ ল'ব লাগে।' মহাবিদ্যালয়সমূহত ছয় মাহত পৰীক্ষা পাতি ফলাফলৰ ব্যৱস্থা কৰিব লাগে বুলিও মন্তব্য কৰে উপদেষ্টাজনে। জামুগুৰিহাটস্থিত ত্যাগবীৰ হেম বৰুৱা মহাবিদ্যালয়ত স্নাতকোত্তৰ শ্ৰেণীৰ ব্যৱস্থা কৰাৰ লগতে এখন আইটিআই স্কুল খোলাৰ লগতে এখন স্কিল ইনষ্টিটিউট স্থাপনৰো দাবী তোলাৰ লগতে অসমত আইএছআৰৰ দৰে প্ৰতিষ্ঠান আৰু নদী গৱেষণা নামৰ এটা প্ৰতিষ্ঠান খোলাৰো চৰকাৰক দাবী জনায় আছুৰ উপদেষ্টা ভট্টাচাৰ্যই। শোণিতপুৰ জিলা ছাত্ৰ সন্থাৰ সভাপতি অভিজিৎ নাথৰ সভাপতিত্বত আৰু দেৱ দীপাংকৰ শইকীয়াই আঁতধৰা সভাত বৃহত্তৰ নদুৱাৰৰ বিভিন্ন বিদ্যালয়ৰ পৰা হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত কৃতিত্বৰে উত্তীৰ্ণ পাঁচ শতাধিক ছাত্ৰ-ছাত্ৰীক গামোচা, সম্বৰ্ধনা পত্ৰৰে অভিনন্দন জ্ঞাপন কৰা হয়। অভিনন্দন অনুষ্ঠানত আদৰণি ভাষণ আগবঢ়াই ত্যাগবীৰ হেম বৰুৱা মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক তথা অসম কলেজ শিক্ষক সন্থাৰ সম্পাদক ড° জয়ন্ত বৰুৱাই। সভাত আছুৰ কেন্দ্ৰীয় কমিটীৰ কে'বাজনো বিষয়ববীয়া প্ৰমুখ্যে উন্নতি সভা আৰু অসম সেনাৰ সদস্যসকল উপস্থিত থাকে।

# বোকা-পানীৰ মাজতে চলিছে হোজাই পৌৰসভাৰ নলা নিৰ্মাণ



*নলবাৰীৰ বিদ্যালয়ত শিক্ষক দিৱস উদ্‌যাপন, সোমবাৰে।*

## জিলা উপায়ুক্তৰ হস্তক্ষেপ দাবী স্থানীয় ৰাইজৰ

**অগ্ৰদূত বাৰ্তা**

**হোজাই, ৫ ছেপ্টেম্বৰ ঃ** হোজাই পৌৰসভাৰ অধীনস্থ বিষ্ণুপল্লী ১৮ নম্বৰ ৱাৰ্ডত পকা পথত সংযোগী এটা কালভাৰ্ট নিৰ্মাণৰ কাম বোকা-পানীৰ মাজতে চলি থকাত স্থানীয় ৰাইজৰ মাজত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। স্থানীয় ৰাইজৰ পৰা জানিব পৰা মতে ১০ দিন পূৰ্বে কালভাৰ্টটো পৌৰকৰ্তৃপক্ষই ভাঙি পুনৰ নিৰ্মাণকাৰ্য সম্পাদন কৰাৰ বাবে ৰাইজে বাৰম্বাৰ আহ্বান জনোৱাৰ পাছতো কামত জড়িত ঠিকাদাৰে ৰাইজৰ আহ্বানক কেৰেপ নকৰি নিজৰ খেয়াল-খুছি মতে নিৰ্মাণ কাৰ্য চলাই আহিছে। স্থানীয় ৰাইজৰ আহ্বানক পৌৰ কৰ্তৃপক্ষই কোনো গুৰুত্ব নিদিয়াত স্থানীয় ৰাইজৰ আহ্বানত সাংবাদিকৰ এটা দল বিষ্ণুপল্লীৰ কালভাৰ্ট নিৰ্মাণ স্থলীত উপস্থিত হয়। কালভাৰ্ট নিৰ্মাণ কাৰ্যত জড়িত ৰাজমিস্ত্ৰীসকলক একাঁঠু পানীৰ মাজত কাঠৰ ছাটাৰিং লগাই থকা অৱস্থাত প্ৰত্যক্ষ কৰি ৰাইজে ছাটাৰিং লগোৱাৰ আগতে নিৰ্মাণ স্থলীৰ বোকা পানী কিয় আঁতৰাই পেলোৱা নাই বুলি প্ৰশ্ন কৰাত তাৰ কোনো উত্তৰ দিব নোৱাৰি ৰাইজৰ প্ৰতিবাদত কাম বন্ধ কৰিবলৈ বাধ্য হয়। কালভাৰ্ট নিৰ্মাণৰ কাম যেনে তেনে কৰি আঁচনিৰ ধন যাতে মোকলাই নিব নোৱাৰে তাৰ বাবে স্থানীয় ৰাইজে জিলা উপায়ুক্তৰ হস্তক্ষেপ কামনা কৰিছে। ইপিনে, সেই ৱাৰ্ডৰ কমিছনাৰৰ পৰা জানিব পৰা মতে কালভাৰ্টটো কেৱল মেৰামতিৰ কাম হোৱাৰ বাবে কোনো ঠিকাদাৰক দায়িত্ব অৰ্পণ নকৰি পৌৰ কৰ্তৃপক্ষ নিজে কাম কৰাই আছে আৰু অনাগত দিনত কমিছনাৰজনে কামত যাতে দুৰ্নীতি নহয় তাৰ বাবে তেওঁ নিজে কামৰ তদাৰক কৰিব বুলি মন্তব্য কৰে। যিহেতু কামটো কালভাৰ্ট মেৰামতিৰ কাম বুলি ৰাইজক কোৱাৰ দৰে নিৰ্মাণ কাৰ্যৰ বাবে কোনো নিবিদা পৌৰ কৰ্তৃপক্ষই বিচৰা নাই আৰু কালভাৰ্টটো সম্পূৰ্ণৰূপে ভাঙি পেলোৱা হৈছে তেনে ক্ষেত্ৰত পৌৰ কৰ্তৃপক্ষৰ ভূমিকাৰ ওপৰতো ৰাইজে সন্দেহ প্ৰকাশ কৰে। পৌৰ কৰ্তৃপক্ষই ৰাইজক মেৰামতিৰ কাম বুলি কোৱাৰ বিপৰীতে কালভাৰ্টটো এক্সাভেটৰেৰে সম্পূৰ্ণ ৰূপে ভাঙি পেলোৱা কাৰ্যত ৰহস্যৰ উমান পাই ৰাইজে জিলা উপায়ুক্তৰ হস্তক্ষেপ কামনা কৰিছে।

# নলবাৰীত ভবেন বৰুৱা শিশু নাট প্ৰতিযোগিতাৰ সামৰণি

## 'বৈ থকা নৈ' নাটৰ শ্ৰেষ্ঠত্ব অৰ্জন



**অগ্ৰদূত বাৰ্তা**

**নলবাৰী, ৫ ছেপ্টেম্বৰ ঃ** অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ নলবাৰী জিলা সমিতিৰ উদ্যোগত আয়োজিত ভবেন বৰুৱা সদৌ অসম শিশু নাট প্ৰতিযোগিতাৰ যোৱা নিশা সামৰণি পৰে। অসমৰ বিভিন্ন প্ৰান্তৰৰ পৰা অহা ১৫ টা নাট্য দলে নাট প্ৰতিযোগিতাত অংশগ্ৰহণ কৰে। নলবাৰী নাট্য মন্দিৰত অনুষ্ঠিত নাট প্ৰতিযোগিতাখনত প্ৰথম স্থান লাভ কৰে 'বৈ থকা নৈ' সমন্বয় নাট্য বিদ্যালয় নলবাৰী, দ্বিতীয় স্থান লাভ কৰে 'মেইন ভাও কোনে ল'ব' মূৰ্ছনা, বিশ্বনাথ চাৰিআলি, তৃতীয় স্থান লাভ কৰে 'ফেৰেংগাদাও' লখৰা গুৱাহাটী। আনহাতে, প্ৰথম শ্ৰেষ্ঠ অভিনেতা *১৩ পৃষ্ঠাত চাওক*

# সদৌ অসম কবি সন্মিলনৰ বিভিন্ন বঁটাৰ বাবে আহ্বান

**অগ্ৰদূত বাৰ্তা**

**চিনামৰা, ৫ ছেপ্টেম্বৰ ঃ** পাদপ্ৰদীপৰ অন্ধকাৰত লুকাই থকা প্ৰতিভাসম্পন্ন কবিসকলক একেখন মঞ্চতে একত্ৰিত কৰি এক সুস্থ কাব্যিক পৰিমণ্ডল সৃষ্টি কৰাৰ মানসেৰে 'পৃথিৱীৰ কবি' ৰাম গগৈৰ প্ৰচেষ্টাত বহুকেইগৰাকী কাব্য মনীষীৰ সহযোগত ১৯৮৭ৰ ছয় ছেপ্টেম্বৰত নামৰূপত কেৱল কবি আৰু কবিতাৰ বাবে জন্ম লাভ কৰা 'সদৌ অসম কবি সন্মিলন' উত্তৰ-পূব ভাৰতৰ একমাত্ৰ বৃহৎ জাতীয় কাব্য সংগঠন। প্ৰতিষ্ঠা কালৰে পৰা এই বৃহৎ জাতীয় অনুষ্ঠানটোৱে সুদীৰ্ঘ ৩৫ বছৰে অসমৰ কাব্য জগতত ভিন ভিন কাৰ্যসূচী সম্পাদন কৰি আহিছে। বিগত বৰ্ষসমূহৰ দৰে এইবাৰো সদৌ অসম কবি সন্মিলনৰ ষষ্ঠদশ যোৰহাট অধিবেশনত অসমৰ কাব্য আৰু সাহিত্যিৰ পথাৰলৈ অনন্য অৱদান আগবঢ়োৱা বিশিষ্ট কবি-সাহিত্যিকসকলক জীৱনজোৰা সাধনাৰ বাবে সদৌ অসম কবি *১৩ পৃষ্ঠাত চাওক*

# পাঁচ কোটি টকা ব্যয় সাপেক্ষ সৌন্দৰ্য বৰ্ধনৰ কামৰ লেহেমীয়া গতি

**অগ্ৰদূত বাৰ্তা**

**বিশ্বনাথ চাৰিআলি, ৫ ছেপ্টেম্বৰ ঃ** প্ৰায় পাঁচ কোটি টকা ব্যয় সাপেক্ষে বিশ্বনাথঘাটত কৰা সৌন্দৰ্য বৰ্ধনৰ কাম লেহেমীয়া গতিত চলাৰ বাবে তীব্ৰ প্ৰতিক্ৰিয়া স্থানীয় ৰাইজৰ। গুপ্তকাশী বিশ্বনাথঘাট বুলি ক'লেই দেশ তথা ৰাজ্যবাসীৰ বাবে এক পৰিচিত নাম। বিভিন্ন মঠ-মন্দিৰ-দেৱালয় থকা এই গুপ্তকাশী বিশ্বনাথ ঘাটৰ প্ৰাকৃতিক সৌন্দৰ্যও ৰাজ্যৰ ভিতৰত অন্যতম। সেয়েহে দূৰ-দূৰণিৰ পৰা গুপ্তকাশী বিশ্বনাথঘাটৰ মঠ-মন্দিৰ-দেৱালয় তথা প্ৰাকৃতিক সৌন্দৰ্য উপভোগ কৰিবলৈ বহু দূৰ-দূৰণিৰ পৰা প্ৰতি বছৰে বহু পৰ্যটক এই অঞ্চলত আহে। কেৱল দূৰ দূৰণিৰ পৰাই নহয়, বিদেশৰ পৰাও এই অঞ্চলৰ প্ৰাকৃতিক সৌন্দৰ্য উপভোগ কৰিবলৈ প্ৰতি বছৰে বহু বিদেশী লোক আহে। কিন্তু এই অঞ্চলক যি ধৰণে সজাই তুলিবলৈ লাগিছিল, এই ক্ষেত্ৰত চৰকাৰৰ সদিচ্ছা আছে যদিও একাংশ লোকৰ বাবে এই ক্ষেত্ৰত গুপ্তকাশী *১৩ পৃষ্ঠাত চাওক*

# 'স্বীকৃতিৰ বাবে কাম নকৰি মানৱ সেৱা কৰি যোৱাটো আমাৰ কৰ্তব্য-দায়িত্ব'

## ■ মাজুলী জিলা সাংবাদিক সন্থাৰ বিশেষ সম্বৰ্ধনা সভা



**অগ্ৰদূত বাৰ্তা**

**কমলাবাৰী, ৫ ছেপ্টেম্বৰ ঃ** মাজুলী জিলা সাংবাদিক সন্থাৰ কমলাবাৰীস্থ স্থায়ী কাৰ্যালয়ত কালি এখনি বিশেষ সম্বৰ্ধনা সভা অনুষ্ঠিত হয়। জিলা সাংবাদিক সন্থাৰ সভাপতি দিবাকৰ শইকীয়াৰ সভাপতিত্বত অনুষ্ঠিত সভাৰ আৰম্ভণিতে বন্তি প্ৰজ্বলন কৰি মাজুলী মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড০ আনন্দ হাজৰিকাই কয় সমাজৰ হিতৰ কাৰণে ত্যাগ আৰু সেৱা আগবঢ়োৱা বিশিষ্ট ব্যক্তিক স্বীকৃতিৰ জৰিয়তে উদগনি যোগোৱাৰ বাবে মাজুলী জিলা সাংবাদিক সন্থাই গ্ৰহণ কৰা পদক্ষেপক আদৰণি জনায়। মাজুলী মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ দেৱজিৎ শইকীয়াই সভাখন উদ্বোধন কৰি কয় যে আৰ্থ সামাজিক উন্নয়ন তথা যিকোনো কাম-কাজত সংবাদ সেৱাৰ গুৰুত্ব অপৰিসীম। পৰোক্ষ বা প্ৰত্যক্ষভাৱে সাংবাদিকসকলৰ ভূমিকা আমি সকলোৱেই স্বীকাৰ কৰিব লাগিব। ব্যক্তিগত লাভালাভৰ কথা চিন্তা নকৰি বিভিন্ন ক্ষেত্ৰত মাজুলীবাসীক সেৱা আগবঢ়োৱা বিশেষকৈ, শেহতীয়াকৈ মাজুলীত এন্টিভেনম প্ৰয়োগ কৰি সৰ্পই দংশন কৰা ৰোগীক চিকিৎসা কৰি জীৱন দান দিয়া, ধপাত নিয়ন্ত্ৰণ *১৩ পৃষ্ঠাত চাওক*

# সাহিত্যাচাৰ্য যতীন্দ্ৰনাথ গোস্বামী ঃ জীৱন-কৃতি বিষয়ক আলোচনাচক্ৰৰ আয়োজন

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**যোৰহাট, ৫ ছেপ্টেম্বৰ ঃ** অসম সাহিত্য সভাৰ বিদ্যায়তনিক কেন্দ্ৰ প্ৰাচ্যবিদ্যাৰ্ণৱ ড০ মহেশ্বৰ নেওগ অসমতত্ত্ব গৱেষণা সংস্থান আৰু বাহনা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ উদ্যোগত সাহিত্যাচাৰ্য যতীন্দ্ৰনাথ গোস্বামীৰ স্মৃতি দিৱস উপলক্ষে ছয় নৱেম্বৰত ৰাজ্যিক পৰ্যায়ৰ আলোচনাচক্ৰৰ আয়োজন কৰিছে। আলোচনাচক্ৰৰ মুখ্য বিষয় হৈছে— 'সাহিত্যাচাৰ্য যতীন্দ্ৰনাথ গোস্বামী ঃ জীৱন আৰু কৃতি'। উপ-বিষয়সমূহ হৈছে যতীন্দ্ৰনাথ গোস্বামীৰ সাহিত্যিক অৱদান, যতীন্দ্ৰনাথ গোস্বামীৰ ভাষাশৈলী, যতীন্দ্ৰনাথ গোস্বামী আৰু অসম সাহিত্য সভা, যতীন্দ্ৰনাথ গোস্বামী ঃ ব্যক্তি আৰু ব্যক্তিত্ব, মূল বিষয়ৰ লগত সম্পৰ্কিত যিকোনো বিষয়। ইচ্ছুক গৱেষকসকলে ৩০ ছেপ্টেম্বৰৰ ভিতৰত গৱেষণাপত্ৰৰ সংক্ষিপ্ত-সাৰ আৰু ২৫ অক্টোবৰৰ ভিতৰত সম্পূৰ্ণ গৱেষণাপত্ৰ ৰামধেনু ছফটৱেৰত গীতাঞ্জলি ফন্টত ডিটিপি কৰি পেজমেকাৰ ফাইল প্ৰেৰণ কৰিব লাগিব। সাৰাংশ আৰু গৱেষণাপত্ৰ namita.saikia@bahonacollege.edu.in মেইলত প্ৰেৰণ কৰিব পাৰিব। সবিশেষ জানিবৰ বাবে আলোচনাচক্ৰৰ যুটীয়া সমন্বয়ক ড০ নমিতা চুতীয়া শইকীয়া, বিভাগীয় প্ৰধান, অসমীয়া বিভাগ, বাহনা মহাবিদ্যালয় (ফোন ঃ ৮০১১৭৩৬৩৮৭/৭০০২৫৫৯৫৫৯) অথবা ড০ ৰাজশ্ৰী হাজৰিকা, সমন্বয়ক, প্ৰাচ্যবিদ্যাৰ্ণৱ ড০ মহেশ্বৰ নেওগ অসমতত্ত্ব গৱেষণা সংস্থান, অসম সাহিত্য সভা (ফোন ঃ ৯৯৫৪৪০০২৪৪)ৰ লগত যোগাযোগ কৰিব পাৰিব।

# শিক্ষাবিদ-লেখক-শিল্পী-সমাজকৰ্মী শিৱপ্ৰসাদ শৰ্মা ঠাকুৰক ৰাজহুৱা অভিনন্দন

**অগ্ৰদূত বাৰ্তা**

**বৰুৱাবামুণগাঁও, ৫ ছেপ্টেম্বৰ ঃ** বৰুৱাবামুণগাঁও অঞ্চলৰ কুৱালগুৰি নিবাসী অৱসৰপ্ৰাপ্ত কৃতী শিক্ষক, লেখক, প্ৰবীণ শিল্পী তথা সমাজ সংগঠক শিৱপ্ৰসাদ শৰ্মা ঠাকুৰৰ ৯০ সংখ্যক জন্মদিৱস উপলক্ষে কালি কুৱালগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ত এক ৰাজহুৱা অভিনন্দন অনুষ্ঠানত অভিনন্দন জ্ঞাপক সমিতিৰ উপৰি গোলাঘাট জিলাৰ বিভিন্ন স্থানৰ বহু সংগঠন তথা ব্যক্তিয়ে সম্বৰ্ধনা জনায়। এই উপলক্ষে দুপৰীয়া এক বজাৰ পৰা ৰাষ্ট্ৰীয় বঁটাপ্ৰাপক অৱসৰপ্ৰাপ্ত শিক্ষক আচাৰ্য ৰোহিণী বল্লভ গোস্বামী শাস্ত্ৰীৰ সভাপতিত্বত অনুষ্ঠিত অভিনন্দন অনুষ্ঠানৰ মুকলি সভাখন উদ্বোধন কৰে ঢেকীয়াল উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ গণেশ গোস্বামীয়ে। প্ৰবীণ শিল্পী অজিত বৰাৰ ৰচনা আৰু পৰিচালনাৰে পৰিৱেশন কৰা এটি সমবেত সংগীতেৰে আৰম্ভ কৰা সভাত যোৰহাট জিলা সাহিত্য সভাৰ সভাপতি ড০ ৰাতুল চন্দ্ৰ বৰাই ড০ চণ্ডীচৰণ গোস্বামীৰ সম্পাদনাত *১৩ পৃষ্ঠাত চাওক*

# তীব্ৰবেগী আই ২০ বাহন নিয়ন্ত্ৰণ হেৰুৱাই বাগৰি পৰিল দ' খাৱৈত



**বিশেষ সংবাদদাতা**

**নগাঁও, ৫ ছেপ্টেম্বৰ ঃ** ৰূপহীহাটত আজি বিয়লি এক ভয়ংকৰ পথ দুৰ্ঘটনা সংঘটিত হয়। ৰূপহীহাটৰ ভকতগাঁৱত সংঘটিত হয় এই দুৰ্ঘটনা। তীব্ৰবেগী আই ২০ বাহন এখনে নিয়ন্ত্ৰণ হেৰুৱাই বাগৰি পৰে দ' খাৱৈত। অৱশ্যে কথমপি প্ৰাণৰক্ষা পৰে গাড়ীৰ চালকৰ। দুৰ্ঘটনাগ্ৰস্ত চাৰিচকীয়া বাহনখনৰ নম্বৰ এএছ--৬ এক্স-৭৬৭৫। বাহনখন নগাঁৱৰ পৰা ৰূপহী অভিমুখে আহি আছিল। ঘটনাস্থলীত ৰূপহীহাট আৰক্ষী উপস্থিত হৈ তদন্ত আৰম্ভ কৰিছে।

# ৰাজধৰ বড়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ হীৰক জয়ন্তীৰ সামৰণি অনুষ্ঠান



**অগ্ৰদূত বাৰ্তা**

**আজাৰা, ৫ ছেপ্টেম্বৰ ঃ** আজাৰা অঞ্চলৰ অতিকৈ পুৰণি শিক্ষানুষ্ঠান ৰাজধৰ বড়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ হীৰক জয়ন্তী বৰ্ষৰ সামৰণি অনুষ্ঠান কালিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে আৰম্ভ হৈছে। পুৱা বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ জয়ন্ত কুমাৰ পাটগিৰিয়ে বিদ্যালয়ৰ পতাকা উত্তোলন কৰি সামৰণি অনুষ্ঠানৰ আৰম্ভ কৰাৰ লগে লগে ৬০খন পতাকা বিশিষ্ট ব্যক্তিয়ে উত্তোলন কৰে। ইয়াৰ পাছতে ক্ৰমে ছহিদ তৰ্পণ, বন্তি প্ৰজ্বলন, দাতাৰ আৱক্ষমূৰ্তিত মাল্যাৰ্পণ, স্মৃতি তৰ্পণ অনুষ্ঠিত হয়। দাতাৰ আৱক্ষমূৰ্তিত মাল্যাৰ্পণ কৰে স্থানীয় বিধায়ক ৰমেন্দ্ৰ নাৰায়ণ কলিতাই। দুপৰীয়া লোকনিৰ্মাণ বিভাগৰ মুখ্য অভিযন্তা তথা প্ৰাক্তন ছাত্ৰ নিৰেন বৰুৱাই মঞ্চ মুকলি কৰাৰ পাছতে প্ৰাক্তন ছাত্ৰদ্বয় ক্ৰমে বৈমানিক অৱনী মোহন দাস আৰু অসম খাদী আৰু অসামৰিক যোগান নিগমৰ পৰিচালন সঞ্চালক দিগন্ত দাসৰ সঞ্চালনাত সতীৰ্থ সন্মিলন অনুষ্ঠিত হয়। আবেলি উদ্‌যাপন সমিতিৰ কাৰ্যকৰী সভাপতি ভৱেন্দ্ৰ চন্দ্ৰ মেধিৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাত পশ্চিম গুৱাহাটী মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড০ বলেন্দ্ৰ কুমাৰ দাসে স্মৃতিগ্ৰন্থ উন্মোচন কৰে। মুকলি সভাত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে বিশিষ্ট অতিথিৰূপে অংশগ্ৰহণ কৰি বিদ্যালয়সমূহ *১৩ পৃষ্ঠাত চাওক*

# শোণিতপুৰ জিলা লেখিকা সমাৰোহ সমিতিৰ ন-পুৰণি সদস্যা সন্মিলন সম্পন্ন



**ষ্টাফ ৰিপ'ৰ্টাৰ**

**তেজপুৰ, ৫ ছেপ্টেম্বৰ ঃ** তেজপুৰৰ পৰ্বতীয়াত আজি স্বপ্নলেখা শাখা লেখিকা সমাৰোহ সমিতিৰ আতিথ্যত অনুষ্ঠিত হয় শোণিতপুৰ জিলা লেখিকা সমাৰোহ সমিতিৰ ন-পুৰণি সদস্যা সন্মিলন। পৰ্বতীয়া বুনিয়াদী বিদ্যালয়ত জিলা লেখিকা সমাৰোহ সমিতিৰ প্ৰাক্তন সভানেত্ৰী ৰুমা দেৱীৰ পৌৰোহিত্যত অনুষ্ঠিত সভাত বিহগুৰিত অনুষ্ঠিত লেখিকা সমাৰোহ সমিতিৰ অধিবেশনত নিৰ্বাচিত সমিতিখনৰ সভানেত্ৰী ৰূপালী বৰা, কাৰ্যকৰী সভানেত্ৰী নমিতা দাস নেওগ, সম্পাদিকা বিমলা দেৱীয়ে দায়িত্বভাৰ গ্ৰহণ কৰে। আজি নৱনিৰ্বাচিত ২৪জনীয়া সমিতিখনে দায়িত্বভাৰ গ্ৰহণ কৰাৰ উপৰি কে'বাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰে। ৰাজ্য চৰকাৰে ষষ্ঠ শ্ৰেণীলৈকে চাৰিটা বিষয় ইংৰাজী ভাষাত পাঠদান কৰিবলৈ লোৱা সিদ্ধান্ত পুনৰ বিবেচনা কৰি মাতৃভাষাত পাঠদান বাহাল ৰাখিবলৈ আহ্বান জনাই প্ৰস্তাৱ গ্ৰহণ কৰে। সভাই শোণিতপুৰ জিলা লেখিকা সমাৰোহ সমিতিৰ কাৰ্যালয়ৰ বাবে প্ৰয়োজনীয় মাটি আবণ্টন দি এটা গৃহ নিৰ্মাণ কৰি দিয়াৰ বাবে চৰকাৰক অনুৰোধ জনায়ো আন এক প্ৰস্তাৱ গ্ৰহণ কৰে। সদস্যা সন্মিলনত স্বপ্নলেখা লেখিকা সমাৰোহ সমিতিয়ে বিভিন্ন ক্ৰীড়াত বিশেষ কৃতিত্ব অৰ্জন কৰা পাহী বৰা (সাঁতোৰ), ৰূপালী বৰা (যাঠি আৰু কাঁহী দলিওৱা), মিনাক্ষী বৰা (শৰীৰৰ চৰ্চা), শ্ৰেয়াশ্ৰী কাশ্যপ তেজপুৰ বিশ্ববিদ্যালয়ৰ পৰা বি টেক পৰীক্ষাত ৰূপৰ পদক অৰ্জন কৰাৰ বাবে সম্বৰ্ধনা জ্ঞাপন কৰে। আয়োজক সমিতিয়ে জাতীয় সংগীত চিৰ চেনেহী মোৰ ভাষা জননী সমবেতভাৱে পৰিৱেশন কৰি আৰম্ভ কৰা সভাখনত লেখিকা সমাৰোহ সমিতিৰ ৰাজ্যিক সভানেত্ৰী ড০ চাৰু চহৰীয়া নাথ আৰু সম্পাদিকা মনোমতী কুৰ্মী উপস্থিত থাকি মহিলাৰ উত্তৰণত লেখিকা সমাৰোহ সমিতিৰ ভূমিকা সন্দৰ্ভত বক্তব্য আগবঢ়ায়। এই সভাত ইলা মহন্তই বৰগীত পৰিৱেশন কৰে।

# অ'বিচি সংঘৰ জিলা সমিতি গঠন

**বৰমা, ৫ ছেপ্টেম্বৰ ঃ** বাগ্‌সা জিলাৰ বৰমাৰ ওচৰৰ বৰশিমলুগুৰীৰ বিজয় সংঘত তিনি ছেপ্টেম্বৰত অ'বিচি সংঘৰ এখন সাধাৰণ সভা অনুষ্ঠিত হয়। সভাত অসম ৰাজ্যিক অ'বিচি সংঘৰ সহকাৰী সম্পাদক ৰূপম হাজৰিকাই বাগ্‌সা জিলা অ'বিচি সংঘৰ পূৰ্ণাংগ সমিতিখন গঠন কৰি দিয়ে। কিশোৰ দাসক সভাপতি, হৰেকৃষ্ণ পাঠকক কাৰ্যকৰী সভাপতি, দিলদাৰ অধিকাৰীক উপ-সভাপতি, হীৰকজ্যোতি বৰ্মনক সম্পাদক হিচাপে লৈ মুঠ ১৫ জনীয়া পূৰ্ণাংগ সমিতিখন গঠন কৰে। অনাগত সময়ত অ'বিচিৰ উন্নয়নৰ কাম-কাজৰ বিষয়েও সভাত আলোকপাত কৰে।

# সাংস্কৃতিক কৰ্মী পংকজ শৰ্মাৰ মৃত্যুত শোক



**অগ্ৰদূত বাৰ্তা**

**টিহু, ৫ ছেপ্টেম্বৰ ঃ** টিহু মহকুমাৰ অন্তৰ্গত মাখিবাহাৰ অধ্যাপকপাৰা নিবাসী সমাজপ্ৰাণ, সাংস্কৃতিক কৰ্মী তথা কণ্ঠশিল্পী পংকজ শৰ্মা (৪৯)ৰ যোৱা নিশা আকস্মিকভাৱে মৃত্যু হোৱাত মাখিবাহা, টিহুত গভীৰ শোকৰ ছাঁ পৰে। কালি শৰ্মাই শাৰীৰিক অসুস্থতা অনুভৱ কৰাত বিয়লি অধিক অসুস্থ হৈ পৰাত পৰিয়ালৰ লোকে নি গুৱাহাটীৰ নাৰায়ণা ছুপাৰ স্পেচিয়েলিটী হাস্পতালত ভৰ্তি কৰে যদিও পুৱতি নিশা তেওঁৰ মৃত্যু হয়। উল্লেখ্য যে মাখিবাহাৰ সাংস্কৃতিক ক্ষেত্ৰখনত বিশেষ ভূমিকা পালন কৰা শৰ্মা এজন ভাল কণ্ঠশিল্পী আছিল। তেওঁ এসময়ত টিহু মহাবিদ্যালয়ৰ শ্ৰেষ্ঠ গায়কৰ খিতাপ অৰ্জন কৰিছিল। শৰ্মা আঞ্চলিক ৰাজনীতিৰ ক্ষেত্ৰখনতো জড়িত আছিল। আজি পুৱা তেওঁৰ নশ্বৰদেহ মাখিবাহাস্থিত নিজ গৃহ আহি পোৱাৰ পাছতে বিভিন্ন ঠাইৰ পৰা গুণমুগ্ধসকলে আহি শ্ৰদ্ধাঞ্জলি নিবেদন কৰে। শৰ্মাৰ আকস্মিক মৃত্যুত মাখিবাহা গ্ৰামোন্নয়ন সমিতি, মাখিবাহা আঞ্চলিক সাংস্কৃতিক কলাকেন্দ্ৰ, মাখিবাহা শাখা সাহিত্য সভা, মাখিবাহা আঞ্চলিক ছাত্ৰ সন্থা, টিহু মহকুমা ৰিপ'ৰ্টাৰ্ছ এছ'চিয়েছন, টিহুৰ শিল্পী সমাজ, প্ৰাক্তন মন্ত্ৰী পৰিন্দ্ৰ ডেকা, নলবাৰী জিলা বাৰ্তাজীৱী সংঘ আদিয়ে গভীৰ শোক প্ৰকাশ কৰে। মৃত্যুৰ সময়ত তেওঁ বৃদ্ধা মাতৃৰ লগতে দুই জ্যেষ্ঠ ভ্ৰাতৃ, দুগৰাকী জ্যেষ্ঠ ভগ্নী, এগৰাকী কনিষ্ঠ ভগ্নীক এৰি যায়।

# ৰামফলবিলত ৰীয়া ব্ৰহ্মৰ প্ৰযোজনাত নিৰ্মিত বড়ো বোলছবি 'খিথেৰ'ৰ প্ৰিমিয়াম শ্ব'



**অগ্ৰদূত বাৰ্তা**

**শ্ৰীৰামপুৰ, ৫ ছেপ্টেম্বৰ ঃ** বড়ো বোলছবিৰ অভিনেত্ৰী তথা উদ্যমী নাৰী হিচাপে পৰিচিত ৰীয়া ব্ৰহ্মৰ মালিকানাধীন আৰ বি প্ৰডাকচনে প্ৰযোজনা কৰা বড়ো বোলছবি 'খিথেৰ'ৰ প্ৰিমিয়াম শ্ব' যোৱা *১৩ পৃষ্ঠাত চাওক*

# টীয়কৰ বিদ্যালয়ত 'ড্ৰাগছ বৰবিহ' শীৰ্ষক গ্ৰন্থ বিতৰণ

**চেলেংহাট, ৫ ছেপ্টেম্বৰ ঃ** আজি পৱিত্ৰ শিক্ষক দিৱসৰ দিনাই তুষাৰ পালৰ দ্বাৰা সম্পাদিত 'ড্ৰাগছ বৰবিহ' শীৰ্ষক গ্ৰন্থখন টীয়কৰ তিনিখন বিদ্যালয়ৰ গ্ৰন্থাগাৰলৈ প্ৰদান কৰা হয়। উল্লেখ্য যে নিচামুক্তিৰ ক্ষেত্ৰত এক দশক জুৰি সংগ্ৰাম অব্যাহত ৰখা তুষাৰ পালে সম্পাদনা কৰা গ্ৰন্থখন অসমৰ বিদ্যালয় আৰু মহাবিদ্যালয়সমূহৰ গ্ৰন্থাগাৰলৈ বিনামূলীয়াকৈ প্ৰদানৰ এক কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। এই কাৰ্যসূচীৰ অংশৰূপে আজি টীয়কৰ ৰেণু বৰা মেম'ৰিয়েল, জ্ঞানজ্যোতি বিদ্যাপীঠ, জ্ঞানপীঠ একাডেমীত এই গ্ৰন্থ বিতৰণ কৰা হয়। অনুষ্ঠানত চেলেংহাট প্ৰেছ ক্লাবৰ সভাপতি মদনমোহন পাগবন্ধাই এই গ্ৰন্থ অভিযান সম্পৰ্কত মন্তব্য কৰাৰ লগতে গ্ৰন্থখনৰ সংকলক তুষাৰ পালে নিচামুক্তি অভিযান সম্পৰ্কত মন্তব্য প্ৰদান কৰে। অনুষ্ঠানসমূহত বিদ্যালয় পৰিয়ালৰ লগতে অভিভাৱক আৰু চেলেংহাট প্ৰেছ ক্লাবৰ দেৱবিকাশ দত্তকে ধৰি বহুকেইজন সদস্য উপস্থিত থাকে।

# ম'বাইল, কম্পিউটাৰ, ইণ্টাৰনেট অবিহনে আমিবোৰো পংগু নহয় নে?

## দিব্যাংগসকলৰ গীত-মাতেৰে ডাঃ অমৰেন্দ্ৰ নাৰায়ণ দেৱৰ ওপজা দিন পালন



**অগ্ৰদূত বাৰ্তা**

**মঙলদৈ, ৫ ছেপ্টেম্বৰ ঃ** 'দিব্যাংগসকলৰ মাজত থকা সুপ্ত প্ৰতিভা উলিয়াই আনি বিকশাই তুলি তেওঁলোকক বিশেষ সক্ষমতাখিনিৰে উজ্জ্বলাই তোলাটো সমাজৰ দায়িত্ব। আজিকালি সমাজৰ দাযিত্বশীল লোক, অভিভাৱকসকল আগুৱাই আহি এই ক্ষেত্ৰত যথেষ্টখিনি কৰা দেখা গৈছে। ডাঃ অমৰেন্দ্ৰ নাৰায়ণ দেৱেও নিজৰ গাঁঠিৰ ধন ভাঙি এই দিশত ভালেখিনি ভাল কাম কৰাটো আমাৰ চকুত পৰিছে। সেইবাবে তেওঁৰ নিমন্ত্ৰণক উলাই কৰিব নোৱাৰি সাংবাদিকতাৰ দৰে ব্যস্ততাৰ মাজতো আহি উপস্থিত হৈছো।' এই ভাষ্য আমাৰ অসম কাকতৰ কাৰ্যবাহী সম্পাদক মনোজ কুমাৰ গোস্বামীৰ। মঙলদৈৰ বিশিষ্ট চিকিৎসক, দৰং জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তথা অগ্ৰণী স্বেচ্ছাসেৱী অনুষ্ঠান দেৱছন্স গ্ৰুপৰ মুখ্য সঞ্চালক ডাঃ অমৰেন্দ্ৰ নাৰায়ণ দেৱৰ ৭৯ সংখ্যক ওপজা দিন উপলক্ষে কালি মঙলদৈ সোণালী পামস্থিত ৰুণমল বাগিচাত আয়োজিত এক বিশেষ অনুষ্ঠানত মুখ্য অতিথিৰূপে ভাষণ দি জ্যেষ্ঠ সাংবাদিক গোস্বামীয়ে আৰু কয় যে কিন্তু তথাকথিত পূৰ্ণাংগ আমি মানুহবোৰ প্ৰকৃততে কিমান সক্ষম? আমাৰ অক্ষমতাখিনি কোনোবাই বিচাৰ কৰিছেনে? যদি আমি শাৰীৰিক আৰু মানসিকভাৱে সম্পূৰ্ণ সক্ষম হ'লো হয়, তেন্তে সমাজখন এই পৃথিৱীখন কিমান ধুনীয়া হ'লহেঁতেন! আমিবোৰ আচলতে ম'বাইল, কম্পিউটাৰ, ইণ্টাৰনেট নিৰ্ভৰ যন্ত্ৰাৰত জীৱন কটাইছো। এই যন্ত্ৰবোৰ অবিহনে আমিবোৰ পংগু নহয়নে বুলি তাৎপৰ্যপূৰ্ণ মন্তব্য কৰে। এই উপলক্ষে কালি আমন্ত্ৰিত হৈ ওদালগুৰি জিলাৰ এজাক দিব্যাংগ শিশু, কিশোৰ-কিশোৰীয়ে মঙলদৈ সোণালীপামৰ ৰুণমল বাগিচাত পুৱাই উপস্থিত হৈ প্ৰকৃতিৰ কোলাত কিছুসময় বিচৰণ কৰাৰ লগতে চিকিৎসকৰ *১৩ পৃষ্ঠাত চাওক*

# শ্ৰদ্ধাঞ্জলি অনুপমা বৰুৱা



মানুহৰ মৃত্যু চিৰন্তন সত্য যদিও একো একোজন মানুহৰ মৃত্যুৱে ভাবিব নোৱাৰাকৈ শোকৰ সাগৰলৈ লৈ যায় শোকাশ্ৰিত কৰি। তেনেবোৰ মানুহৰ মাজৰে বৰগীত আৰু লোকগীতৰ গায়িকা তথা সাদৰী মহিলা অনুপমা বৰুৱাৰ মৃত্যুৱে আমাক শোকান্বিত কৰি তুলিলে।গুৱাহাটীৰ মথুৰানগৰ নিবাসী তথা গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভূগোল বিভাগৰ প্ৰাক্তন মুৰব্বী অধ্যাপক আৰু বিজ্ঞান গুৰু ড০ মনমোহন দাসৰ পত্নী অনুপমা বৰুৱাই ৭১ বছৰ বয়সত যোৱা ২৭ আগষ্টত সকলোকে মৰ্মাহত কৰি ইহলীলা সম্বৰণ কৰে। ছাত্ৰী অৱস্থাৰ পৰাই প্ৰয়াত বৰুৱাই সংগীতৰ প্ৰতি আকৃষ্ট হৈ পাছলৈ বৰগীত আৰু লোকগীতৰ এগৰাকী প্ৰতিভাশালী কণ্ঠশিল্পীৰূপে সকলোৰে পৰিচিত আছিল। পিতৃ প্ৰয়াত শ্ৰীচৰণ বৰুৱাৰ কনিষ্ঠ কন্যা আৰু আমেৰিকাৰ ব্লুক্‌ফিল্ড নিবাসী চিকিৎসক ডাঃ জিতেন্দ্ৰ কুমাৰ বৰুৱাৰ সৰু ভনী প্ৰয়াত অনুপমা বৰুৱা আছিল ধৰ্মপ্ৰাণা তথা সকলোৰে আদৰ্শনীয় মহিলা। সকলোৰে মৰম-চেনেহ, দয়া-ভক্তি লাভ কৰা প্ৰয়াত বৰুৱাই মৃত্যুৰ সময়ত স্বামী, দুই পুত্ৰ ইন্দ্ৰজিৎ আৰু ড০ সত্যজিত দাসৰ লগতে দুই বোৱাৰী আৰু আত্মীয়-স্বজনক এৰি পৰলোক গমন কৰা প্ৰয়াত অনুপমা বৰুৱাৰ আজি আদ্যশ্ৰাদ্ধ উপলক্ষে তেওঁৰ বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰিলো।

**হেমন্ত কুমাৰ চৌধুৰী**

# ঢালিগাঁৱত বিটিচিৰ উদ্যোগত কেন্দ্ৰীয়ভাৱে শিক্ষক দিৱস পালন

## ১৪ গৰাকী অধ্যক্ষক নিযুক্তপত্ৰ প্ৰদান ঃ অমৃত নাৰায়ণ পাটগিৰি- নন্দেশ্বৰ দৈমাৰীলৈ প্ৰমোদ চন্দ্ৰ ব্ৰহ্ম সাহিত্য বঁটা

**অগ্ৰদূত ব্যুৰ**
**বঙাইগাঁও, ৫ ছেপ্টেম্বৰ ঃ** ৰাজ্যখনৰ অন্যান্য অঞ্চলৰ লগতে আজি বিটিচিৰ শিক্ষা বিভাগৰ উদ্যোগতো চিৰাং জিলাৰ ঢালিগাঁৱত কেন্দ্ৰীয়ভাৱে উদ্‌যাপন কৰা হয় ৬১ সংখ্যক শিক্ষক দিৱস। বঙাইগাঁও শোধনাগাৰ উপনগৰীস্থিত শোধনাগাৰ বিনোদন কেন্দ্ৰৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত অনুষ্ঠানত আৰম্ভণিতে দাৰ্শনিক ড° সৰ্বপল্লী ৰাধাকৃষ্ণণৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে ৰাজ্যসভাৰ সাংসদ ৰৌণগৌৰা নাৰ্জাৰীয়ে। ওদালগুৰি জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক জয়পাল সিং ব্ৰহ্মই আঁত ধৰা অনুষ্ঠানত মুখ্য অতিথিৰূপে উপস্থিত থাকি কেবিনেট মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই বৰ্তমান সময়ত চৰকাৰী বিদ্যালয়ৰ শিক্ষকসকলৰ আত্মসমালোচনাৰ অতিকৈ প্ৰয়োজন আছে বুলি উল্লেখ কৰি শিক্ষা ব্যৱস্থাৰ লগতে সমাজৰ পৰিৱৰ্তনৰ ক্ষেত্ৰত শিক্ষকসকলে বিশেষ ভূমিকা গ্ৰহণ কৰিব পাৰে বুলি মন্তব্য কৰে। আনহাতে, বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে বিটিচি কৰ্তৃপক্ষই বিটিআৰৰ শৈক্ষিক উন্নয়নৰ বাবে লোৱা বিভিন্ন আঁচনিৰ বিষয়ে ব্যাখ্যা কৰে। বিটিচি প্ৰশাসনে বিটিচিত ভাৰতীয় প্ৰশাসনীয় সেৱাৰ বিষয়া সৃষ্টিৰ হকে ছুপাৰ ৫০ শুভাৰম্ভ কৰাৰ কথা উল্লেখ কৰি আইআইটিৰ শিক্ষাৰ বাবেও ছুপাৰ ৫০ আৰম্ভ কৰিব বুলি কয়। ৰাষ্ট্ৰীয় বঁটাৰে সন্মানিত কৃতী শিক্ষক গৌতম দেৱশৰ্মাই নিৰ্দিষ্ট বক্তাৰূপে উপস্থিত থাকি নিজৰ ভাষণত ৰাধাকৃষ্ণণৰ জীৱনৰ বিষয়ে চমু আলোকপাত কৰাৰ লগতে বৰ্তমান সময়ত শিক্ষকৰ দায়িত্ব আৰু কৰ্তব্যৰ বিষয়ে



ব্যাখ্যা কৰে। এই অনুষ্ঠানৰ লগত সংগতি ৰাখি এই বছৰৰ প্ৰমোদ চন্দ্ৰ ব্ৰহ্ম সাহিত্য বঁটা বাসুগাঁৱৰ অমৃত নাৰায়ণ পাটগিৰি আৰু গোসাঁইগাঁৱৰ সাহিত্যিক নন্দেশ্বৰ দৈমাৰীলৈ আগবঢ়োৱা হয়। ইয়াৰ উপৰি বিগত হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাত কৃতিত্ব অৰ্জন কৰা বিদ্যালয় তথা কলেজলৈ তিনিৰ পৰা পাঁচ লাখ টকাৰ পুৰস্কাৰ প্ৰদান কৰা হয়। এই অনুষ্ঠানতে বিটিচিৰ শিক্ষা বিভাগৰ অফিচিয়েল ৱেবছাইট, স্কুল এড'পছন এপ, এডভান্সিং নৰ্থ-ইষ্ট কেৰিয়াৰ হেণ্ডবুকৰ উপৰি পাঁচখনকৈ ভ্ৰাম্যমাণ বিজ্ঞান পৰীক্ষাগাৰ মুকলি কৰা হয়। বিটিচিৰ শিক্ষা বিভাগৰ সচিব অমৰজ্যোতি বৰ্মণে আদৰণি ভাষণ প্ৰদান কৰা অনুষ্ঠানত বিটিচিৰ অন্তৰ্গত ১৪ খন উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষক নিযুক্তিপত্ৰ প্ৰদান কৰা হয়। অনুষ্ঠানত বিটিচিৰ অধ্যক্ষ কাতিৰাম বড়ো, বিটিচিৰ কাৰ্যকৰী সদস্য ক্ৰমে নিলুৎ স্বৰ্গীয়াৰী, ৰঞ্জিৎ বসুমতাৰী, ৰেওৱেয়া নাৰ্জিয়াৰী, ধনঞ্জয় বসুমতাৰী, বিধায়ক জয়ন্ত বসুমতাৰী, বিটিচিৰ পাৰিষদ ক্ৰমে হেমন্ত কুমাৰ ৰাভা, প্ৰদীপ বায়ন, মাধৱ ছেত্ৰী, সজল সিংহ, বড়োলেণ্ড স্কুল এড'পছন কমিটীৰ অধ্যক্ষ কমল সিং নাৰ্জাৰী উপস্থিত থাকে।

## ১৩৯ গৰাকী খাদ্য সুৰক্ষাৰ কাৰ্ডৰ নামত আবন্টিত বিনামূলীয়া চাউল বিতৰণত অনিয়ম

# ঢেকিয়াজুলিৰ অমিয়পুৰ সমবায় সমিতি ঘেৰাও কৰিলে ক্ষুব্ধ ৰাইজে



**অগ্ৰদূত বাৰ্তা**
**ঠেলামৰা, ৫ ছেপ্টেম্বৰ ঃ** যি সময়ত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সুলভ মূল্যৰ দোকানীয়ে দুখীয়াৰ নামত আবন্টিত চাউল এমুঠিও আত্মসাৎ কৰিব নোৱাৰিব বুলি সকীয়াই দিছিল, সেই সময়তে মুখ্যমন্ত্ৰীৰ এই সকীয়নি কেৰেপ নকৰি ঢেকিয়াজুলিত মুখ্যমন্ত্ৰীৰ এই ঘোষণা অসাৰ প্ৰতিপন্ন কৰিলে সুলভ মূল্যৰ এজন এজেন্টে। উল্লেখ্য যে দুখীয়া পৰিয়ালক সকাহ দিবলৈ চৰকাৰে মাহত দুবাৰকৈ বিনামূলীয়া চাউল দিছে খাদ্য সুৰক্ষাৰ হিতাধিকাৰীক। ঢেকিয়াজুলিৰ চপাই বালিগাঁৱত সেই চাউল সুলভ মূল্যৰ এজেন্টে আত্মসাৎ কৰাৰ অভিযোগ উঠিছে। ইয়াক কেন্দ্ৰ কৰি ঢেকিয়াজুলিৰ অমিয়পুৰ সমবায় সমিতিত একাংশ ভুক্তভোগী লোকে প্ৰতিবাদ সাব্যস্ত কৰে। অভিযোগ অনুসৰি, অমিয়পুৰ সমবায় সমিতিৰ অধীনৰ চপাই বালিগাঁৱত সুলভ মূল্যৰ এজেন্ট গুণীৰাম ৰাভাই সুলভ মূল্যৰ চাউল বিতৰণত অনিয়ম সংঘটিত কৰিছে। একাংশৰ অভিযোগ দুখীয়া পৰিয়ালৰ নামত আবন্টিত বিনামূলীয়া চাউল আত্মসাৎ কৰিছে চপাই বালিগাঁৱৰ এজেন্ট গুণীৰাম ৰাভাই। চলিত মাহত আবন্টিত এইজন সুলভ মূল্যৰ এজেন্টে প্ৰতিখন কাৰ্ডৰ পৰা চাউল কৰ্তন কৰি বিতৰণ কৰিছে। কোনোবাই যদি ৩০ কেজি চাউল পাব লাগে তেওঁক বিতৰণ কৰিছে ১০ কেজি কোনোবাই যদি ২৫ কেজি পাব লাগে তেওঁক দিছে ১০ কেজি। এনেদৰে প্ৰতিখন খাদ্য সুৰক্ষা কাৰ্ডৰ পৰা চাউল কৰ্তন কৰি বিতৰণ কৰে। ইয়াৰ পাছতেই একাংশ লোকে সমবায় সমিতিৰ কাৰ্যালয়ত উপস্থিত হৈ বিষয়টো জানিব বিচৰাত স্পষ্ট হয় যে তেওঁলোকৰ নামত চাউল সঠিকভাৱেই আবন্টন হৈছিল, কিন্তু এজেন্টে বিতৰণত অনিয়ম সংঘটিত কৰিছে। ইয়াকে লৈ ক্ষুব্ধ ৰাইজে ঘেৰাও কৰে অমিয়পুৰ সমবায় সমিতি। ইপিনে, অমিয়পুৰ সমবায় সমিতিৰ সচিবে সাংবাদিকৰ আগত স্বীকাৰ কৰে যে এজেন্টক পূৰ্বৰ দৰেই আবন্টিত চাউল দিয়া হৈছে। কোনো ধৰণৰ চাউল কৰ্তন কৰা হোৱা নাই। এইসকল ভুক্তভোগী দুখীয়া পৰিয়ালকেইটাই ইয়াৰ বিৰুদ্ধে বিহিত ব্যৱস্থা গ্ৰহণৰ দাবী জনায়।

# নাগ্ৰীজুলি আঞ্চলিক চানতাল ছাত্ৰ সন্থাৰ চতুৰ্থ বাৰ্ষিক অধিবেশন সম্পন্ন



**অগ্ৰদূত বাৰ্তা**
**তামুলপুৰ, ৫ ছেপ্টেম্বৰ ঃ** বাগ্‌সা জিলা চানতাল ছাত্ৰ সন্থাৰ অধীনৰ নাগ্ৰীজুলি আঞ্চলিক সমিতিৰ চতুৰ্থ বাৰ্ষিক অধিবেশন কালি দিনজোৰা কাৰ্যসূচীৰে তামুলপুৰ জিলাৰ অন্তৰ্গত লাউপাৰাস্থিত চিদু-কানু মধ্য ইংৰাজী বিদ্যালয়ত অনুষ্ঠিত হয়। কাৰ্যসূচী অনুসৰি চানতাল ছাত্ৰ সন্থাৰ পতাকা উত্তোলন কৰে নাগ্ৰীজুলি আঞ্চলিক সমিতিৰ সভাপতি সুপল বাস্কে। ছহিদ তৰ্পণ কৰে সাধাৰণ সম্পাদক জন বাস্কে। পাছত নাগ্ৰীজুলি আঞ্চলিক চানতাল ছাত্ৰ সন্থাৰ অন্তিমখন কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হয়। আবেলি বাগ্‌সা জিলা চানতাল ছাত্ৰ সন্থাৰ সাংগঠনিক সম্পাদক ষ্টিফেন মুৰ্মুৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাখন উদ্বোধন কৰে বাগ্‌সা জিলা চানতাল ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক চুৰেন মাৰ্দীয়ে। সভাত চানতাল জনগোষ্ঠীক জনজাতিকৰণ, চানতালসকলৰ আৰ্থ-সামাজিক, শৈক্ষিক, সাংস্কৃতিক দিশৰ উন্নয়নৰ লগতে চানতালসকলক চাহ জনজাতিৰ অন্তৰ্ভুক্ত কৰা বিষয়ক আলোচনা কৰা হয়। নাগ্ৰীজুলি আঞ্চলিক চানতাল ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক জন বাস্কে আঁত ধৰা মুকলি সভাত বাগ্‌সা জিলা চানতাল ছাত্ৰ সন্থাৰ কাৰ্যালয় সম্পাদক বনফিছা ব্ৰেচা, দৈমাবাৰী প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক বাবুলাল টুডু, ভাওৰাগুৰী প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক নিকোলাছ টুডু, চিদু কানু মধ্য ইংৰাজী বিদ্যালয়ৰ সহকাৰী শিক্ষক অশোক টুডুৰ লগতে দুই শতাধিক চানতাল সম্প্ৰদায়ৰ লোক উপস্থিত থাকে। কালিৰ সভাতে নন্দ টুডুক সভাপতি আৰু থমাছ চৰেনক সাধাৰণ সম্পাদক হিচাপে লৈ নাগ্ৰীজুলি আঞ্চলিক চানতাল ছাত্ৰ সন্থাৰ ৩৪জনীয়া এখন নতুন সমিতি গঠন কৰা হয়।

# জালাহত আৰক্ষী জোৱানৰ মৃতদেহ উদ্ধাৰ

**অগ্ৰদূত বাৰ্তা**
**মুছলপুৰ, ৫ ছেপ্টেম্বৰ ঃ** বাগ্‌সা জিলাৰ আৰক্ষী চকীৰ সমীপৰ পুখুৰীত আজি এটা মৃতদেহ উদ্ধাৰ হয়। মৃতদেহটো জালাহ আৰক্ষী চকীত কৰ্মৰত এজন আৰক্ষী জোৱানৰ বুলি চিনাক্ত কৰা হৈছে। মৃত আৰক্ষী জোৱানজনৰ নাম শ্যামকুমাৰ ঝা। জালাহ আৰক্ষী চকীত প্ৰায় চাৰি মাহ ধৰি কৰ্মৰত আছিল জোৱানজন। জোৱানজনৰ ঘৰ গুৱাহাটীৰ পল্টনবজাৰত। প্ৰাতঃভ্ৰমণ কৰিব যোৱা একাংশ লোকে জালাহৰ ভেৰেলা বড়ো চুপালৈ যোৱা পথৰ কাষৰ পুখুৰীত তলমুৱাকৈ মৃতদেহটো পৰি থকা দেখা পায়। ৰাইজে খবৰ দিয়াৰ তিনি ঘণ্টা পাছতহে জালাহ আৰু শিমলা আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ মৃতদেহটো উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে মুছলপুৰ অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে। জোৱানজনৰ পুখুৰীত পৰি কেনেকৈ মৃত্যু হ'ল এই পৰ্যন্ত জানিব পৰা হোৱা নাই।

# লেওঁৱাবাৰীত দুখনকৈ চোৰাং বালিৰ ট্ৰেক্টৰ জব্দ

**অগ্ৰদূত বাৰ্তা**
**মাটিয়া ৫ ছেপ্টেম্বৰ ঃ** গোৱালপাৰাৰ বনাঞ্চলিক বিষয়া জগন্নাথ আগৰৱালাই অভিযান চলাই আজি সন্ধিয়া লেওঁৱাবাৰীৰ পৰা দুখনকৈ চোৰাং বালিৰ ট্ৰেক্টৰ জব্দ কৰে । এ এছ ১৮-চি-৮৫৯৮ আৰু এএছ ১৮-চি-৯৮৯০নম্বৰৰ ট্ৰেক্টৰ দুখনেৰে চালানবিহীনভাৱে চোৰাংকৈ বালি সৰবৰাহ কৰাৰ সময়তে জব্দ কৰি বনাঞ্চলিক বিষয়াজনে নিজৰ কাৰ্যালয়লৈ আনে। উল্লেখ্য যে লেওঁৱাবাৰী আৰু হাৰিমুৰাত জিনাৰী নদীৰ পৰা একাংশ অসাধু ব্যৱসায়ীয়ে অবৈধভাৱে বালি উঠাই ৰমৰমীয়া ব্যৱসায় চলাই থকা বুলি দীৰ্ঘদিনৰ পৰাই ৰাজহুৱা অভিযোগ উত্থাপিত হৈ আহিছে । একাংশ বিভাগীয় বিষয়া কৰ্মচাৰীক মেনেজ কৰি অসাধু ব্যৱসায়ীয়েসকলে বালিৰ অবৈধ মহল খুলি ব্যৱসায় চলাই থকা বুলি এক গুৰুতৰ অভিযোগ উত্থাপিত হৈছে । ফলত এফালে চৰকাৰে লাখ লাখ টকাৰ ৰাজহ হেৰুৱাবলগীয়া হৈছে আৰু আনফালে একাংশ বিভাগীয় বিষয়া- কৰ্মচাৰীয়ে নিজৰ নিজৰ পকেট গৰম কৰিবলৈ সক্ষম হোৱা বুলি ৰাইজৰ মাজত সৰৱ চৰ্চা চলিছে ।

## গোলাঘাট জিলা অধিবেশন সম্পন্ন

# যোৰহাটত হওক অসমৰ উপ-ৰাজধানী ঃ চিপিআই

**বিশেষ সংবাদদাতা**
**গোলাঘাট, ৫ ছেপ্টেম্বৰ ঃ** দুদিনীয়া কাৰ্যসূচীৰে গোলাঘাটত ভাৰতৰ কমিউনিষ্ট পাৰ্টিৰ গোলাঘাট জিলা পৰিষদৰ দ্বিবাৰ্ষিক অধিবেশন সম্পন্ন হয়। এই অধিবেশনত চিপিআইৰ তৰফৰ পৰা বহুকেইটা গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ কৰা হয়। তাৎপৰ্যপূৰ্ণভাৱে উজনি অসমৰ অৰ্থনৈতিক বিকাশ আৰু ৰাজনৈতিক গুৰুত্বৰ প্ৰতি লক্ষ্য ৰাখি যোৰহাটত অসমৰ উপ-ৰাজধানী স্থাপনৰ প্ৰস্তাৱ গ্ৰহণ কৰা হয়। চিপিআইৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক সদস্য পিংকুমণি দত্তই কয় যে অসমৰ সামগ্ৰিক বিকাশৰ লগতে উজনি অংশৰ ৰাইজৰ সুবিধাৰ্থে যোৰহাটত ৰাজ্যৰ দ্বিতীয় তথা উপ-ৰাজধানী আমি দলৰ তৰফৰ পৰা দাবী জনাই গোলাঘাট জিলা পৰিষদৰ অধিবেশনত প্ৰস্তাৱ গৃহীত কৰিছো। এই প্ৰস্তাৱৰ লগতে অসম-নগালেণ্ডৰ সীমা সমস্যাৰ স্থায়ী সমাধান, বান-খহনীয়া সমস্যা সমাধান, গোলাঘাট জিলাৰ খৰাংপীড়িত অঞ্চলত পৰিকল্পিত জলসিঞ্চনৰ ব্যৱস্থা গ্ৰহণ, হাতীয়ে কৃষকৰ শইচৰ ক্ষতিসাধন কৰা সমস্যাৰ সমাধান, গোলাঘাটৰ ক্ষুদ্ৰ চাহ খেতিয়কৰ বাগিচাত চৰকাৰে জলসিঞ্চন ব্যৱস্থা কৰা, গোলাঘাট জিলাত বানৰ উপদ্ৰৱ নিয়ন্ত্ৰণ কৰাৰ দাবীৰ লগতে জিলাখনত সমবায় কৃষি উৎপাদন গঢ়ি তোলা, শ্ৰমিক সমবায় আন্দোলন গঢ়ি তোলাৰ প্ৰস্তাৱ গ্ৰহণ কৰে। অৱসৰপ্ৰাপ্ত অধ্যাপক অমূল্য বৰাৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাত ৰাজ্যিক সম্পাদক মুনীন মহন্তই ভাষণ ৰাখি বিজেপি চৰকাৰৰ জনবিৰোধী নীতিৰ তীব্ৰ সমালোচনা কৰে। দেশৰ সম্পদ বিক্ৰী কৰি বিজেপিয়ে দেশখন দুজনমান বণিয়াক গতাই দিবলৈ চেষ্টা কৰিছে বুলি অভিযোগ আনে মহন্তই। মুকলি সভাত ৰাজ্যিক সহকাৰী সম্পাদক কনক গগৈ আৰু ৰাজ্যিক কাৰ্যনিৰ্বাহক পিংকুমণি দত্তই ভাষণ ৰাখে। মুকলি সভাত স্মাৰকগ্ৰন্থ উন্মোচন কৰে বৰ্ষীয়ান কমিউনিষ্ট নেতা বলো বৰাই। অধিবেশনৰ সুদীৰ্ঘ প্ৰতিনিধি সভাত চিপিআইৰ গোলাঘাট জিলাৰ ২৩ জনীয়া জিলা পৰিষদ গঠনৰ লগতে আগন্তুক দুবছৰৰ কাৰ্যকালৰ বাবে হৰেন বৰাক সম্পাদক, প্ৰহ্লাদ বৰা আৰু পৰমানন্দ দাসক সহকাৰী সম্পাদকৰূপে লৈ সাতজনীয়া জিলা কাৰ্যনিৰ্বাহক সমিতি গঠন কৰা হয়।

# ধুবুৰীত জীৱন বীমা সপ্তাহ উপলক্ষে মটৰ চাইকেল ৰেলী



**ধুবুৰী, ৫ ছেপ্টেম্বৰ ঃ** ধুবুৰীত ৬৬ সংখ্যক জীৱন বীমা নিগমৰ বাৰ্ষিকী উপলক্ষে একৰ পৰা সাত ছেপ্টেম্বৰলৈ জীৱন বীমা সপ্তাহ উদ্‌যাপনৰ প্ৰাকমুহূৰ্তত আজি মটৰ চাইকেল ৰেলীৰ আয়োজন কৰে। উক্ত মটৰ চাইকেল ৰেলীৰ ফ্লেগঅফ কৰে ধুবুৰী পৌৰসভাৰ পৌৰপতি ডাঃ দেৱময় সান্যালে। জীৱন বীমা নিগমৰ ধুবুৰী শাখা কাৰ্যালয়ৰ সন্মুখৰ পৰা প্ৰায় অৰ্ধশতাধিক এজেন্টকে ধৰি কৰ্মচাৰীসকলে চহৰখনৰ বিভিন্ন অঞ্চলেৰে ৰাইজক সজাগ কৰাৰ উদ্দেশ্যে এই ৰেলীৰ আয়োজন কৰে। জীৱন বীমাৰ বিকল্প নাই আৰু সকলোৱে জীৱন বীমা কৰিব লাগে বুলি জীৱন বীমা নিগমৰ ধুবুৰী শাখাৰ প্ৰবন্ধকে কয়। ইতিমধ্যে ধুবুৰী জীৱন বীমা শাখাৰ জৰিয়তে পাঁচ হেজাৰৰো অধিক নিবনুৱা যুৱক-যুৱতীক সংস্থাপন দিয়া হৈছে বুলিও জানিবলৈ দিয়ে শাখা প্ৰবন্ধকজনে।

# ধুবুৰীত কোচ ৰাজবংশী সাহিত্য সভাৰ আঞ্চলিক সমিতি গঠন

**অগ্ৰদূত বাৰ্তা**
**তামাৰহাট, ৫ ছেপ্টেম্বৰ ঃ** ধুবুৰী জিলাৰ আৰ কে মিছন ৰোডৰ চিলাৰায় এল পি স্কুলত এখন সাধাৰণ সভা অনুষ্ঠিত হয়। উক্ত সভাত ধুবুৰী চহৰৰ কোচ ৰাজবংশী সাহিত্য সভাৰ পুৰণি শাখা সমিতি ভংগ কৰি নতুনকৈ কোচ ৰাজবংশী সাহিত্য সভাৰ শাখা সমিতি গঠন কৰে। বিশিষ্ট শিক্ষাবিদ আৰু ৰাজবংশী ভাষাৰ সাহিত্যিক পাঞ্চালী সিন্‌হাক সভানেত্ৰী আৰু বিশিষ্ট শিক্ষক প্ৰবীণ ৰায়ক সাধাৰণ সম্পাদক হিচাপে মনোনীত কৰে। সভাত কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক কমল কুমাৰ বৰ্মন, উপ-সভাপতি মুনীন্দ্ৰ নাথ ৰায়, সম্পাদক পিনাকী ৰায়, পত্ৰিকা সম্পাদক ৰঘুনাথ চৌধুৰী, উপদেষ্টা ড° লাবণ্য ভকত আদিয়ে ৰাজবংশী ভাষা-সাহিত্যৰ ওপৰত বক্তব্য আগবঢ়ায়। লগতে উপস্থিত থাকে ধুবুৰী জিলা কোচ ৰাজবংশী সাহিত্য সভাৰ সভাপতি আৰু সাধাৰণ সম্পাদক ক্ৰমে নিত্যানন্দ ৰায় আৰু ডালিম ৰায়। ধুবুৰী চহৰৰ বিশিষ্ট নাগৰিক, চিকিৎসক ড° বিপুল চন্দ্ৰ ৰায়, ধুবুৰী পৌৰসভাৰ উপ-সভানেত্ৰী আইভি লতা ৰায়কে ধৰি প্ৰায় শতাধিক লোক উপস্থিত আছিল।

# তেজপুৰত নকল সোণসহ প্ৰৱঞ্চক আটক

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**তেজপুৰ, ৫ ছেপ্টেম্বৰ ঃ** সেনাৰ চতুৰ্থ ক'ৰৰ চোৰাংচোৱা সূত্ৰৰ তথ্যৰ ভিত্তিত আজি তেজপুৰৰ শালনিবাৰী আৰক্ষীয়ে চলোৱা এক অভিযানত নকল সোনসহ এক প্ৰৱঞ্চকক কৰায়ত্ত কৰা হয়। আৰক্ষীয়ে ভালুকঝাৰণি অঞ্চলৰ হবিবুৰ ৰহমান নামৰ প্ৰৱঞ্চকজনক কৰায়ত্ত কৰাৰ লগতে ২১৫ গ্ৰাম ওজনৰ নকল সোণৰ বিস্কুতো উদ্ধাৰ কৰিবলৈ সক্ষম হৈছে। বৰ্তমান হবিবুৰক শানিবাৰী আৰক্ষী চকীত জেৰা অব্যাহত ৰাখিছে আৰক্ষীয়ে।

# তেজপুৰত আৰক্ষীৰ বাহনে মহতীয়ালে টেম্প' ঃ আহত দুজন

**ষ্টাফ ৰিপ'ৰ্টাৰ,**
**তেজপুৰ, ৫ ছেপ্টেম্বৰ ঃ** আজি দিনৰ প্ৰায় তিনি বজাত তেজপুৰৰ মহাভৈৰৱ মন্দিৰৰ সমীপত এখন দ্ৰুতবেগী আৰক্ষীৰ বলেৰ' বাহনে মহটিয়াই নিয়ে যাত্ৰীবাহী টেম্প'সহ চাৰিচকীয়া বাহন। শোণিতপুৰ আৰক্ষীৰ বলেৰ' বাহনখনে ইন্ধন ভৰোৱাৰ উদ্দেশ্যে স্থানীয় ধনুৱা নগৰৰ ডিপো অভিমুখে গৈ থকা অৱস্থাত মহাভৈৰৱ মন্দিৰৰ সন্মুখত 'মন পছন্দ' নামৰ মিঠাই বিক্ৰেতা প্ৰতিষ্ঠানৰ খাদ্য বস্তু কঢ়িওৱা এএছ-১২ বিচি-৫৮০৬ নম্বৰ টেম্প'খনত তীব্ৰ বেগী আৰক্ষী বলেৰ' বাহনখনে খুন্দা মাৰে। উল্লেখ্য যে দৰং মহাবিদ্যালয়ৰ সমীপৰ পৰা এনচি ৰ'ডস্থিত 'মন পছন্দ চুইট' অভিমুখী টেম্প'খনক ধনুৱা নগৰ অভিমুখী তীব্ৰ বেগী বলেৰ'খনে খুন্দা মাৰে। ইয়াৰ ফলত টেম্প'খনে নিয়ন্ত্ৰণ হেৰুৱাই এএছ-১২ কে-৬৫৮৯ নম্বৰৰ আন এখন বাহনত খুন্দা মাৰে । এই দুৰ্ঘটনাত বাহনকেইখনৰ চালক তথা যাত্ৰীৰ প্ৰাণ কথমপি ৰক্ষা পৰে যদিও আৰক্ষীৰ নম্বৰপ্লেটহীন বলেৰ' বাহনখনৰ চালক অঞ্জন নাথ আৰু টেম্প'ৰ চালকজন আহত হয়। দুয়োকে বৰ্তমান কনকলতা অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰা হৈছে।

# বৃহৎ পৰিমাণৰ ড্ৰাগছসহ তিনি ড্ৰাগছ সৰবৰাহকাৰী ধিং আৰক্ষীৰ জালত

**অগ্ৰদূত বাৰ্তা**
**ধিং, ৫ ছেপ্টেম্বৰ ঃ** সম্প্ৰতি ৰাজ্যৰ আন ঠাইৰ লগতে নগাঁও জিলাৰ ধিঙতো অব্যাহত আছে ড্ৰাগছ বিৰোধী অভিযান। শেহতীয়াকৈ যোৱা নিশা ধিং আৰক্ষীয়ে এক বিশেষ সূত্ৰৰ পম খেদি চলোৱা অভিযানত শালনাবড়ী, জামুগুৰি আৰু ভেৰভেৰীত চলোৱা পৃথক অভিযানত তিনিটাকৈ ড্ৰাগছ সৰবৰাহকাৰীক আটক কৰে। ধৃত ড্ৰাগছ সৰবৰাহকাৰীকেইজন ক্ৰমে ছাহজাহান আলী, ইলিয়াছ আনচাৰী আৰু নুৰজামাল ইছলাম। লগতে ড্ৰাগছ সৰবৰাহকাৰীকেইজনৰ পৰা জব্দ কৰে ১৩.৫ গ্ৰাম ড্ৰাগছ আৰু ১৩ টাকৈ খালী কণ্টেইনাৰ।

# মঙলদৈত চালুকীয়া পাটপলু পালনৰ প্ৰশিক্ষণ আৰম্ভ



**বিশেষ সংবাদদাতা**
**মঙলদৈ, ৫ ছেপ্টেম্বৰ ঃ** পশ্চিমবংগৰ বৰমপুৰস্থিত কেন্দ্ৰীয় ৰেছম গৱেষণা আৰু কাৰিকৰী প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ সৌজন্যত তথা কেন্দ্ৰীয় ৰেছম ব'ৰ্ডৰ মঙলদৈৰ গৱেষণা আৰু সম্প্ৰসাৰণ কেন্দ্ৰৰ উদ্যোগত মঙলদৈত আজিৰ পৰা আৰম্ভ হৈছে চালুকীয়া পাটপলু পালনৰ প্ৰশিক্ষণ। এই প্ৰশিক্ষণ কাৰ্যসূচী উদ্বোধন কৰে দৰঙৰ সহকাৰী ৰেছম সঞ্চালক প্ৰতিম ভূঞাই। দৰং জিলাৰ বিভিন্ন প্ৰান্তৰ ২৫ জন পলু পালকে অংশগ্ৰহণ কৰা উক্ত কাৰ্যসূচীত ৰেছম বিজ্ঞানী বি কে বসুমতাৰী, মঙলদৈ ৰেছম পামৰ পৰিচালক ড° আনছাৰুল হক, চেণ্ট্ৰেল চিল্ক ব'ৰ্ডৰ জেষ্ঠ কাৰিকৰী সহায়ক উজ্জ্বল কান্তি পাল, ৰেছম প্ৰদৰ্শক আছাদ আলী আদিয়ে প্ৰশিক্ষণ কাৰ্যসূচীত অংশগ্ৰহণ কৰে। আনহাতে, ৰেছম বিজ্ঞানী বসুমতাৰীয়ে ৰেছম পালকসকলক পাটপলু পালনৰ ক্ষেত্ৰত চালুকীয়া পলু পালন পদ্ধতিৰ কাৰিকৰী দিশসমূহ জানি-বুজি ল'বলৈ আহ্বান জনাই কয় যে চালুকীয়া পলু পালনৰ সতৰ্কতাৰ ওপৰতেই পলু পালনৰ সফলতা নিৰ্ভৰ কৰে। সেয়েহে এনেধৰণৰ প্ৰশিক্ষণ কাৰ্যসূচীয়ে জিলাখনৰ ৰেছম উৎপাদনৰ ক্ষেত্ৰত বিশেষ অৰিহণা যোগোৱাৰ সম্ভাৱনা আছে।

# গোৱৰ্ধন আঞ্চলিক শাৰদীয় দুৰ্গা পূজাৰ লাইখুঁটা স্থাপন



**ছয়গাঁও, ৫ ছেপ্টেম্বৰ ঃ** ছয়গাঁও সমষ্টিৰ গোৱৰ্দ্ধন আঞ্চলিক সাৰ্বজনীন শাৰদীয় দুৰ্গা পূজা বিগত বছৰৰ দৰে এইবাৰো উলহ-মালহেৰে উদ্‌যাপন কৰাৰ প্ৰস্তুতি চলাইছে। ২৬সংখ্যক শাৰদীয় দুৰ্গা পূজা সাফল্যমণ্ডিত কৰি তুলিবলৈ আজি এক মাংগলিক অনুষ্ঠানৰ মাজেৰে লাইখুঁটা স্থাপন কৰা হয়। ছয়গাঁও থানাৰ আৰক্ষী বিষয়া ভগৱান ডেকাই লাইখুঁটা স্থাপন কৰা অনুষ্ঠানত পূজা কমিটীৰ বিষয়ববীয়াসকলৰ উপৰি উপস্থিত থাকে সভাপতি জীতেন কলিতা, সম্পাদক প্ৰণৱ দাসসহ কে'বাজনো বিশিষ্ট ব্যক্তি। অহা একৰ পৰা পাঁচ অক্টোবৰলৈ চলিবলগীয়া দুৰ্গা পূজাৰ লগত সংগতি ৰাখি প্ৰতি দিনে নাম-কীৰ্তন, সাংস্কৃতিক কাৰ্যসূচী আৰু যাত্ৰাভিনয় চলিব।

## কৃষকক পানী যোগানত ব্যৰ্থ বৰনদীৰ জলসিঞ্চন আঁচনি মুখ্যমন্ত্ৰীৰ গৃহ সমষ্টিত জলসিঞ্চন বিভাগৰ ফোঁপোলা স্বৰূপ

# জংঘলে আৱৰিছে জলসিঞ্চন বিভাগৰ কোটিটকীয়া প্ৰকল্প



**অগ্ৰদূত বাৰ্তা**
**দুমুনিচকী, ৫ ছেপ্টেম্বৰ ঃ** 'আছে গৰু নাবাই হাল থকাতকৈ নথকাই ভাল'- এই আপ্ত বাক্যশাৰীয়ে যেন বাস্তৱ ক্ষেত্ৰত সঁচাত পৰিণত হৈছে জলসিঞ্চন বিভাগৰ গুৱাহাটী সংমণ্ডলৰ ক্ষেত্ৰত। সংমণ্ডলটোৰ অন্তৰ্গত শৰাইঘাট, আল্টা আৰু ইছলামপুৰকে ধৰি কে'বাখনো গাঁৱৰ কৃষক ৰাইজে খৰাঙৰ বাবে কৃষিভূমিত পানীৰ অভাৱত মূৰে-কপালে হাত দিয়াৰ সময়তো খেতিপথাৰত পানী যোগান ধৰিব পৰা নাই বিভাগটোৱে। ৰাজ্যৰ জলসিঞ্চন বিভাগৰ গুৱাহাটী সংমণ্ডলৰ অধীনত দুই কোটি ছয় লাখ ২৪ হেজাৰ চাৰিশ টকাকৈ ব্যয় কৰি ইছলামপুৰ ইএলআইএছ নামেৰে বৰনদীত পইণ্ট এক আৰু পইণ্ট দুই বুলি দুটাকৈ পানী যোগান আঁচনি স্থাপন কৰিছে যদিও আজিলৈ আঁচনি দুখনৰ পৰা খেতি পথাৰত পানী যোগান ধৰিবলৈ সক্ষম হোৱা নাই জলসিঞ্চন বিভাগ। স্বয়ং মুখ্যমন্ত্ৰীৰ গৃহ সমষ্টি জালুকবাৰীৰ অন্তৰ্গত ইছলামপুৰ আৰু শৰাইঘাট গাঁৱৰ বৰনদীত স্থাপন কৰা কোটি কোটি টকীয়া আঁচনিখনৰ তথৈবচ অৱস্থাৰ পাছতো চকু মুদা কুলিৰ ভাঁৱত থকা জলসিঞ্চন বিভাগে কৃষকৰ উপকাৰৰ বাবে এইবেলি খৰাঙতো কৃষিভূমিত পানী যোগানৰ কোনো ব্যৱস্থা গ্ৰহণ নকৰিলে। যাৰ বাবে পানীৰ অভাৱত নষ্ট হ'ল শালি ধানৰ খেতি। আঁচনি দুখন পৰিচালনা কৰিবলৈ কৰ্তব্যত কোনো কৰ্মচাৰীক দেখা নাযায় বুলি ব্যক্ত কৰিছে স্থানীয় ৰাইজে। স্থানীয় ৰাইজে অৱগত কৰামতে দুই-এদিন বিভাগটোৰ কৰ্মচাৰী আঁচনিখনলৈ আহে যদিও বিদ্যালয় পৰিদৰ্শকৰ দৰে আঁচনি দুখন পৰিদৰ্শন কৰি গুচি যায়। যাৰবাবে বিকল আঁচনি দুখন এতিয়া আৱৰি ধৰিছে জংঘলে। কোটি কোটি টকা ৰাইজৰ ধন শৰাধ কৰি বিভাগটোৱে স্বয়ং মুখ্যমন্ত্ৰীৰ গৃহ সমষ্টিতে কৰা এই ভেঁকোভাওনাই বিভাগটোৰ ফোঁপোলা স্বৰূপ উদঙাই দিয়া বুলি সচেতন সমাজে মন্তব্য কৰিছে।

# হোজাইত দুশ দুই কেজি গাঞ্জাসহ আটক দুই

**অগ্ৰদূত বাৰ্তা**
**হোজাই, ৫ ছেপ্টেম্বৰ ঃ** হোজাই আৰক্ষীয়ে গাঞ্জাৰ বিৰুদ্ধে অভিযান চলাই হোজাই ৰেল ষ্টেছনত নামনিমুৱা ৰাণী কমলাবতি ৰেলৰ পৰা দুশ দুই কেজি গাঞ্জা উদ্ধাৰ কৰিবলৈ সক্ষম হোৱাৰ লগতে গাঞ্জা সৰবৰাহৰ অভিযোগত পূৱ ধনীৰাম পথাৰ অঞ্চলৰ চইফউদ্দিন আৰু হোজাইৰ ঠিকাদাৰ বস্তিৰ ইছলাম উদ্দিনক আটক কৰে। জানিব পৰা মতে, হোজাই আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া তপন মেধিয়ে ত্ৰিপুৰা-মধ্যপ্ৰদেশ নামনিমুৱা ৰাণী কমলাৱতী ৰেলত গাঞ্জা সৰবৰাহ হোৱাৰ গোপন সূত্ৰত লাভ কৰাত যোৱা নিশা হোজাই ৰেল ষ্টেছনত ৰেল খন আহি পোৱাৰ লগে লগেই আৰক্ষীৰ এটা দল লৈ অভিযান চলাই ৰেলৰ ডবাৰ শৌচালয়ৰ পৰা



১০৬ টা পেকেটত বান্ধি থোৱা অৱস্থাত ২০২ কেজি গাঞ্জা উদ্ধাৰ কৰে। পাছত গাঞ্জাখিনি সৰবৰাহৰ অভিযোগত নিশাই অভিযান চলাই ধনীৰাম পথাৰ অঞ্চলৰ চইফউদ্দিন আৰু হোজাইৰ ঠিকাদাৰ বস্তি অঞ্চলৰ ইছলামউদ্দিনক আটক কৰি আজি শংকৰদেৱ নগৰ ন্যায়িক দণ্ডাদিশৰ আদালতত হাজিৰ কৰাত আদালতে দুয়োকে আৰক্ষী জিম্মালৈ প্ৰেৰণ কৰে। উদ্ধাৰকৃত গাঞ্জাখিনিৰ বজাৰ মূল্য ৫০ লাখ টকা হ'ব বুলি আৰক্ষীয়ে জনায় ।

### ১০ ছেপ্টেম্বৰৰ উদ্বোধনী মেচত ভাৰতৰ প্ৰতিদ্বন্দ্বী দক্ষিণ আফ্ৰিকা ঃ পুনৰ হাতত বেট লৈ সাজু শচীন-লাৰা

# তাৰকাৰ সমাবেশেৰে ৰ'ড ছেফটি ৱৰ্ল্ড ছিৰিজ ক্ৰিকেট



**মুম্বাই, ৫ ছেপ্টেম্বৰ ঃ** মাষ্টাৰ ব্লাষ্টাৰ শচীন তেণ্ডুলকাৰসহ বিশ্বৰ ক্ৰিকেটৰ কেবজনো তাৰকাৰ অংশগ্ৰহণেৰে হ'বলগা ৰ'ড ছেফটি ৱৰ্ল্ড ছিৰিজ ২০২২ ক্ৰিকেট প্ৰতিযোগিতাৰ মেচৰ সূচী আজি ঘোষণা কৰা হৈছে। সেই অনুসৰি অহা ১০ ছেপ্টেম্বৰত কানপুৰৰ গ্ৰীণ পাৰ্ক ষ্টেডিয়ামত শচীন তেণ্ডুলকাৰে নেতৃত্ব দিব লগা ইণ্ডিয়া লিজেণ্ডছ আৰু দক্ষিণ আফ্ৰিকা লিজেণ্ডছৰ মাজত প্ৰথমখন খেল অনুষ্ঠিত হ'ব। উল্লেখ্য যে এই প্ৰতিযোগিতাৰ এইবাৰৰ দ্বিতীয় সংস্কৰণত ইণ্ডিয়া লিজেণ্ডছ, দক্ষিণ আফ্ৰিকা লিজেণ্ডছ, ৱেষ্ট ইণ্ডিজ লিজেণ্ডছ, অষ্ট্ৰেলিয়া লিজেণ্ডছ, শ্ৰীলংকা লিজেণ্ডছ, বাংলাদেশ লিজেণ্ডছ, ইংলেণ্ড লিজেণ্ডছ, নিউজিলেণ্ড লিজেণ্ডছকে ধৰি মুঠ আঠটা দলে অংশগ্ৰহণ কৰিব। ইন্দোৰ, ডেৰাডুন, ৰায়পুৰ, আৰু কানপুৰকে ধৰি মুঠ চাৰিটা স্থানত অনুষ্ঠিত হ'ব ৰ'ড ছেফটি ৱৰ্ল্ড ছিৰিজ ২০২২ ক্ৰিকেট প্ৰতিযোগিতাৰ মেচ। ফাইনেল আৰু ছেমিফাইনেল অনুষ্ঠিত হ'ব ৰায়পুৰত। **ইণ্ডিয়া লিজেণ্ডছ** দলত আছে শচীন তেণ্ডুলকাৰ, যুৱৰাজ সিং, ইৰফান পাঠান, ইউছুফ পাঠান, হৰভজন সিং, মুনাফ পেটেল, সুব্ৰমণিয়াম বদ্ৰীনাথ, ষ্টুৱাৰ্ট বিন্নী, নমন ওঝা, মনপ্ৰীত গনি, প্ৰজ্ঞান ওঝা, বিনয় কুমাৰ, অভিমন্যু মিথুন, ৰাজেশ পাৱাৰ, আৰু ৰাহুল শৰ্মা। ইফালে, **নিউজিলেণ্ড লিজেণ্ডছ** দলত আছে ৰজ টেইলৰ , জেকব ওৰাম, জেমী হাউ, জেছন স্পাইচ, কাইল মিলছ, স্কট ষ্টাইৰিছ, শ্বেন বণ্ড, ডিন ব্ৰাউনলি, ব্ৰুচ মাৰ্টিন, নীল ব্ৰুম, এৰন ৰেডমণ্ড, এণ্টন ডেভচিচ, ক্ৰেগ মেকমিলান, গেৰেথ হপকিন্স, আৰু হামিছ বেনেট। **অষ্ট্ৰেলিয়া লিজেণ্ডছৰ** হৈ খেলিব শ্বেন ৱাটছন, এলেক্স ডুলান, বেন ডাংক, ব্ৰেড হজ, ব্ৰেড হেডিন, ষ্টুৱাৰ্ট ক্লাৰ্ক, ব্ৰেট লি, ব্ৰাইচ মেকগেইন, কেলাম ফাৰ্গুচন, কেমেৰন হোৱাইট, জৰ্জ হৰ্লিন, জেছন ক্ৰেজজা, জন হেষ্টিংছ, ডাৰ্ক নানেছ, নাথান ৰিয়াৰ্ডন, আৰু চাড ছেয়াৰ্ছ। **ৱেষ্ট ইণ্ডিজ লিজেণ্ডছ** দলত আছে ব্ৰায়ান লাৰা , ডাঞ্জা হায়াট, দেৱেন্দ্ৰ বিচু, ড'ৱেইন স্মিথ, জেৰম টেইলৰ, কাৰ্ক এডৱাৰ্ডছ, মাৰ্লন ইয়ান ব্লেক, নাৰ্চিং ডিঅ'নাৰিন, চুলিমেন বেন, ডেৰেন পাৱেল, উইলিয়াম পাৰ্কিন্স, ডাৰিয়ান বাৰ্থলী, ডেভ মহম্মদ, আৰু কৃষ্মাৰ ছান্টোকি। ইফালে, **ইংলেণ্ড লিজেণ্ডছৰ** হৈ খেলিব ইয়ান বেল, নিক কম্পটন, ফিল মাষ্টাৰ্ড, ক্ৰীছ ট্ৰেমলেট, ডেৰেন মেডী, ডেৰেন ষ্টিভেন্স, জেমছ টিণ্ডেল, ৰিকি ক্লাৰ্ক, ষ্টিফেন পেৰী, টিম এমঞ্জব্ৰ'জ, ডিমিট্ৰি মাস্কাৰেনহাছ, ক্ৰীছ স্কোফিল্ড, জেড ডাৰ্নবাক, আৰু মাল লয়। **বাংলাদেশ লিজেণ্ডছ** দলৰ সদস্যসকল হ'ল শ্বাহাদত হোছেইন, আব্দুৰ ৰজ্জাক, আলমগীৰ কবীৰ, আফতাব আহমেদ, আলোক কাপালি, মামুন উৰ ৰছিদ, নাজমুছ সাদাত, ধীমান ঘোষ, ডলাৰ মাহমুদ, খালেদ মাছুদ, মহম্মদ শ্বৰীফ, মেহৰাব হোছেইন, ইলিয়াছ ছানী, মহম্মদ নাজিমুদ্দিন, আবুল হাছান, আৰু তুষাৰ ইমৰাণ। **শ্ৰীলংকা লিজেণ্ডছত** আছে টি এম দিলশান, কৌশল বীৰাৰত্নে, মহেলা উদাৱট্টে, ৰুমেশ ছিলভা, আচেলা গুনাৰত্নে, চামাৰা ছিলভা, ইছুৰু উদনা, চামাৰা কপুগেদাৰ, চামিন্দা ৱাছ, চতুৰাংগা দে ছিলভা, চি জয়সিংহে, ধমিক্কা প্ৰসাদ, দিলৰুৱান পেৰেৰা, দিলচন মুনাৱেৰা, ঈশান জয়ৰাত্নে, জীৱন মেণ্ডিছ, নুৱান কুলাচেকাৰ, সনাথ জয়সূৰীয়া, উপুল থাৰাংগা, আৰু থিছাৰা পেৰেৰা। আনহাতে, **দক্ষিণ আফ্ৰিকা লিজেণ্ডছ** দলৰ ক্ৰিকেটাৰসকল হ'ল জনটি ৰোডছ, আলভিৰো পিটাৰচেন, এণঞ্জড্ৰু পুটিক, এডি লেই, গাৰ্নেট ক্ৰুগাৰ, হেনৰী ডেভিডছ, জেক ৰুডলফ, জোহান বোথা, জোহান ভান ডেৰ ৱাথ, লেন্স ক্লুচেনাৰ, এল নৰিছ জোনছ, মাখায়া ন্টিনি, মৰ্ণ ভান ভাইক, টি ছাবালালা, ভাৰ্নন ফিলাণ্ডাৰ, আৰু জেণ্ডাৰ ডি ব্ৰুইন।

## বজালী এফ চি ছেমিফাইনেলত

**অগ্ৰদূত বাৰ্তা, সৰ্থেবাৰী, ৫ ছেপ্টেম্বৰ ঃ** সৰ্থেবাৰী স্পৰ্টছ ক্লাবৰ উদ্যোগত সৰ্থেবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত চলি থকা খনীন ডেকা আৰু অধৰ চন্দ্ৰ দাস সোঁৱৰণী চলন্ত ফুটবল প্ৰতিযোগিতাৰ আজি অনুষ্ঠিত হোৱা অন্তিমখন কোৱাৰ্টাৰ ফাইনেল খেলত বজালী এফ চিয়ে বাপুজী সংঘ, নসত্ৰক ২-১ গ'লৰ ব্যৱধানত পৰাস্ত কৰি ছেমিফাইনেলত প্ৰৱেশ কৰিবলৈ সক্ষম হয়।

## পি বি জে বি ক্লাবৰ জয়লাভ

**অগ্ৰদূত বাৰ্তা, বেবেজীয়া, ৫ ছেপ্টেম্বৰ ঃ** নগাঁও আৰু মৰিগাঁও জিলাৰ সীমামূৰীয়া জাজৰি আঞ্চলিক ক্ৰীড়া সন্থাৰ উদ্যোগত বৰমণিপুৰস্থিত সন্থাৰ নিজা খেলপথাৰত চলি থকা ফুটবল লীগ প্ৰতিযোগিতাৰ আজিৰ খেলত পানবাৰীৰ পি.বি.জে.বি. ক্লাব দলে দলংঘাটৰ মিলনজ্যোতি ফুটবল কোচিং চেণ্টাৰক ১-০ গ'লত পৰাজিত কৰে। তুমুল প্ৰতিদ্বন্দ্বিতামূলক খেলখনত পি.বি.জে.বি. ক্লাবৰ হৈ বিজয়সূচক গ'লটো দীপ কুমাৰ বৰদলৈয়ে দিয়ে।

## এছিয়া কাপত আজি শ্ৰীলংকাৰ বিৰুদ্ধে ভাৰতৰ মৰণপণ মেচ

**ডুবাই, ৫ ছেপ্টেম্বৰ ঃ** চলিত এছিয়া কাপ টি-২০ ক্ৰিকেটৰ কাইলৈ হ'বলগা ছুপাৰ ফ'ৰৰ এখন মেচত ভাৰত মুখামুখি হ'ব শ্ৰীলংকাৰ। উল্লেখ্য যে ভাৰতৰ বাবে এই মেচ কাৰ্যতঃ মৰণপণ। কাৰণ কাইলৈৰ মেচত জয়লাভ কৰিলেহে ভাৰতে ফাইনেলত প্ৰৱেশৰ আশা সজীৱ কৰিব ৰাখিব পাৰিব। উল্লেখ্য যে এইবাৰ প্ৰতিযোগিতাৰ নিয়ম অনুসৰি দুটা গ্ৰুপৰ পৰা চাৰিটা দল উন্নীত হৈছে ছুপাৰ ফ'ৰলৈ। এতিয়া এই চাৰিটা দলে তিনিখনকৈ লীগ মেচ খেলিব আৰু শীৰ্ষ দুটা দলৰ মাজত অনুষ্ঠিত হ'ব ফাইনেল। ভাৰতৰ লগতে ছুপাৰ ফ'ৰলৈ যোগ্যতা অৰ্জন কৰা অন্য তিনিটা দল হ'ল পাকিস্তান, শ্ৰীলংকা আৰু আফগানিস্তান। ভাৰতে ছুপাৰ ফ'ৰৰ প্ৰথম মেচত পাঁচ উইকেটত পৰাস্ত হয় পাকিস্তানৰ বিৰুদ্ধে। উল্লেখ্য যে যোৱানিশাৰ মেচখনত ১৮২ ৰাণৰ বিজয়লক্ষ্য অনুসৰণ কৰি পাকিস্তানে এটা বল বাকী থাকোতেই পাঁচ উইকেট হেৰুৱাই জয়লাভ কৰে। পাকিস্তানৰ হৈ মহম্মদ ৰিজৱানে ৭১ আৰু মহম্মদ নাৱাজে ৪২ ৰাণ কৰে। ইয়াৰপূৰ্বে ভাৰতে পোনতে বেটিং কৰি ভাৰতে সাত উইকেটত ১৮১ ৰাণ কৰে। ভাৰতৰ হৈ বিৰাট কোহলিয়ে ৬০ ৰাণ কৰাৰ বিপৰীতে ২৮ ৰাণকৈ কৰে লোকেছ ৰাহুল আৰু ৰোহিত শৰ্মাই। এই পৰাজয়ৰ বাবেই কাইলৈৰ মেচখন ভাৰতৰ বাবে মৰণপণ হৈ পৰিছে।





### অইল-আইটা ছুপাৰ ছিৰিজ ৰাষ্ট্ৰীয় টেনিছ প্ৰতিযোগিতা

## অসমৰ খেলুৱৈৰ প্ৰত্যাশিত আৰম্ভণি

**গুৱাহাটী, ৫ ছেপ্টেম্বৰ ঃ** অসম টেনিছ সন্থাৰ উদ্যোগত তথা অইল ইণ্ডিয়াৰ সহযোগিতাত গুৱাহাটীৰ চচত চলি থকা অইল-আইটা ছুপাৰ ছিৰিজ ৰাষ্ট্ৰীয় টেনিছ প্ৰতিযোগিতাৰ প্ৰথমদিনাই প্ৰত্যয়জনক আৰম্ভণি কৰিছে অসমৰ খেলুৱৈসকলে। উল্লেখ্য যে ১২ আৰু ১৪ বছৰ অনূৰ্দ্ধৰ ল'ৰা-ছোৱালীৰ ৰাষ্ট্ৰীয় টেনিছ প্ৰতিযোগিতাখনৰ যোৱা দুদিন ধৰি কোৱালিফায়িং ৰাউণ্ডৰ মেচ হোৱাৰ পাছত আজিৰে পৰা আৰম্ভ হয় মূল ৰাউণ্ডৰ খেল। ছোৱালীৰ ১২ বছৰ অনূৰ্দ্ধ শাখাৰ প্ৰথম ৰাউণ্ডৰ মেচত জয়লাভ কৰি দ্বিতীয় ৰাউণ্ডত প্ৰৱেশ কৰিছে অসমৰ অৰ্ণৱী দেৱনাথ, নায়ীম হুছেইন, সংস্কৃতি বৰা, দেৱস্মিতা ৰায়, নাওদিতা শুক্লা, ফাগুন জ্যোতি, আৰিশা এম চৌধুৰী, শীৰালী গগৈ আৰু এঞ্জেলিকা হাজৰিকা। ইফালে, কৰ্ণাটকৰ সমৃদ্ধি বৈশ্য আৰু বিহাৰৰ ভাৰ্গৱী শৰ্মায়ো দ্বিতীয় ৰাউণ্ডত প্ৰৱেশ কৰিছে। আনহাতে, ১২ বছৰ অনূৰ্দ্ধ শাখাৰ ল'ৰাৰ প্ৰথম ৰাউণ্ডৰ মেচত জয়লাভ কৰি দ্বিতীয় ৰাউণ্ডত প্ৰৱেশ কৰিছে অসমৰ কৃতাৰ্থ তামুলী , প্ৰশান্ত বৰা , শ্ৰীমন্ত গগৈ , অভয় ভৰালী , চান্দোগ্য টি পাঠক , নিব্ৰাছ কে হুছেইন, আৰ্যমন কোঁৱৰ আৰু আয়ান কাশ্যপে। ইফালে, এই শাখাৰ দ্বিতীয় ৰাউণ্ডত প্ৰৱেশ কৰা অন্য ৰাজ্যৰ খেলুৱৈসকল হ'ল চৈয়দ হুছেইন, প্ৰিয়দৰ্শন প্ৰধান, কিশোৰ শ্ৰীৰাম , ৰোছাংকিমা হলণ্ডো , ঋষিকেশ মানে , কীৰ্থন বিশ্বাস, আহান পাটিল আৰু হিত কন্দোৰিয়া। ইফালে, ছোৱালীৰ ১৪ বছৰ অনূৰ্দ্ধ শাখাৰ প্ৰথম ৰাউণ্ডৰ মেচত জয়লাভ কৰি দ্বিতীয় ৰাউণ্ডত প্ৰৱেশ কৰিছে অসমৰ নীকিতা কান্দ আৰু নায়েম হুছেইনে। ওড়িছাৰ আৰাধ্যা বাৰ্মায়ো জয়লাভ কৰিছে। অসম টেনিছ সন্থাৰ সম্পাদক অংকুশ দত্তই জনোৱা অনুসৰি আজি নিশালৈ মেচ অনুষ্ঠিত হ'ব। ইফালে, আজি প্ৰতিযোগিতাখন আনুষ্ঠানিকভাবে মুকলি কৰে অইল ইণ্ডিয়াৰ কাৰ্যবাহী সঞ্চালক অতীন্দ্ৰ ৰয়চৌধুৰীয়ে। উল্লেখ্য যে ৰাষ্ট্ৰীয় টেনিছ প্ৰতিযোগিতাখনত দেশৰ বিভিন্ন প্ৰান্তৰ পৰা প্ৰায় ১৩৫ গৰাকী খেলুৱৈয়ে অংশগ্ৰহণ কৰিছে।

### ইষ্ট বেংগলৰ পাছত গ্ৰুপতে বিদায় ল'লে এ টি কে মোহন বাগানেও

## অন্তিম মেচত জয়েৰে কোৱাৰ্টাৰত ৰাজস্থান ইউনাইটেড

**কলকাতা, ৫ ছেপ্টেম্বৰ ঃ** ইষ্ট বেংগলৰ পাছত এ টি কে মোহন বাগানেও চলিত ঐতিহ্যমণ্ডিত ১৩১ সংখ্যক ইণ্ডিয়ান অইল ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাৰ গ্ৰুপ পৰ্যায়তে নিজৰ অভিযান সামৰিলে। বিপৰীতে চমক সৃষ্টিৰে গ্ৰুপ 'বি' ৰ পৰা মুম্বাই চিটী এফ চিৰ পাছত দ্বিতীয়টো দল হিচাপে কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে ৰাজস্থান ইউনাইটেড এফ চিয়ে। স্মৰ্তব্য যে প্ৰথমবাৰৰ বাবে ডুৰাণ্ড কাপত খেলিয়েই কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশৰ গৌৰৱ লাভ কৰিলে ৰাজস্থান দলে। অথচ এই গ্ৰুপতে আছিল ইষ্ট বেংগল আৰু এ টি কে মোহন বাগানো। উল্লেখ্য যে ভাৰতীয় সেনা বাহিনীৰ দ্বাৰা আয়োজিত প্ৰতিযোগিতাৰ আজি অনুষ্ঠিত হোৱা গ্ৰুপ 'বি'ৰ অন্তিমখন মেচত মুখামুখি হয় ৰাজস্থান ইউনাইটেড এফ চি আৰু ভাৰতীয় নৌ সেনাৰ দল। কলকাতাৰ কিশোৰ ভাৰতী ক্ৰীড়াংগনত অনুষ্ঠিত মেচখনত ৰাজস্থান ইউনাইটেডে ২-০ গ'লত জয়ী হৈ কোৱাৰ্টাৰ ফাইনেললৈ যোগ্যতা অৰ্জন কৰে। খেলৰ প্ৰথমাৰ্ধত কোনো গ'ল হোৱা নাছিল যদিও ৭৩ মিনিটত ইউছুফৰ গ'লেৰে ৰাজস্থানে ১-০ ত অগ্ৰগতি লোৱাৰ পাছত ৮৮ মিনিটত দলৰ হৈ দ্বিতীয়টো গ'ল কৰে বাৰ্বোছাই। উল্লেখ্য যে এই গ্ৰুপৰ পৰা মুম্বাই চিটীয়ে ইতিমধ্যে কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছিল। আজিৰ মেচত জয়লাভ কৰি ৰাজস্থানে সাত পইণ্ট লাভ কৰে। মুম্বাই চিটী আৰু মোহন বাগানৰো সাত পইণ্ট। কিন্তু গ'লৰ গড় হিচাপত তৃতীয় স্থানত থাকি আশাহত হ'ল মোহন বাগান। বিপৰীতে ইতিহাস ৰচিলে ৰাজস্থান ইউনাইটেডে।



### ক্ষীৰোদ বৰুৱা ছিনিয়ৰ আন্তঃজিলা ফুটবল

## ওদালগুৰিৰ যোগ্যতা অৰ্জন

**ওদালগুৰি, ৫ ছেপ্টেম্বৰ ঃ** অসম ফুটবল এছ'চিয়েছনৰ সৌজন্যত আৰু ওদালগুৰি জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত ক্ষীৰোদ বৰুৱা সোঁৱৰণী ছিনিয়ৰ আন্তঃ জিলা ফুটবল প্ৰতিযোগিতাৰ এফ জ'নৰ ওদালগুৰিৰ নলবাৰী খেলপথাৰত অনুষ্ঠিত চূড়ান্ত খেলখনিত ওদালগুৰি জিলা ক্ৰীড়া সন্থাই ধেমাজী জিলা ক্ৰীড়া সন্থাক ৪-০ গলত পৰাস্ত কৰে। বিজয়ী দলক ট্ৰফী প্ৰদান কৰে প্ৰদীপ কুমাৰ দৈমাৰীয়ে। খেলৰ শ্ৰেষ্ঠ খেলুৱৈৰ সন্মান লাভ কৰে ওদালগুৰিৰ আৰলুচ দৈমাৰীয়ে। আজিৰ খেলখনত ৰেফাৰী হিচাপে উপস্থিত থাকে দেবেন কুমাৰ বড়ো, লবেন দৈমাৰী, মহন্ত বড়ো, অৰূপ কুমাৰ হালৈ আৰু মনোজ পাঠক। ওদালগুৰিৰ দলটোৱে শালবাৰীত হ'বলগীয়া চূড়ান্ত প্ৰতিযোগিতাখনত খেলাৰ যোগ্যতা অৰ্জন কৰে।

## এ ডিভিজন ফুটবল লীগ

**অগ্ৰদূত বাৰ্তা, মৰিগাঁও, ৫ছেপ্টেম্বৰ ঃ** মৰিগাঁও জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত স্থানীয় ক্ষীৰোদ বৰুৱাৰ ষ্টেডিয়ামত চলি থকা আন্তঃ ক্লাব এ ডিভিজন ফুটবল লীগত আজি দমাল স্পৰ্টচ ক্লাবে ৩ -২ গলত অসম জ্যোতি ক্লাবক পৰাস্ত কৰি সম্পুৰ্ণ পইন্ট অৰ্জন কৰিবলৈ সক্ষম হৈছে। দমাল স্পৰ্টচ ক্লাবৰ কিৰণ বৰদলৈয়ে হেট্ৰিক অৰ্জন কৰিবলৈ সক্ষম হয়।

## আন্তঃক্লাব ফুটবল লীগ

**ধুবুৰী, ৫ছেপ্টেম্বৰ ঃ** ধুবুৰী জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত ধুবুৰী ৰজা প্ৰভাত চন্দ্ৰ বৰুৱা খেলপথাৰত চলি থকা আন্তঃক্লাব ফুটবল লীগ প্ৰতিযোগিতাৰ আজিৰ খেলখন বি এন কলেজ আৰু শংকৰদেব সংঘৰ মাজত অনুষ্ঠিত হয়। খেলত বি এন কলেজে ৮-০ গলত জয়লাভ কৰে।

## আজিৰে পৰা তিনি স্থানত স্বাধীনতা দিৱস কাপ ফুটবল

**অগ্ৰদূত বাৰ্তা, বেবেজীয়া, ৫ ছেপ্টেম্বৰ ঃ** নগাঁও ক্ৰীড়া সংস্থাৰ উদ্যোগত ঐতিহ্যমণ্ডিত সৰ্বভাৰতীয় আমন্ত্ৰণমূলক প্ৰাইজমানি স্বাধীনতা দিৱস কাপ ফুটবল প্ৰতিযোগিতা কাইলৈৰ পৰা আৰম্ভ হ'ব । এইবাৰ প্ৰতিযোগিতাৰ খেলসমূহ সংস্থাৰ নুৰুল আমিন ষ্টেডিয়ামৰ উপৰি কামপুৰ ক্ৰীড়া সংস্থাৰ ব্যৱস্থাপনাত কামপুৰৰ খেলপথাৰত আৰু ধিং ক্ৰীড়া সংস্থাৰ ব্যৱস্থাপনাত ধিঙৰ খেলপথাৰতো অনুষ্ঠিত হ'ব । কামপুৰত কাইলৈৰ পৰা ১০ ছেপ্টেম্বৰলৈ আৰু ধিঙত সাত ছেপ্টেম্বৰৰ পৰা ১১ ছেপ্টেম্বৰলৈ সমান্তৰালভাবে প্ৰাৰম্ভিক পৰ্যায়ৰ খেলসমূহ অনুষ্ঠিত হোৱাৰ পাছত অহা ১১ ছেপ্টেম্বৰত নুৰুল আমিন ষ্টেডিয়ামত এখন প্ৰি-কোৱাৰ্টাৰ ফাইনেল খেল আৰু ১২ ছেপ্টেম্বৰৰ পৰা কোৱাৰ্টাৰ ফাইনেলৰ খেলসমূহ লীগ ভিত্তিত অনুষ্ঠিত হব । প্ৰতিযোগিতাখনত যোগদান নিশ্চিত কৰা দলৰ ভিতৰত যোৱাবাৰৰ বিজয়ী গুৱাহাটীৰ অসম ৰাজ্যিক বিদ্যুৎ পৰিষদ আৰু ৰানাৰ্ছ আপ কেৰালা ইউনাইটেড ফুটবল ক্লাবক পোনপটীয়াকৈ কোৱাৰ্টাৰ ফাইনেলত স্থান দিয়া হৈছে। ছেমিফাইনেল খেল দুখন ২১ আৰু ২২ ছেপ্টেম্বৰত আৰু ফাইনেল খেলখন অহা ২৪ ছেপ্টেম্বৰত অনুষ্ঠিত হ'ব। কামপুৰত অনুষ্ঠিত হব লগা উদ্বোধনী খেলখনত বাৰেকুৰী ফুটবল ক্লাব, তিনিচুকীয়াই খেলিব ইলেভেন ষ্টাৰ, বঙাইগাঁৱৰ বিৰুদ্ধে।

## সদৌ অসম টাইকোৱান-ড'ত জামুগুৰি একাডেমীৰ সফলতা

**অগ্ৰদূত বাৰ্তা, নদুৱাৰ, ৫ ছেপ্টেম্বৰ ঃ** ডিব্ৰুগড় জিলাৰ দুলীয়াজানত অনুস্থিত সদৌ অসম টাইকোৱান-ড' প্ৰতিযোগিতাত শোণিতপুৰ জিলাৰ হৈ অংশগ্ৰহণ কৰি জামুগুৰি টাইকোৱান-ড' একাডেমীৰ চাৰি গৰাকী খেলুৱৈয়ে সফলতা লাভ কৰি অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। সদৌ অসম ভিত্তিত অনুষ্ঠিত প্ৰতিযোগিতাখনিত জিলাখনৰ হৈ অংশ গ্ৰহণ কৰা জামুগুৰি টাইকোৱান-ড' একাডেমীৰ এগৰাকীয়ে ৰূপৰ আৰু তিনি গৰাকী খেলুৱৈয়ে ব্ৰঞ্জৰ পদক বুটলি আনিবলৈ সক্ষম হয়। ছোৱালীৰ কেডেত আৰু ছাব-জুনিয়ৰ শাখাত নিচামনী বৰাই দ্বিতীয় স্থান লাভ কৰি ৰূপৰ পদক লাভ কৰিবলৈ সক্ষম হোৱাৰ বিপৰীতে ভায়লিনা সুতে তৃতীয় স্থান লাভ কৰি ব্ৰঞ্জৰ পদক দখল কৰে। ইফালে, ল'ৰাৰ কেডেত শাখাত উজ্জল বৰা আৰু মাৰচেন্ট বৰুৱাই তৃতীয় স্থান লাভ কৰিবলৈ সক্ষম হয়। সদৌ শোণিতপুৰ জিলাৰ লগতে জামুগুৰি আৰু কুসুমটোলা অঞ্চলৰ অন্যতম টাইকোৱান-ড' প্ৰশিক্ষন কেন্দ্ৰ জামুগুৰি টাইকোৱান-ড'একাডেমীলৈ এই সাফল্যত গৌৰান্বিত প্ৰশিক্ষক কৌস্তৱ বাৰুতি আৰু সহ প্ৰশিক্ষক বিকিৰাজ বাৰুতিৰ লগতে সমগ্ৰ জামুগুৰিহাটবাসী ৰাইজ। উল্লেখ্য যে সদৌ অসম টাইকোৱান-ড' প্ৰতিযোগিতাত শোণিতপুৰ জিলাৰপৰা মুঠ ৬১ গৰাকী প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰিছিল।



বিশ্ব ষ্ট্ৰেংথ লিফটিঙলৈ যোৱা ভাৰতীয় দলৰ সদস্যসকল।



ইউ এছ অপেনৰ কোৱাৰ্টাৰত আমেৰিকাৰ ক'ক' গফ।

## বঙাইগাঁও এলেভেন ষ্টাৰ দলৰ জয়লাভ

**ছয়গাঁও, ৫ ছেপ্টেম্বৰ ঃ** ছয়গাঁও ক্ৰীড়া সন্থাৰ উদ্যোগত ছয়গাঁও মিনি ষ্টেডিয়ামত আজিৰে পৰা আৰম্ভ হৈছে তুলসী ৰাম কলিতা সোঁৱৰণী আমন্ত্ৰণমূলক ফুটবল প্ৰতিযোগিতা ।প্ৰাক্তন মন্ত্ৰী ডাঃ কমলাকান্ত কলিতাৰ পিতৃৰ সোঁৱৰণত আয়োজন কৰা এই খেলত মূখ্য অতিথিৰূপে উপস্থিত থাকে ভাৰতীয় অলিম্পিক সন্থাৰ উপ-সভাপতি বীৰেন্দ্ৰ প্ৰসাদ বৈশ্যই । আজিৰ খেলত বঙাইগাঁও এলেভেন ষ্টাৰে ৩-০ গলৰ ব্যৱধানত গুৱাহাটীৰ নৱজ্যোতি ফুটবল দলক পৰাস্ত কৰে। কাইলৈৰ খেল ঃ অসম ৰাজ্যিক বিদ্যুৎ পৰিষদ বনাম ইউনাইটেড চিৰাং দুৱাৰ ফুটবল দল।

## ডুৰাণ্ড কাপৰ কোৱাৰ্টাৰত চেন্নাইয়ান এফ চি

**ইম্ফল, ৫ ছেপ্টেম্বৰ ঃ** চলিত ঐতিহ্যমণ্ডিত ১৩১ সংখ্যক ইণ্ডিয়ান অইল ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাৰ আজি ইম্ফলৰ খুমান লাম্পাক ষ্টেডিয়ামত অনুষ্ঠিত হোৱা গ্ৰুপ 'চি'ৰ এখন মেচত আই এছ এলৰ পূৰ্ব চেম্পিয়ন চেন্নাইয়ান এফ চিয়ে ২-০ গ'লত নেৰ'কা এফ চিক পৰাস্ত কৰি কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰে। উল্লেখ্য যে এই গ্ৰুপৰ পৰা হায়দৰাবাদ এফ চিয়ে ইতিমধ্যে গ্ৰুপৰ শীৰ্ষ দল হিচাপে কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছিল। আজিৰ মেচখন উভয় দলৰ বাবে মৰণপণ আছিল কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশৰ দৃষ্টিৰে। খেলৰ ১৫ মিনিটত অনিৰুদ্ধ থাপাই প্ৰথমে গ'ল কৰি চেন্নাইয়ানক বিৰতিলৈ ১-০ ৰ অগ্ৰগতি দিয়াৰ পাছত ৭১ মিনিটত দলৰ হৈ দ্বিতীয়টো গ'ল কৰে বাভাই। উল্লেখ্য যে আজিৰ এই মেচখন আছিল চলিত ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাৰ অন্তিম গ্ৰুপ মেচ। অহা ন ছেপ্টেম্বৰৰ পৰা আৰম্ভ হ'ব কোৱাৰ্টাৰ ফাইনেল। প্ৰথম কোৱাৰ্টাৰ ফাইনেলত মহমেদান স্প'ৰ্টিঙে খেলিব কেৰালা ব্লাষ্টাৰ্ছৰ বিৰুদ্ধে। আনহাতে, ওড়িছা এফ চি মুখামুখি হ'ব বাংগালুৰু এফ চিৰ। মুম্বাই চিটীয়ে খেলিব চেন্নাইয়ান এফ চিৰ বিৰুদ্ধে। আনহাতে, হায়দৰাবাদ এফ চি মুখামুখি হ'ব ৰাজস্থান ইউনাইটেডৰ।



